www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক


আমি জীৱনটো ভাল পাওঁ এই কাৰণেই কাৰণ আমি প্ৰত্যেকেই প্ৰেমত অভ্যস্ত। সকলো ধৰণৰ প্ৰেমতেই উন্মাদনা আছে আৰু আছে যুক্তি। — নীৎসে

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

প্ৰথম বছৰ ▫ সংখ্যা- ১১৫ ▫ বৃহস্পতিবাৰ ▫ ২৯ জানুৱাৰী, ২০২৬ চন ▫ Volume/Year- I ▫ Issue- 115 ▫ Thursday ▫ 29th January, 2026 ▫ Asom Barta, Majuli ▫ PRGI Reg. No.- ASASS/25/A2361 ▫ Price- Rs. 10 ▫ Total Page- 8

ডিব্ৰুগড়ত বিধানসভাৰ দ্বিতীয় চৌহদৰ আধাৰশিলা স্থাপন, মিচিং সাংস্কৃতিক মহোৎসৱত অংশগ্ৰহণ

## দুদিনীয়া ভ্ৰমণসূচীৰে পুনৰ আজি অসমলৈ অমিত শ্বাহ



**নিউজ ডেস্ক, অসম বাৰ্তা, ২৯ জানুৱাৰী ঃ** আগন্তুক ২০২৬ বিধানসভা নিৰ্বাচনৰ প্ৰেক্ষাপটত অসমলৈ কেন্দ্ৰীয় নেতৃত্বৰ ভ্ৰমণৰ সোঁত অব্যাহত ৰৈছে। ২০২৫ৰ নৱেম্বৰ মাহৰ পৰা এই ধাৰা তীব্ৰতৰ হৈ পৰিছে। জানুৱাৰী মাহৰ ১৭ তাৰিখলৈকে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে চাৰিবাৰ আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে তিনিবাৰ অসম ভ্ৰমণ কৰিছে। আজি (২৯ জানুৱাৰী) দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিছে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ। গৃহমন্ত্ৰীগৰাকীয়ে আজি সন্ধিয়া অসমত উপস্থিত হৈ ডিব্ৰুগড়ত ■ ৬ পৃষ্ঠাত

## মণিপুৰ হিংসাৰ ভুক্তভোগীসকলৰ সাহায্য আৰু পুনৰ সংস্থাপনৰ কাম অব্যাহত ৰাখিবলৈ সময় বৃদ্ধি

ন্যায়াধীশ গীতা মিট্টাল সমিতিৰ কাৰ্যকাল ২০২৬ চনৰ ৩১ জুলাইলৈ বৃদ্ধি

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৮ জানুৱাৰী ঃ** মণিপুৰত ২০২৩ চনত সংঘটিত জাতিগত হিংসাৰ বলি হোৱা লোকসকলৰ সাহায্য, পুনৰ সংস্থাপন আৰু ক্ষতিপূৰণৰ তদাৰকৰ বাবে উচ্চতম ন্যায়ালয়ে গঠন কৰা বিশেষ সমিতিৰ কাৰ্যকাল আৰু এবছৰলৈ ■ ৬ পৃষ্ঠাত

■ মহাৰাষ্ট্ৰত তিনিদিনীয়া শোক পালন ■ বন্ধ থাকিব চৰকাৰী শিক্ষানুষ্ঠান আৰু কাৰ্যালয় ■

# বিমান দুৰ্ঘটনাত মৃত্যু অজিত পাৱাৰসহ ৬জনৰ

ৰাণৱেৰ কাষ চাপি অহাৰ সময়তে নিয়ন্ত্ৰণ হেৰুৱাই দুৰ্ঘটনাত পতিত; একাধিক বিষ্ফোৰণত জুইৰ লেলিহান শিখাই আৱৰি ধৰে বিমান

**নিউজ ডেস্ক, অসম বাৰ্তা, ২৮ জানুৱাৰী ঃ** বুধবাৰৰ পুৱা মহাৰাষ্ট্ৰৰ ৰাজনীতিত গভীৰ শোকৰ ছাঁ পৰিল। পুনে জিলাৰ বাৰামতীৰ ওচৰত অৱতৰণৰ সময়তে এক ভয়াৱহ বিমান দুৰ্ঘটনাত চিৰদিনৰ বাবে বিদায় ল'লে ৰাজ্যখনৰ উপ-মুখ্যমন্ত্ৰী তথা ৰাষ্ট্ৰীয়তাবাদী কংগ্ৰেছ পাৰ্টিৰ (এনচিপি) অন্যতম প্ৰভাৱশালী নেতা অজিত পাৱাৰে। মুম্বাইৰ পৰা বাৰামতীলৈ অহা ব্যক্তিগত লিয়াৰজেট ৪৫ বিমানখন (ৰেজিষ্ট্ৰেচন VT-SSK) ৰাণৱেৰ কাষ চাপি অহাৰ সময়তে নিয়ন্ত্ৰণ হেৰুৱাই পেলাইছিল। বিমানখনে মাটিত জোৰেৰে খুন্দা মাৰি জুই লগাই দিছিল আৰু তাৰ পিছত একেৰাহে একাধিক বিস্ফোৰণৰ সৃষ্টি হৈছিল। এই দুৰ্ঘটনাত বিমানত থকা ■ ৭ পৃষ্ঠাত



প্ৰধানমন্ত্ৰী মোদী, ৰাষ্ট্ৰপতি, অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাসহ বিভিন্নজনৰ শোক প্ৰকাশ

## অজিত পাৱাৰৰ মৃত্যুত ৰাজনৈতিক জগতত শোকৰ ছাঁ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৮ জানুৱাৰী ঃ** বাৰামতীৰ সমীপত বুধবাৰে পুৱা সংঘটিত ভয়াৱহ বিমান দুৰ্ঘটনাত মহাৰাষ্ট্ৰৰ উপ-মুখ্যমন্ত্ৰী তথা এন চি পিৰ প্ৰভাৱশালী নেতা অজিত পাৱাৰৰ অকাল মৃত্যুৱে সমগ্ৰ দেশৰ ৰাজনৈতিক জগতত গভীৰ শোকৰ ছাঁ পেলাইছে। এই দুৰ্ঘটনাত বিমানত থকা আটাইকেইজন যাত্ৰীৰ মৃত্যু হোৱাৰ ■ ৬ পৃষ্ঠাত

## নিৰ্বাচনত কংগ্ৰেছৰ অৱস্থা বহুত বেয়া হ'ব ঃ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা

লখিমপুৰত মহিলা উদ্যমিতা আঁচনিৰ পুঁজি বিতৰণ সভাত বিৰোধীক তীব্ৰ আক্ৰমণ, গৌৰৱ গগৈ আৰু অখিল গগৈকো সমালোচনা



**নিউজ ডেস্ক, অসম বাৰ্তা, ২৮ জানুৱাৰী ঃ** অহা ২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনত কংগ্ৰেছৰ অৱস্থা অতি বেয়া হ'ব বুলি নিশ্চিত প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। বুধবাৰে লখিমপুৰৰ ৰঙানদী সমষ্টিত মহিলা ■ ৬ পৃষ্ঠাত

মিত্ৰতাক লৈ কংগ্ৰেছৰ হোহোকা পিছলা নীতি

## বিৰোধী ঐক্যৰ মিত্ৰতা পলম হোৱাত ৭টা সমষ্টিত প্ৰাৰ্থী দিয়াৰ সিদ্ধান্ত CPIৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৮ জানুৱাৰী ঃ** অহা অসম বিধানসভা নিৰ্বাচনত বিজেপিৰ বিৰুদ্ধে ঐক্যবদ্ধ হোৱাৰ চৰ্চা চলি থকাৰ মাজতে বিৰোধী শিবিৰত ডাঙৰ ফাঁট দেখা দিছে। কংগ্ৰেছৰ ফালৰ পৰা মিত্ৰতা আৰু আসন বুজাবুজিৰ ক্ষেত্ৰত অধিক পলম কৰাৰ ■ ৭ পৃষ্ঠাত

সংবাদমেলযোগে ঘোষণা CPIৰ ৰাজ্যিক সম্পাদক কনক গগৈৰ



▫ কংগ্ৰেছৰ টিকটৰ বাবে আবেদন দাখিলৰ প্ৰক্ৰিয়াৰ অন্ত ▫

## ১২৬ টা সমষ্টিৰ বাবে ৭৯০ জন প্ৰাৰ্থিত্ব প্ৰত্যাশীৰ আবেদন দাখিল; সংগ্ৰহ ৩.৯৫ কোটি টকা

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৮ জানুৱাৰী ঃ** অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ মুখ্য কাৰ্যালয় ৰাজীৱ ভৱনত বুধবাৰে (২৮ জানুৱাৰী) ২০২৬ৰ বিধানসভা নিৰ্বাচনৰ প্ৰাৰ্থিত্বৰ বাবে আবেদন দাখিলৰ অন্তিম দিনত উখল-মাখল পৰিৱেশৰ সৃষ্টি হৈছিল। ভোৰতাল নৃত্য, তিৱা নৃত্য, বিহুনাচ আদি খিলঞ্জীয়া সংস্কৃতিৰ প্ৰদৰ্শনৰ লগতে গীত-মাত আৰু সমৰ্থকৰ উচ্চস্বৰৰ ধ্বনিৰে মুখৰিত হৈ পৰিছিল কংগ্ৰেছৰ ■ ৬ পৃষ্ঠাত



### আজিৰ কলম

## যুৱ প্ৰজন্মৰ মাজত ক'লা পোছাকৰ পয়োভৰ



শৰৎ চন্দ্ৰ চিৰিংফুকন

এইখন সমাজ আমাৰ সমাজ। এইখন সমাজ মানৱ সমাজ। এইখন সমাজত পুৰুষ-মহিলা, যুৱক-যুৱতী, আবাল বৃদ্ধ-বনিতা উচ্চ- ■ ৬ পৃষ্ঠাত

## গৌৰৱ গগৈৰ ভূতে খেদি থাকে মুখ্যমন্ত্ৰীক, সাহস আছে যদি গৌৰৱৰে টিভিত বহক; কংগ্ৰেছৰ প্ৰত্যাহ্বান

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক দেৱব্ৰত শইকীয়া, মীৰা বৰঠাকুৰৰ ক্ষুৰধাৰ সমালোচনা

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৮ জানুৱাৰী ঃ** অহা অসম বিধানসভা নিৰ্বাচনৰ পূৰ্বে ৰাজনৈতিক উত্তাপ বাঢ়িছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কংগ্ৰেছ নেতা গৌৰৱ গগৈৰ 'পাকিস্তান লিংক' আৰু ভোটাৰ তালিকাৰ এছ আৰ প্ৰক্ৰিয়াত 'মিঞাক হাৰাশাস্তি'ৰ ■ ৬ পৃষ্ঠাত




মুখ্যমন্ত্ৰীক তীব্ৰ সমালোচনা

## 'মিঞাক কষ্ট দিব লাগে' মন্তব্যক ঘৃণাসূচক অভিহিত অখিল গগৈৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৮ জানুৱাৰী ঃ** ৰাইজৰ দলৰ সভাপতি তথা শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ "মিঞাক কষ্ট দিব লাগে" বুলি কৰা মন্তব্যৰ ■ ৬ পৃষ্ঠাত

মুখ্যমন্ত্ৰীক অজাপৰ সভাপতি লুৰীণজ্যোতি গগৈৰ প্ৰত্যুত্তৰ

## শ্বহীদৰ সন্মান অন্তৰত আছে, ফটো-ছেল্‌ফীৰ প্ৰয়োজন নাই ঃ লুৰীণজ্যোতি

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৮ জানুৱাৰী ঃ** অসম জাতীয় পৰিষদ (AJP)ৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ শেহতীয়া কটাক্ষৰ তীব্ৰ প্ৰত্যুত্তৰ দি ■ ৬ পৃষ্ঠাত

■ মণিকাঞ্চন ভাওনা দল, আমগুৰি, শিৱসাগৰ প্ৰথম শ্ৰেষ্ঠ দল ■

## লক্ষাধিক ভাওনাপ্ৰেমীৰ সমাগমেৰে সামৰণি পৰিল অসম ভাওনা সমাৰোহ-২০২৬

**অসম বাৰ্তা, মাজুলী, উজনী মাজুলী, ২৮ জানুৱাৰী ঃ** ভাওনা অসমীয়া সংস্কৃতিৰ অবিচ্ছেদ্য অংগ। ভাওনাৰ অবিহনে আমাৰ সমাজ জীৱনৰ যিটো পৰিশিলীত ৰূপ সেইটো সম্ভৱ নহয়। ভাওনাই আমাক দিয়ে নৈতিক, আধ্যাত্মিক, সামাজিক আৰু সাংস্কৃতিক শিক্ষা। নৈতিক, আধ্যাত্মিক, সামাজিক আৰু সাংস্কৃতিক শিক্ষাৰ অবিহনে মানুহৰ জীৱন সম্পূৰ্ণ হ'ব ■ ৬ পৃষ্ঠাত



বিশিষ্ট ভাস্কৰ্য শিল্পী, কলা নিৰ্দেশক নুৰুদ্দিন আহমেদক অসম ভাওনা সমাৰোহৰ ভাস্কৰ্য ৰত্ন উপাধি প্ৰদান



# অভয়াপুৰীত সদৌ অসম সাংবাদিক সন্থাৰ কেন্দ্ৰীয় বঁটা প্ৰদান অনুষ্ঠান- আদৰণি সমিতি গঠন



**ষ্টাফ ৰিপৰ্টাৰ, বঙাইগাঁও, ২৭ জানুৱাৰী ঃ** সদৌ অসম সাংবাদিক সন্থা চমুকৈ 'আজু'ৰ কেন্দ্ৰীয় বঁটা প্ৰদান অনুষ্ঠান এইবেলি বঙাইগাঁও জিলাৰ অভয়াপুৰীত অনুষ্ঠিত কৰাৰ বাবে প্ৰস্তুতি চলোৱা হৈছে। 'আজু'ৰ বঙাইগাঁও জিলাৰ সহযোগত অনুষ্ঠিত কৰিবলগীয়া বঁটা প্ৰদান অনুষ্ঠানখন সুচাৰুৰূপে চলাবলৈ আজি অভয়াপুৰীত আদৰণি সমিতি গঠনৰ উদ্দেশ্য এখন সভা অনুষ্ঠিত হয়। অভয়াপুৰী জ্যোতি সাংস্কৃতিক অনুষ্ঠানত অনুষ্ঠিত সভাত সভাপতিত্ব কৰে জিলা সভাপতি বিষ্ণুৰাম দাসে আৰু উদ্দেশ্য ব্যাখ্যা কৰে সাধাৰণ সম্পাদক মনোৱাৰ হুছেইনে। সভাখনত কেন্দ্ৰীয় সমিতিৰ হৈ দিলীপ কুমাৰ নাথে 'আজু'ৰ কেন্দ্ৰীয় বঁটা প্ৰদান অনুষ্ঠান সন্দৰ্ভত বিশদ ব্যাখ্যা আগবঢ়ায়। সভাখনতে প্ৰবীন সাংবাদিক নিৰ্মল কুমাৰ ৰায়, অভয়াপুৰীৰ জ্যেষ্ঠ নাগৰিক অনুকূল চন্দ্ৰ নাথ, শ্যামসুন্দৰ পালৰ লগতে কেবাটাও জাতীয় সংগঠনৰ প্ৰতিনিধিয়ে বঁটা প্ৰদান অনুষ্ঠান সন্দৰ্ভত মতামত আগবঢ়ায় আৰু সৰ্বতোপ্ৰকাৰে সহযোগিতা আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি দিয়ে। সভাখনতে অভয়াপুৰী মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ প্ৰাণজিৎ কলিতাক সভাপতি, সমাজ সেৱক অনুকূল চন্দ্ৰ নাথক কাৰ্যকৰী সভাপতি, শ্যাম সুন্দৰ পাল, কংকন বায়ন, নাৰায়ণ মেধি, নুৰুল আমিন, হাফিজুৰ ৰহমান, গণেশ দাস, উপেন বৰুৱা আৰু বলেন পাটগিৰীক উপ-সভাপতি, দিলীপ কুমাৰ নাথক সাধাৰণ সম্পাদক, কিশোৰ দাস, জ্যোতিকেশ বৰুৱা, উত্তম মণ্ডল, মুস্তাক আলম, বিক্ৰমৰঞ্জন ৰয়ক সহকাৰী সম্পাদক, দেৱাশিস পাঠকক বিত্ত সম্পাদক হিচাবে লৈ শক্তিশালী আদৰণি সমিতি এখন গঠন কৰে।

## বিটিআৰ চুক্তিত থকা প্ৰতিটো দফা কাৰ্যকৰী নহ'লে পুনৰ হ'ব আন্দোলন ঃ দীপেন বড়ো, ইনুছ মুছাহাৰী

# বাতাচীপুৰত নিখিল বড়ো ছাত্ৰ সন্থাৰ উদ্যোগত ৬ সংখ্যক বিটিআৰ শান্তি চুক্তি দিৱস উদযাপন

**অসম বাৰ্তা, ঢেকীয়াজুলি, ২৭ জানুৱাৰী ঃ** নিখিল বড়ো ছাত্ৰ সন্থাৰ উদ্যোগত আজি শোণিতপুৰ জিলাৰ অন্তৰ্গত ঢেকীয়াজুলিৰ বাতাচীপুৰত গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত ৬ সংখ্যক বিটিআৰ শান্তি চুক্তি দিৱস উদযাপন কৰা হয়। উল্লেখ্য যে ২০২০ চনৰ ২৭ জানুৱাৰী তাৰিখে নিখিল বড়ো ছাত্ৰ সন্থাসহ কেইবাটাও সংগঠনৰ উপস্থিতিত ভাৰত চৰকাৰ আৰু অসম চৰকাৰৰ সৈতে বিটিআৰ শান্তি চুক্তি স্বাক্ষৰিত হৈছিল। উক্ত ঐতিহাসিক চুক্তিৰ স্মৃতি সোঁৱৰি প্ৰতিবছৰৰ দৰে এইবাৰো দিনটো যথাযোগ্য মৰ্যাদাৰে উদযাপন কৰা হয়। আজিৰ উক্ত কাৰ্যসূচীৰ শুভাৰম্ভ কৰে নিখিল বড়ো ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সভাপতি দীপেন বড়ো দেৱে পতকা উত্তোলন কৰি। অনুষ্ঠানত ভাষণ প্ৰদান কৰি তেওঁ বিটিআৰ শান্তি চুক্তিয়ে বড়ো সমাজৰ ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত এক নতুন দিশ উন্মোচন কৰাৰ কথা উল্লেখ কৰে আৰু শান্তি, ঐক্য আৰু উন্নয়নৰ পথত আগবঢ়াৰ আহ্বান জনায়। লগতে দীপেন বড়োৱে কয় চুক্তি অনুসৰি চৰকাৰে এতিয়াও বহুত কৰিবলগীয়া আছে। সেয়েহে চৰকাৰে বিটিআৰ শান্তি চুক্তিত সন্নিৱিষ্ট প্ৰতিটো বিষয় আখৰে আখৰে পালন কৰিব লাগিব। নহলে পুনৰ ৰাজপথ উত্তাল কৰাৰ হুংকাৰ দিলে দীপেন বড়োৱে। আজিৰ উক্ত অনুষ্ঠানত নিখিল বড়ো ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় উপ-সভাপতি ক্ৰমে খুৰুমদাও ওৱাৰী আৰু উমেশ দৈমাৰী, কেন্দ্ৰীয় সাধাৰণ সম্পাদক খনেন্দ্ৰ বসুমতাৰী, সহকাৰী সাধাৰণ সম্পাদক দীনেশ ব্ৰহ্ম, সম্পাদক দ্বয় আনন্দ দৈমাৰী আৰু বিৰ্দাও বড়ো, ক্ৰীড়া সম্পাদক মণিৰাম বৰগয়াৰী, সহকাৰী শিক্ষা সম্পাদক বিশ্বজিৎ নাৰ্জাৰী, স্পীকাৰ অভিট নাৰ্জাৰী উপস্থিত থাকে। লগতে বড়ো সাহিত্য সভাৰ সাধাৰণ সম্পাদক নিলকান্ত গয়াৰী, প্ৰাক্তন NDFB ৰেলফিয়াৰ এচ'চিয়েচনৰ নুজুগ্ৰা মুছাহাৰী, নিখিল বড়ো ছাত্ৰ সন্থাৰ প্ৰাক্তন উপদেষ্টা খুংখ্ৰা স্বৰ্গীয়াৰী, UBPOৰ কেন্দ্ৰীয় উপ-সভাপতি ললিত চন্দ্ৰ বসুমতাৰীও অনুষ্ঠানত অংশগ্ৰহণ কৰে। ইয়াৰ উপৰিও নিখিল বড়ো ছাত্ৰ সন্থাৰ শোণিতপুৰ জিলা সমিতিৰ সভাপতি ইনুছ মুছাহাৰী, জিলাৰ সাধাৰণ সম্পাদক হৰিচৰণ বসুমতাৰীসহ জিলাৰ অন্যান্য বিষয়ববীয়া আৰু বিভিন্ন আঞ্চলিক সমিতিৰ বিষয়ববীয়াসকলো বৃহৎ সংখ্যাত উপস্থিত থাকে। আজি উক্ত অনুষ্ঠানৰ পৰাই নিখিল বড়ো ছাত্ৰ সন্থাৰ শোণিতপুৰ জিলাৰ সভাপতি ইনুছ মুছাহাৰীয়ে চৰকাৰক পুনৰ সুঁৱৰাই দিলে চুক্তি থকা প্ৰতিটো দফাৰ কথা। বক্তাসকলে বিটিআৰ শান্তি চুক্তিৰ মূল উদ্দেশ্য সফল ৰূপে বাস্তৱায়নৰ ওপৰত গুৰুত্ব আৰোপ কৰি ভৱিষ্যতে শান্তিপূৰ্ণ সহাৱস্থান আৰু উন্নয়নৰ পথত আগবঢ়াৰ সংকল্প ব্যক্ত কৰে।

# বড়মপুৰ ক্লাৱ ক্ৰিকেট; উদয়ন ক্ৰিকেট ক্লাৱৰ জয়লাভ

**অসম বাৰ্তা, পুৰণিগুদাম, ২৭ জানুৱাৰী ঃ** নগাঁও জিলাৰ বড়মপুৰ ক্ৰীড়া প্ৰকল্পৰ ক্ৰিকেট খেলপথাৰত চলি থকা ক্লাৱ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত হোৱা এখন লীগ খেলত উদয়ন ক্ৰিকেট ক্লাৱে জয়লাভ কৰে। নিৰ্ধাৰিত ৩০ অ'ভাৰৰ ২৭-৪ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই অকণবালা সোঁৱৰণী ক্ৰীড়া সংঘই ১১৫ ৰাণ কৰাৰ বিপৰীতে উদয়ন ক্ৰিকেট ক্লাৱে ২৪ অভাৰত ৮ উইকেটৰ বিনিময়ত লক্ষ্যত উপনীত হ'বলৈ সক্ষম হয়। খেলখনত শ্ৰেষ্ঠ খেলুৱৈ হিচাপে উদয়ন ক্ৰিকেট ক্লাৱৰ অনুৰাগ দেৱনাথে খিতাপ দখল কৰাৰ উপৰিও শ্ৰেষ্ঠ বেটছমেন হিচাপে একেটা ক্লাৱৰ ৰাতুল বৰা আৰু শ্ৰেষ্ঠ বলাৰ হিচাপে বাস্তৱ বৰাই সন্মান লাভ কৰে। অহা কালিলৈ আন এখন লীগ খেল জোনাকী সাংস্কৃতিক গোষ্ঠী আৰু বিটছ বাউঞ্চাৰ মাজত অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে, বড়মপুৰ ক্লাৱ লীগ খেলত মুঠ ১১ টাকৈ আগশাৰীৰ ক্লাৱে অংশগ্ৰহণ কৰিছে।

# বান্দৰদেৱাত মে-ডাম-মে-ফি উদযাপনৰ প্ৰস্তুতি

**অসম বাৰ্তা, বান্দৰদেৱা, ২৭ জানুৱাৰী ঃ** বিগত বৰ্ষৰ দৰে এইবাৰো ৩১ জানুৱাৰী তাৰিখে বান্দৰদেৱাৰ চুকাফা সমন্বয় ক্ষেত্ৰৰ উদ্যোগত আহোম জাতিৰ পুলিন পোথাও সকলক পুজিবৰ বাবে মেডাম মে ফি অনুষ্ঠান ভাগি উদযাপন কৰাৰ আয়োজন কৰা হৈছে। সেই উদ্দেশ্য অঞ্চলটোৰ বিভিন্ন জাতি জনগোষ্ঠীৰ ব্যক্তি সকলক একত্ৰিত কৰি অনুষ্ঠিত কৰা এখন সভাত চাও যোগানন্দ বৰুৱাক সভাপতি চাও দিলীপ শইকীয়াক সম্পাদক হিচাপে লৈ এখন উদযাপন সমিতি গঠন কৰা হয়। সেয়েহে ৩১ জানুৱাৰীত উদযাপন কৰিবলৈ লোৱা উক্ত অনুষ্ঠান ভাগিত সকলোৰে দিহা পৰামৰ্শৰ লগতে সহায় সহযোগিতা আৰু উপস্থিতি আন্তৰিকতাৰে কামনা কৰিছে উদযাপন সমিতিৰ সভাপতি সম্পাদকে।

## গণৰাজ্য দিৱসৰ দিনটোত খাদ্যৰ টোপোলা লৈ মৈৰাবাৰীত থকা বৃদ্ধাশ্ৰমত উপস্থিত লাহৰীঘাট সমজিলাৰ আয়ুক্ত শিল্পীকা কলিতা

# এগৰাকী সমজিলা আয়ুক্তৰ মহানুভৱতা; গণৰাজ্য দিৱসৰ দিনা বৃদ্ধাশ্ৰমত কটালে অন্তৰংগ মুহূৰ্ত

**অসম বাৰ্তা, মৈৰাবাৰী, ২৭ জানুৱাৰী ঃ** যি সময়ত জীৱনৰ আটাইতকৈ শেষৰ স্তৰ বৃদ্ধাৱস্থাত নিজ পিতৃ মাতৃয়েই যেন বহুতৰ বাবে হৈ পৰে এক ক'ব নোৱাৰা বোজা স্বৰূপ। বৃদ্ধাশ্ৰমৰ স্মৃতি ৰোমন্থন কৰিছে এগৰাকী সফল তথা সুদক্ষ প্ৰশাসনিক বিষয়া শিল্পীকা কলিতাই। বহু ব্যস্ততাৰ মাজতো সময় উলিয়াই লাহৰীঘাট সমজিলাৰ আয়ুক্ত শিল্পীকা কলিতাই মৈৰাবাৰী স্থিত বয়োজ্যেষ্ঠ আশ্ৰমৰ আৱাসী সকলৰ লগত মত বিনিময় কৰাৰ লগতে বহু অসুবিধাৰ মাজতো আশ্ৰম খনৰ সুন্দৰ পৰিচৰ্য্যা দেখি সমাজ সেৱক আজহাৰ উদ্দিন আহমেদৰ লগতে উক্ত বৃদ্ধাশ্ৰম কৰ্তৃপক্ষৰ শলাগ লয়। ইয়াৰ মাজতে তেখেতে আৱাসী সকলৰ মাজত আৰু মৈৰাবাৰী সমূহীয়া স্বাস্থ্য কেন্দ্ৰত ৰোগী সকলক বিভিন্ন ধৰণৰ ফলমূল আদিও বিতৰণ কৰে। বৃদ্ধা অৱস্থা যেন শিশু অৱস্থাৰ পুনৰাবৃত্তি। বৃদ্ধ লোকৰ চকুযোৰ চালেই অনুমান কৰিব পাৰি, জীৱনৰ বিয়লি বেলাত স্মৃতিৰ পাত লুটিয়াই এৰি অহা দিনৰ স্মৃতি বোৰে বৃদ্ধ লোক এজনক কিমান কাতৰ কৰি তোলে! বেছি সংখ্যকেই হয়তো নিজৰ পৰিয়ালৰ পৰা অৱহেলিত হৈ বৃদ্ধাশ্ৰমত আশ্ৰয় ল'বলগীয়া হৈছে। সদায় বহু আশাৰে পৰিয়ালৰ কাৰোবাৰ মুখখন চাবলৈ বাট চাই থকা দৃশ্য অতি কষ্টকৰ। বৃদ্ধাশ্ৰমত আহিলে আপুনিও মন কৰিব, শুকান, কৰুণ আৰু কোচ খোৱা ছালৰ মুখনত কিমান গভীৰ আশা লৈ বৃদ্ধাশ্ৰমৰ বেঞ্চত বহি আলিবাটলৈ চকু আবদ্ধ কৰি ৰখা কৰুণ, হতাশাভৰা আৰু নিসংগতাৰ একোখন নিটোল তথা দৈনন্দিন চিত্ৰ। সমজিলা আয়ুক্ত শিল্পীকা কলিতাই সংবাদ মাধ্যমৰ জৰিয়তে পৰিয়ালৰ লগতে সকলোকে আহ্বান জনায়, আমাৰ প্ৰত্যেকৰে জীৱনত বয়োজ্যেষ্ঠ লোকৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। তেখেত সকলৰ মনত কোনেও কষ্ট নিদিব। লাহৰীঘাট সমজিলা আয়ুক্ত শিল্পীকা কলিতাই কয়, "আজি ৭৭ সংখ্যক গণৰাজ্য দিৱস উপলক্ষে এই বৃদ্ধাশ্ৰমত মই উপস্থিত হৈছোঁ। আমাৰ অফিচৰ কিছু কৰ্মকৰ্তা আৰু কিছু পাব্লিকৰ সৈতে। ইয়ালৈ মই আগতেও আহিছিলোঁ এবাৰ শ্বহীদ দিৱস উপলক্ষে। সেইদিনাখন আহি মোৰ এনেকুৱা ভাব হৈছিল তেওঁলোকে হয়তো মোৰ কাৰণে ইমান দিনলৈকে ৰৈ আছিল। কাৰণ তেওঁলোকৰ চকুত যি অশ্ৰুবন্যা মই দেখা পাইছিলোঁ আৰু আজিও সেই আনন্দ আৰু অশ্ৰুবন্যা মই দেখিছোঁ।"

# যোৰহাট বিকল্প পথত দুৰ্ঘটনা, যুৱকৰ মৃত্যু

**অসম বাৰ্তা যোৰহাট, ২৭ জানুৱাৰী ঃ** যোৰহাট বিকল্প পথত যোৱা নিশা সংঘটিত এক পথ দুৰ্ঘটনাত ইয়াৰ নাওবৈছা পটিয়াগাঁৱৰ এজন ব্যক্তিৰ মৃত্যু হয়। জানিব পৰা মতে ত্ৰৈলোক্য শইকীয়া নামৰ লোকজনে ঘৰৰ পৰা চাইকেলেৰে নিজৰ টাটা মেজিক গাড়ীখনৰ বাবে বাইপাছত থকা তেল ডিপুৰ পৰা তেল আনিবলৈ গৈছিল। পথৰ কাষেদি গৈ থকা অৱস্থাত এখন বাহনে যুৱকজনক মহতিয়াই নিয়ে। যোৰহাট বিকল্প পথৰ ৰান্ধনি ধাবাৰ ওচৰত সংঘটিত দুৰ্ঘটনাত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত যুৱকজন কিছু সময় পথৰ ওপৰতে পৰি ৰয়। পাছত পথচাৰীয়ে ঘৰলৈ খবৰ দিয়ে। আঘাতপ্ৰাপ্ত ব্যক্তিজনেও নিজৰ দুৰ্ঘটনাৰ খবৰ জনাই ভায়েকলৈ ফোন কৰিছিল। পাছত ঘৰৰ মানুহে তেওঁক যোৰহাট মেডিকেল কলেজ হাস্পিতালত ভৰ্তি কৰাই যদিও পাছত তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৪৩ বছৰ। তেওঁ মাতৃ, পত্নী, এজন চৈধ্য বছৰীয়া আৰু এজন সাত বছৰীয়া পুত্ৰৰ উপৰি আত্মীয়ক এৰি থৈ গৈছে। অমায়িক যুৱকজনৰ মৃত্যুত অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰে।

# “জেৰা”ত গণৰাজ্য দিৱসৰ পতাকা উত্তোলন

**অসম বাৰ্তা, সোণতলী, ২৭ জানুৱাৰী ঃ** কামৰূপ জিলাৰ ছমৰীয়াৰ ছমৰীয়া শিক্ষাখণ্ডৰ অধীনস্থ ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠান জবাল-ই-ৰহমান একাডেমীত কালি গণৰাজ্য দিৱসৰ পতাকা উত্তোলন কৰে। এই অনুষ্ঠানত গণ ৰাজ্য দিৱসৰ পতাকা উত্তোলন কৰে একাডেমীৰ পৰিচালন সঞ্চালক ফাইজুৰ ৰহমানে। উক্ত অনুষ্ঠানত মিৰ্জা শাখাৰ বীমা উপদেষ্টা জহিৰুল হক, ডেকাচাং আঞ্চলিক হাই স্কুলৰ সহঃকাৰী শিক্ষয়িত্ৰী মনোৱাৰা খাতুন, সমাজকৰ্মী আব্দুল কৰিম, একাডেমীখনৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰী সকল উপস্থিত থাকে। উল্লেখ্য, একাডেমীখনৰ লগতে অঞ্চলখনৰ বিদ্যালয়-মহাবিদ্যালয়কে ধৰি আন চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠানতো উলহ-মালহেৰে ৰূপায়ণ কৰে এই গণৰাজ্য দিৱসৰ কাৰ্যসূচী।

# আউনীআটী বিশ্ববিদ্যালয়তো দেশৰ ৭৭ সংখ্যক গণৰাজ্য দিৱস উদযাপন

**উজনী মাজুলী, ২৭ জানুৱাৰী ঃ** সমগ্ৰ দেশৰ লগতে আউনীআটী বিশ্ববিদ্যালয়েও দেশৰ ৭৭ সংখ্যক গণৰাজ্য দিৱস উদযাপন কৰে। এই উপলক্ষে কালি টীয়ক কলিয়াপানী স্থিত বিশ্ববিদ্যালয়ৰ মূল চৌহদত বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° মাধুৰ্যমণ্ডিত বৰুৱাই বিশ্ববিদ্যালয়ৰ পৰীক্ষা নিয়ন্ত্ৰক, অধ্যাপক-অধ্যাপিকা, বিষয়া-কৰ্মচাৰী তথা ছাত্ৰ-ছাত্ৰীৰ সকলৰ উপস্থিতিত গণৰাজ্য দিৱসৰ ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰে। পতাকা উন্মোচনৰ পিছত দিয়া ভাষণত পঞ্জীয়ক ড° বৰুৱাই গণৰাজ্য দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰি কয় যে এই ভূখণ্ডৰ প্ৰতিগৰাকী নাগৰিকে ভাৰতীয় সংবিধানে প্ৰদান কৰা স্বাধীনতা, অধিকাৰ আৰু কৰ্তব্যৰ আধাৰত মূৰ দাঙি ঠিয় হৈ নিজৰ স্বাভিমান অটুট ৰাখিব লাগিব। একে সময়তে ব্যক্তিগত স্বাৰ্থক অতিক্ৰম কৰি সমাজ আৰু দেশৰ সৰ্বসাধাৰণ লোককল্যাণৰ বাবে দায়িত্ববোধেৰে আগুৱাই যোৱাৰ সংকল্প গ্ৰহণ কৰাৰ সময়ো হৈছে এইদিনটো বুলি তেওঁ উল্লেখ কৰে। ইফালে আউনীআটী বিশ্ববিদ্যালয়ৰ শ্ৰীশ্ৰী দত্তদেৱ গোস্বামী সংহত চৌহদ, মাজুলী আৰু শ্ৰীশ্ৰী হেমচন্দ্ৰ দেৱ গোস্বামী সংহত চৌহদ, উত্তৰ গুৱাহাটীতো দেশৰ ৭৭ সংখ্যক গণৰাজ্য দিৱস উপলক্ষে ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰা হয়।

## ৰাজ্যৰ প্ৰান্তে-প্ৰান্তে এজাহাৰ দাখিল হিন্দু যুৱ-ছাত্ৰ পৰিষদৰ

# ৰাষ্ট্ৰীয় গীতক চৰম অপমানৰ অভিযোগ; বিধায়ক আমিনুল ইছলামক গ্ৰেপ্তাৰৰ দাবী হিন্দু যুৱ-ছাত্ৰ পৰিষদৰ

**অসম বাৰ্তা, লীলাবাৰী, ২৭ জানুৱাৰী ঃ** গণৰাজ্য দিৱসৰ প্ৰাকক্ষণত ৰাষ্ট্ৰীয় সংগীতক লৈ চূড়ান্ত অপমান কৰা বিধায়ক আমিনুল ইছলামক ৰাষ্ট্ৰদ্ৰোহৰ গোচৰত গ্ৰেপ্তাৰৰ দাবী জনাইছে হিন্দু যুৱ-ছাত্ৰ পৰিষদ, অসমে। আজি সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এটা প্ৰেছ বিবৃতিত সংগঠনটোৰ কেন্দ্ৰীয় ভাৰপ্ৰাপ্ত সভাপতি মাধৱ দাস আৰু সাধাৰণ সম্পাদক অংশুমান শৰ্মাই কয় যে, শেহতীয়াকৈ ২৬ জানুৱাৰীত গণৰাজ্য দিৱস উপলক্ষে শিক্ষানুষ্ঠানসমূহত 'বন্দে মাতৰম' ৰাষ্ট্ৰীয় সংগীতটোৰ পৰিৱেশন বাধ্যতামূলক কৰাক লৈ এ. আই. ইউ. ডি. এফ.ৰ বিধায়ক আমিনুল ইছলামে কেতবোৰ অপমানসূচক বক্তব্যৰে আপত্তি দৰ্শাই গীতটোৰ বাধ্যতামূলক পৰিৱেশনৰ বিৰুদ্ধাচৰণ কৰাটোক লৈ তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে সংগঠনটোৱে। বিধায়ক আমিনুল ইছলামে মুছলমান প্ৰধান বিদ্যালয়ত এই গীতৰ গ্ৰহণযোগ্যতা নাই বুলি কোৱাৰ লগতে এই গীতত হিন্দু দেৱ-দেৱীৰ বন্দনাহে থকা বুলি ৰাষ্ট্ৰগীতক ধৰ্মীয় দিশেৰে বিভাজিত কৰিবলৈ অযুক্তিকৰ মন্তব্য কৰিছে বুলি ক্ষোভ প্ৰকাশ কৰে নেতাদ্বয়ে। বিবৃতিটোত দাস আৰু শৰ্মাই কয় যে ইয়াৰ পূৰ্বেও অপাৰেচন সিন্দুৰৰ সময়ত দেশবিৰোধী মন্তব্য দি ৰাষ্ট্ৰদ্ৰোহৰ গোচৰত জেললৈ যোৱা এইজন বিধায়ক ইতিপূৰ্বে বিতৰ্কিত মন্তব্যৰে বহু গোচৰত অভিযুক্ত হৈ আহিছে। তৎসত্বেও গণৰাজ্য দিৱসৰ এই পৱিত্ৰ ক্ষণত ৰাষ্ট্ৰীয় গীতক লৈ কৰা এনে অসহনীয়-অপমানসূচক মন্তব্য সম্পূৰ্ণ দেশবিৰোধী। দাস আৰু শৰ্মাই লগতে কয় যে বিধানসভাৰ মজিয়াত সংবিধানৰ শপত লোৱা এইজন বিধায়কে কেৱল কোৰান শ্বৰীফৰ দোহাই দি মুছলমান সমাজক ধৰ্মীয় মেৰুকৰণেৰে বিভাজিত কৰি ৰাষ্ট্ৰ বিৰোধী কাৰ্য কৰিবলৈ সঘনে উৎসাহিত কৰি আহিছে। দেশৰ সংবিধান প্ৰদত্ত ৰাষ্ট্ৰীয় গীতক অৱমাননা কৰাটো দেশদ্ৰোহৰ চূড়ান্ত নিদৰ্শন আৰু এনে গৰ্হিত মন্তব্যৰে ৰাষ্ট্ৰদ্ৰোহত অভিযুক্ত বিধায়ক আমিনুলে ধৰ্মীয় সাম্প্ৰদায়িক বিষবাষ্প বিয়পাই ৰাজ্য তথা দেশৰ আইন শৃংখলাৰ পৰিৱেশ বিঘ্নিত কৰিবলৈ প্ৰচেষ্টা চলোৱা বুলি অভিযোগ উত্থাপন কৰিছে সংগঠনটোৱে। সেয়েহে বিবৃতিটোৰ শেষত দাস আৰু শৰ্মাই কয় যে এই দেশদ্ৰোহীজনৰ বিৰুদ্ধে পৰিষদৰ ফালৰ পৰা জিলাই জিলাই এজাহাৰ দিয়া হব আৰু চৰকাৰ প্ৰশাসনক অনতিপলমেই ৰাষ্ট্ৰদ্ৰোহৰ গোচৰত পুনৰ গ্ৰেপ্তাৰ কৰি কঠোৰতম শাস্তি বিহীবলৈ বিবৃতিটোত দাবী উত্থাপন কৰিছে। আজি সন্ধিয়া পৰিষদৰ লখিমপুৰ জিলা সমিতিয়ে উত্তৰ লখিমপুৰ সদৰ আৰক্ষী থানাত বিধায়কজনৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰা বুলি সংবাদ মাধ্যমক জানিবলৈ দিয়ে সংগঠনটোৰ জিলা নেতৃত্বই।

## সম্বৰ্ধনা জনোৱা হ'ব বিটিচিৰ কাৰ্যবাহী সদস্য কৰ্মেশ্বৰ ৰায়ক

# বিজয়গাঁৱত চিলাৰায় দিৱস পালন; অনুষ্ঠিত হ'ব থলুৱা খেল-ধেমালি প্ৰতিযোগিতা

**অসম বাৰ্তা, বাসুগাঁও, ২৭ জানুৱাৰী ঃ** ৫১৬ সংখ্যক বিশ্ব মহাবীৰ চিলাৰায় দিৱস অন্যান্য ঠাইৰ লগতে বিজয়গাঁৱতো পালন কৰা হ'ব। বিজয়গাঁও হৈছে চিৰাং জিলাৰ বাসুগাঁও চহৰৰ নিকটৱৰ্তী। অহা ১ ফেব্ৰুৱাৰীৰ সলনি অনুষ্ঠিত হ'ব ৪ ফেব্ৰুৱাৰীত। দিৱসটিৰ লগত সংগতি ৰাখি বিশ্ব মহাবীৰ চিলাৰায়ৰ প্ৰতিমূৰ্তিৰ সন্মুখত বন্তি প্ৰজ্বলন, মাল্যাৰ্পণ, বিভিন্ন আকৰ্ষণীয় থলুৱা খেল-ধেমালি প্ৰতিযোগিতা আদি অনুষ্ঠিত হ'ব। আবেলি মুকলি সভা আৰু বঁটা বিতৰণী অনুষ্ঠানত অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে মুকলি সভাত বি টি চিৰ মনোনীত ভূমি সংৰক্ষণ আৰু ৰেচম বিভাগৰ কাৰ্যবাহী সদস্য কৰ্মেশ্বৰ ৰায়ক সম্বৰ্ধনা জনোৱা হ'ব বুলি অনুষ্ঠানটিৰ মূল উদ্যোক্তা শম্ভু ৰাজবংশীয়ে জানিবলৈ দিয়ে। সন্ধিয়া সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে বিটিচি প্ৰশাসনৰ উদ্যোগত কোকৰাঝাৰৰ ডিমলগাঁৱত কেন্দ্ৰীয়ভাৱে চিলাৰায় দিৱস পালন কৰা হ'ব। দিৱসটিত বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰী মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। উদ্যোক্তা সমিতিয়ে দিৱসটি সাফল্যমণ্ডিত কৰাত ইতিমধ্যে দিনে-নিশাই কাম কৰি থকা পৰিলক্ষিত হৈছে।

# সত্ৰীয়া নৃত্যৰ শিল্পী সাধক জিতেন কাকতিক ৰাষ্ট্ৰীয় “সংগীত ভূষণ বটাঁ ২০২৬” প্ৰদান



**ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ২৭ জানুৱাৰী ঃ** উৰিশ্যাৰ কটকত ২১ জানুৱাৰীৰ পৰা ২৭ জানুৱাৰীলৈ ৰাষ্টীয় পৰ্যায়ত থিয়েটাৰ ম'ভমেণ্ট কটক উৰিশ্যাত অনুষ্ঠিত হৈ থকা "28th GLOBAL THEATRE FESTIVAL 2026" কেন্দ্ৰীয় সংগীত শিক্ষানুষ্ঠান গোলাঘাট অসমৰ অধ্যক্ষ সংগীত বিশাৰদ সত্ৰীয়া নৃত্যৰ শিল্পী সাধক সাংস্কৃতিক কৰ্মী জিতেন কাকতিক ৰষ্ট্ৰীয় "সংগীত ভূষণ ২০২৬বটাঁ" ২৩ জানুৱাৰীত প্ৰদান কৰে। জিতেন কাকতিয়ে কেন্দ্ৰীয় সংগীত শিক্ষানুষ্ঠান গোলাঘাট অসমৰ হৈ এই ৰাষ্ট্ৰীয় অনুষ্ঠান সমূহৰ লগত ২০০৫ চনৰে পৰা জড়িত হৈ ৰাষ্ট্ৰীয় পৰ্য্যায়ত সাংস্কৃতিক প্ৰতিনিধি আৰু দলপতি হিচাপে অসমৰ লোক আৰু শাস্ত্ৰীয় সংগীতক প্ৰতিনিধিত্ব কৰি আহিছে। ইতিমধ্যে সত্ৰীয়া নৃত্যৰ শিল্পী সাধক কেন্দ্ৰীয় সংগীত বিদ্যালয়ৰ অধ্যক্ষ জিতেন কাকতিয়ে ৰাষ্ট্ৰীয় বঁটা - নৃত্য ৰত্ন; নৃত্যশ্ৰী; বৃজ কাদম্বৰী; বৃজ ৰত্নাকৰ; ড° বি আৰ আম্বেদকাৰ ফেলশ্বিপ এৱাৰ্ড আৰু শেহতীয়াকৈ "সংগীত ভূষণ বঁটা ২০২৬ৰাষ্ট্ৰীয় বঁটা" গ্ৰহণ কৰে।

## ৮ গৰাকী বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা

# হাজো ৰাজহ চক্ৰৰ উদ্যোগত ৭৭ সংখ্যক গণৰাজ্য দিৱস উদযাপন

**অসম বাৰ্তা, হাজো, ২৭ জানুৱাৰী ঃ** সমগ্ৰ দেশৰ লগতে হাজো ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয় তথা স্থানীয় প্ৰশাসনৰ উদ্যোগত কালি উলহ-মালহেৰে উদযাপন কৰা হয় ৭৭ সংখ্যক গণতন্ত্ৰ দিৱস। তদুপলক্ষে স্থানীয় হাজো উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত (নৱনিৰ্মিত হাজো ষ্টেডিয়াম) ৰাতিপুৱা ৮.৩০ বজাত শ্বহীদ তৰ্পণ কৰে হাজো উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শৈক্ষিক তত্ত্বাৱধায়ক প্ৰদীপ চন্দ্ৰ ডেকাই। ৯ বজাত ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰি হাজো ৰাজহ চক্ৰ বিষয়া নিতুল খাটনিয়াৰে নিজৰ ভাষণত দেশৰ গণতন্ত্ৰ দিৱসৰ



ইতিহাস সোঁৱৰাৰ লগতে বিভিন্ন চৰকাৰী আঁচনিৰ সফল ৰূপায়ণ বিষয়েও মন্তব্য কৰে। আনহাতে হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত অঞ্চলত সমূহক লৈ ৰাজহ চক্ৰ বিষয়া খাটনিয়াৰে কয় হাজো এক ইতিহাস প্ৰসিদ্ধ ঠাই। স্বাধীনতা আন্দোলনৰ পৰা, শিক্ষা-সাহিত্য, সংস্কৃতি, শিল্প উদ্যোগ, ক্ৰীড়া, কৃষি, ধৰ্মীয় সহিষ্ণুতা, ৰীতি-নীতি পৰম্পৰা, সমন্বয় -সম্প্ৰীতি আদি সকলো ক্ষেত্ৰৰ মহত্ত্বক লৈ গঠিত হাজোৰ ইতিহাসে অসমী আইক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰাত অনবদ্য বৰঙনি যোগাই আহিছে। গণৰাজ্য দিৱসৰ কাৰ্যসূচীৰ লগত সংগতি ৰাখি ভিন্ন ক্ষেত্ৰৰ আঠগৰাকী ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়। অৱসৰী কৃতি শিক্ষক সুৰেন্দ্ৰ নাথ মেধি, আদৰ্শ খেতিয়ক ৰমেশ চন্দ্ৰ দাস আৰু বাবুল চন্দ্ৰ ডেকা, সমাজকৰ্মী অতুল চন্দ্ৰ কাকতি, সঙ্গীত শিল্পী ভাস্কৰ বৰুৱা, ভ্ৰাম্যমাণ থিয়েটাৰৰ পোহৰ শিল্পী বিনোদ বৈশ্য, ক্ৰীড়া সংগঠক ডিম্বেশ্বৰ দাস, ৰাষ্ট্ৰীয় ফুটবল ৰেফাৰী দ্বীজেন্দ্ৰ মোহন শৰ্মাক সম্বৰ্ধনা জ্ঞাপন কৰে। অনুষ্ঠানত বিভিন্ন সাংস্কৃতিক কাৰ্যসূচীৰ লগতে দেশপ্ৰেমমূলক গীত পৰিৱেশন আৰু নৃত্য প্ৰদৰ্শন কৰে স্থানীয় শিল্পী সকলে।

# গোসাঁইগাঁৱত জগৎ গুৰু শ্ৰীমন্ত শংকৰদেৱ শাখা সত্ৰৰ মহাৰজত জয়ন্তী

**অসম বাৰ্তা, গোসাঁইগাঁও, ২৭ জানুৱাৰী ঃ** অসমৰ একেবাৰে পশ্চিম প্ৰান্তত অৱস্থিত জগৎ গুৰু "শ্ৰীমন্ত শংকৰদেৱ শাখা সত্ৰ "গোসাঁইগাঁও। ১৯৫১ চনত স্থাপন হোৱা সত্ৰখন আজি ৭৫ বছৰ পূৰ্ণ হল। ঐতিহ্যমণ্ডিত সত্ৰখন দীৰ্ঘ ৭৫টা বছৰ অতিবাহিত কৰাৰ বাবে আয়োজক সমিতিয়ে আজিৰে পৰা দুদিনীয়াকৈ মহাৰজত জয়ন্তী পালন কৰিবলৈ ওলাইছে। মহাৰজত জয়ন্তী উপলক্ষে আজি প্ৰভাত ফেৰী, গীত অনুষ্ঠিত হোৱাৰ উপৰিও একেলগে ৭৫খন পতাকা উত্তোলন কৰে আয়োজক সমিতিয়ে। ইয়াৰ পূৰ্বে গোসাঁইগাঁও শাখা সত্ৰৰ লগত জড়িত প্ৰয়াত শতাধিক ব্যক্তিক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ইয়াৰ পিছত ন-পুৰণি বাপ-বান্দব সকলৰ এখন সন্মিলন অনুষ্ঠিত হয়। কাইলৈ অনুষ্ঠিত হ'ব শোভাযাত্ৰা। দুই দিনিয়া মহা ৰজত জয়ন্তী কাৰ্য সুচীত প্ৰত্যেকজন পুৰুষ মহিলাক উপস্থিত থাকিবলৈ অভ্যৰ্থনা সমিতিৰ সভাপতি পদ্মধৰ দাস আৰু সম্পাদক মাণিক চন্দ্ৰ ডেকাই অনুৰোধ জনাইছে।

# ৰূপহীহাটৰ ফাকলিত বিনামূলীয়া চকু চিকিৎসা শিবিৰ

**অসম বাৰ্তা, ৰূপহীহাট, ২৮ জানুৱাৰী ঃ** ৰূপহীহাটৰ ফাকলিত আজি লিফ্‌ট লাইফ ফাউণ্ডেচনৰ উদ্যোগত বিনামূলীয়া চকু চিকিৎসা শিবিৰৰ আয়োজন কৰে। উক্ত চকু চিকিৎসা শিৱিৰটো আনুষ্ঠানিকভাবে ফিতা কাটি মুকলি কৰে বিজেপি নেতা তথা যুৱ সমাজসেবক আবুল হুছেইনে। সৰুৰে পৰা সমাজ সেৱাৰ সপোন দেখা আবুল হুছেইনে ৰূপহীহাট সমষ্টিৰ বিভিন্ন প্ৰান্তত চকু চিকিৎসা শিবিৰ পাতি ৰাইজৰ সেৱা আগবঢ়াই আহিছে। যি সময়ত দুখীয়া মানুহে চকু চিকিৎসাৰ বাবে গুৱাহাটী আৰু নেপাল লৈ গৈ হাবাথুৰি খাব লগা হৈছিল সেই সময়তে যুৱ সমাজসেবক জনে পঞ্চায়তে পঞ্চায়তে পাতিছে বিনামূলীয়া চকু চিকিৎসা শিৱিৰ। ৰূপহীহাট সমষ্টিৰ শ-শ লোকে বিনামূলীয়া চকু চিকিৎসাৰ দ্বাৰা উপকৃত হৈছে। যুৱ সমাজসেবক আবুল হুছেইনৰ এনে প্ৰচেষ্টাক সকলোৱে একে মুখে শ'লাগ লৈছে।

# অসম ভাওনা সমাৰোহৰ "ভাওনাৰ সূয"'ৰ খিতাপ চন্দ্ৰ মনি গগৈলৈ

## লোকে লোকাৰণ্য সমাৰোহৰথলী

**অসম বাৰ্তা, মাজুলী, ২৭ জানুৱাৰী ঃ** অসম ভাওনা সমাৰোহৰ দশম দিনা দিনৰ ভাগত "ভাওনা সূৰ্য" একক অভিনয় প্ৰতিযোগিতা আৰু মংগলদৈৰ "ৰাৱণ বধ" খুলীয়া ভাওনাই দৰ্শকক মোহাবিষ্ট কৰিবলৈ সক্ষম হয়। অভ্যৰ্থনা সমিতিৰ সম্পাদক তুলশী ৰাজখুৱাই আঁতধৰা "ভাওনা সূৰ্য" প্ৰতিযোগিতা উদ্বোধন কৰি ড° পীতাম্বৰ দেৱগোস্বামীয়ে কয় - ভাওনা চন্দ্ৰ আৰু সূৰ্যৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ মূল উদ্দেশ্য ভাওনাৰ লগত জড়িত সকলোৰে আধ্যাত্মিক, নৈতিক চৰিত্ৰ গঠনত কৃতকাৰ্যতা লাভ কৰি সমাজৰ বিভিন্ন স্তৰতলৈ ইয়াৰ প্ৰবাহ বোৱাই নিব পাৰিলেই গুৰুজনাৰ আদৰ্শ তথা বিশ্বজনীন প্ৰমূল্যৰ প্ৰতিফলন ঘটিব। নাট্য শাস্ত্ৰীয় উপজীব্য কেনে দৰে ভাওনাৰ মাধ্যমৰে প্ৰতিফলন ঘটিব। অঞ্চলৰ বিশিষ্ট শিল্পী, শিক্ষাবিদ তথা শিল্পী পেঞ্চনাৰ, নীৰৱ সাহিত্য সেৱী ধীৰেন্দ্ৰনাথ বৰাৰ সঞ্চালনাত অনুষ্ঠিত আজি অনুষ্ঠিত হোৱা "ভাওনা সূৰ্য প্ৰতিযোগিতা" ভাওনা সূৰ্য খিতাপ দখল কৰে শিৱসাগৰৰ বিশিষ্ট ভাওনাৰ শিল্পী, নাট্য কৰাৰ, পৰিচালক চন্দ্ৰ মনি গগৈয়ে। দ্বিতীয় স্থান লাভ কৰে- দিগন্ত শইকীয়াই আৰু তৃতীয় স্থান লাভ কৰে- ৰিতু মনি শইকীয়াই। অনুষ্ঠানটোৰ পৰিচালনা কৰে ৯ গৰাকী বিচাৰকে। অসমৰ বিভিন্ন প্ৰান্তৰত পৰম্পৰাগত নীতি অনুসৰি চলি থকা ভাওনাৰ ৰসস্বাদন কৰাৰ অৰ্থে সমাৰোহৰ থলিত আজি বিয়লি পৰিবেশন কৰা হয় মংগলদৈৰ দক্ষিণ চুবুৰী ভাস্কৰ খুলীয়া ভাওৰীয়া দলৰ "ৰাৱন বধ" ভাওনা। আজি শেষৰ দিনা প্ৰথমখন ভাওনা তিতাবৰ সপ্তৰথী শিল্পী সমাজৰ"কৈকেশী নন্দনৰ লংকা লাভ, বেদৱতী অভিশাপ" দ্বিতীয়খন ভাওনা - ৰংদৈ কলাচুক গুৰু শংকৰ নাট্য গোষ্ঠীৰ"শ্ৰীৰামৰ তাৰকা নিধন" ভাওনাৰে প্ৰতিযোগিতাৰ সামৰণি ঘটে। কালিলৈ দিনৰ ১১ বজাৰ পৰা সমাৰোহৰ সমাবৰ্তন অনুষ্ঠান আৰু বঁটা বিতৰণি সভা অনুষ্ঠিত হ'ব। বিয়লি ৩ বজাত মাজুলীৰ জনজাতীয় লোকসকলৰ লগত "সমন্বয় সেতু" এক কাৰ্যসূচী ৰূপায়ণ হোৱাৰ উপৰিও সন্ধিয়া মাজুলীৰ বোকা বিল মিচিং শিল্পী সকলে পৰিৱেশন কৰিব "সীতা হৰণ বালি বধ" ভাওনা। এই ভাওনাৰে এইবছৰ অসম ভাওনা সমাৰোহৰ ইতি পৰিব।

সত্ৰীয়া শিল্পী প্ৰদীপ কুমাৰ বৰা বৰবায়নক 'কাঁচিয়লি বঁটা' প্ৰদান

# 'কাঁচিয়লি'ৰ শিশুনাট সমাৰোহৰ সামৰণি; বাঁহেৰে নিৰ্মিত মঞ্চত মঞ্চস্থ হ'ল পাঁচখনকৈ শিশুনাট



**অসম বাৰ্তা, বেবেজীয়া, ২৭ জানুৱাৰী ঃ** নগাঁও জিলাৰ কাছমাৰীৰ বৰাগাঁৱত ২৬ জানুৱাৰীৰ পুৱাৰ পৰা অনুষ্ঠিত হোৱা 'কাঁচিয়লি' শিশুনাট সমাৰোহৰ বিয়লি সফল সামৰণি পৰে। সামাজিক-সাংস্কৃতিক অনুষ্ঠান 'কাঁচিয়লি'ৰ উদ্যোগত তৃতীয়টো বৰ্ষৰ বাবে পথাৰৰ নৰাৰ মাজত বাঁহেৰে নিৰ্মিত মঞ্চত মঞ্চস্থ হয় পাঁচখনকৈ শিশুনাট। পুৱা ১০.৩০ বজাত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলনৰে আৰম্ভ হয় নাট সমাৰোহৰ কাৰ্যসূচী। বন্তি প্ৰজ্বলন কৰে বৰক'লাৰ নাট্যশিল্পী দিলীপ লস্কৰে। পুষ্পাৰ্ঘ অৰ্পন কৰে পৰিচিত নাট্যকাৰ-পৰিচালক দীপক বৰাই। ইয়াৰ পিছতে একাংশ শিশোৱে পৰিৱেশন কৰে সাংবাদিক জ্যোতিপ্ৰসাদ বৰাই ৰচনা কৰা আৰু শিক্ষক ভৱজিৎ কুমাৰ শইকীয়াই সুৰ সংযোগ কৰা 'কাঁচিয়লি'ৰ শীৰ্ষ গীত 'সেউজীয়া উশাহৰে এক ঠিকনা'। বিশিষ্ট নৃত্য পৰিচালক গৌৰৱ কুমাৰ হাজৰিকাই চমু বক্তব্যৰে মুকলি কৰে 'কাঁচিয়লি' ক্ষেত্ৰৰ নাট্যকৰ্মী 'গণেশ হাজৰিকা সোঁৱৰণি মঞ্চ'ৰ। এই প্ৰাকৃতিক পৰিৱেশ অনুকূল মঞ্চতে বৰজহাৰ কমলাবাৰী সত্ৰৰ বিশিষ্ট সত্ৰীয়া শিল্পী প্ৰদীপ কুমাৰ বৰা বৰবায়নক ২০২৬ বৰ্ষৰ 'কাঁচিয়লি বঁটা' প্ৰদান কৰা হয়। বৰক'লাৰ প্ৰয়াত সমাজকৰ্মী গুণাৰাম লস্কৰৰ সোঁৱৰণত এই বঁটা শিল্পী গৰাকীক প্ৰদান কৰে সুদক্ষ অভিনেতা মনোজ কুমাৰ বৰদলৈ আৰু বঁটাৰ দাতা দিলীপ শিৰোমণি লস্কৰে। 'কাঁচিয়লি বঁটা'ৰ অংশৰূপে শিল্পী গৰাকীক নগদ ধন, চেলেং, স্মাৰক, সম্বৰ্ধনা পত্ৰ, গছপুলি, 'কাঁচিয়লি'ৰ প্ৰতীক পট প্ৰদান কৰা হয়। সাংবাদিক, নাট সমালোচক জ্যোতিপ্ৰসাদ বৰাই আঁতধৰা এই বিশেষ নাট সমাৰোহত উপস্থিত থাকে মধ্য অসমৰ দুই শতাধিক নাট্য অনুৰাগী। এইবাৰ 'কাঁচিয়লি'ৰ মঞ্চত প্ৰদৰ্শিত হোৱা নাট কেইখন হৈছে কাঁচিয়লিৰ নিজা প্ৰযোজিত দীপু বৰাৰ ৰচনা আৰু পৰিচালনাৰে 'সন্ধিৰ বাঁহ বুদ্ধিৰে কাটোঁ আহ', খালৈগাঁৱৰ লাচিত বৰফুকন মধ্য আৰু উচ্চ ইংৰাজী বিদ্যালয়ৰ দ্বাৰা প্ৰযোজিত শিক্ষয়িত্ৰী নিৰ্মালি শইকীয়াৰ ৰচনা আৰু পৰিচালনাৰ নাট 'শেষ নোহোৱা সাধু', মৰিগাঁৱৰ মুখা সাংস্কৃতিক কেন্দ্ৰৰ প্ৰযোজনাত মুকুন্দ নাথৰ ৰচনা আৰু পৰিচালনাত 'সপোন', পুৰণিগুদামৰ নৱসৃষ্টি নাট্যগোষ্ঠীৰ প্ৰযোজনাত সীমান্ত কলিতাৰ ৰচনা আৰু পৰিচালনাত 'বিলাতলৈ যাব বুবু আৰু দিপালী' আৰু অসম নাট্য সন্মিলনৰ কাঁচিয়লি শাখাৰ প্ৰযোজনাত ভৱজিৎ কুমাৰ শইকীয়াৰ ৰচনা আৰু পৰিচালনাৰে 'মং ডুন চুন খাম'। কাঁচিয়লিৰ তৃতীয় বৰ্ষৰ শিশুনাট সমাৰোহত উপস্থিত থকা দৰ্শকসকলক বাঁহৰ চুঙাত পানী পিবলৈ দিয়া, লাৰু-পিঠাৰে চাহৰ যোগান ধৰা আৰু বগৰী খুন্দাৰ সোৱাদ ল'বলৈ দিয়া দৃশ্য আছিল অতি মনোৰম। অনুষ্ঠানটিৰ শেষত সকলোকে নিৰামিষ আহাৰ যোগান ধৰা হয়। এই নাট সমাৰোহৰ জৰিয়তে শতাধিক শিশুৰ অভিনয়ৰ প্ৰতিভা আৰু দক্ষতাই বিকাশ লাভ কৰে।

শিশু সমাৰোহৰ মুঠ জমা-খৰচৰ হিচাপ দাখিল

# মাজুলী জিলা মইনা পাৰিজাতৰ দ্বাদশ দ্বি-বাৰ্ষিক যুটীয়া সভা সম্পন্ন

**অসম বাৰ্তা, মাজুলী, ২৭ জানুৱাৰী ঃ** গড়মূৰ আঞ্চলিক মইনা পাৰিজাতৰ আতিথ্যত অনুষ্ঠিত অলপতে অনুষ্ঠিত হৈ যোৱা মাজুলী জিলা মইনা পাৰিজাতৰ দ্বাদশ দ্বী বাৰ্ষিক অধিবেশনৰ হিচাপ ৰাইজে জানিব পৰাকৈ কালি ৰাজহুৱা কৰে। সেই উপলক্ষে আজি গড়মূৰ সদৰ আঞ্চলিক মইনা পাৰিজাতৰ স্থায়ী সভাপতি ৰাজীৱ ভূএগ সভাপতিত্বত শ্ৰীশ্ৰী মাধৱদেৱ কৃষ্টি কেন্দ্ৰৰ প্ৰেক্ষাগৃহত বিয়লি ২ বজাত অনুষ্ঠিত হয় এখন যুটীয়া সভা। সভাত মাজুলী জিলা মইনা পাৰিজাতৰ দ্বাদশ দ্বি-বাৰ্ষিক শিশুসমাৰোহৰ পৰ্যালোচনা কৰাৰ লগতে শিশুসমাৰোহৰ মুঠ জমা-খৰচৰ খতিয়ান দাঙি ধৰে। সেই সন্দৰ্ভত গড়মূৰ সদৰ আঞ্চলিক মইনা পাৰিজাত আৰু আদৰণি সমিতিৰ সদস্য সকলে জিলা শিশুসমাৰোহৰ ওপৰত বৃস্তিত ভাৱে পৰ্যালোচনাৰ আগবঢ়াই শিশুমহীয়ান তৰুণ বৰা, ৰাজ্যিক সদস্য প্ৰবীন কুমাৰ ভূএগ, জিলা মইনা পাৰিজাতৰ উপ-সভাপতি বাবুল শৰ্মা, আঞ্চলিক শাখাৰ উপদেষ্টা মাণিক বৰুৱা, আঞ্চলিক শাখাৰ সভাপতি-সম্পাদক ক্ৰমে ৰাজীৱ ভূএগ, দেৱজিত বৰা, আদৰণি সমিতি সভাপতি-সম্পাদক ক্ৰমে ভূপেন দও, অনিল শইকীয়া আৰু ভৱানন্দ হাজৰিকাই। ইয়াৰ পিছত সভাত শিশু সমাৰোহৰ মুঠ জমা-খৰচৰ আতঁধৰি আঞ্চলিক মইনা পাৰিজাতৰ সম্পাদক দেৱজিত বৰাই কয় শিশুসমাৰোহৰ মুঠ জমা ৫, ৪৯, ৮৩১ টকা আয় আৰু মুঠ ৪, ৯০, ৭২৯ টকা ব্যয় হয়। বৰ্তমান আমাৰ আদৰণি সমিতি সম্পাদকৰ হাতে মুঠ ৫৯, ১০২টকা জমা থকা বুলি উল্লেখ কৰে। সভাই দেৱজিত বৰাৰ হিচাপ সন্দৰ্ভত সন্তুষ্টি প্ৰকাশ কৰে আৰু এই ৰাহি ধনৰাশি বেংক আমানতত ৰখাৰ সৰ্বসন্মত সিদ্ধান্ত গ্ৰহণ কৰে। সভাৰ সৰ্বসন্মত সিদ্ধান্ত অনুসৰি আদৰণি সমিতিৰ সম্পাদক অনিল শইকীয়াৰ হাতত জমা থকা সমাৰোহৰ ৰাহি মুঠ ৫৯, ১০২টকা ৩০ জানুৱাৰী ভিতৰত গড়মূৰ সদৰ আঞ্চলিক মইনা পাৰিজাতৰ গড়মূৰ শাখা কানাড়া বেংকৰ চেভিংচ একাউণ্ট নং-১১০২৮৬৬৫৫৮৭৪ ত জমা দিবলৈ সভাই ক্ৰমে সিদ্ধান্ত গ্ৰহণ কৰি আদৰণি সমিতিৰ সম্পাদকক আহ্বান জনায়।

# তেল আৰু প্ৰাকৃতিক গেচ নিগমৰ অৱসৰপ্ৰাপ্ত কাৰ্যবাহী অভিযন্তা মুহিধৰ নেওগৰ পৰলোক

**অসম বাৰ্তা, জাঁজী, ২৭ জানুৱাৰী ঃ** শিৱসাগৰ জিলাৰ জাঁজী মৰাণছিগা গাঁও নিবাসী তেল আৰু প্ৰাকৃতিক গেচ নিগমৰ অৱসৰপ্ৰাপ্ত কাৰ্যবাহী অভিযন্তা মুহিধৰ নেওগ(৮৪) ৰ কালি সন্ধিয়া প্ৰায় ৭ বজাত নিজা বাসগৃহত বাৰ্ধক্যজনিত কাৰণত পৰলোকপ্ৰাপ্তি হয়। অৱসৰৰ পাছত বিভিন্ন সামাজিক কামত জড়িত হৈ পৰা নেওগ ফুলপানীছিগা ৰাসোৎসৱ আৰু কলাকৃষ্টি কেন্দ্ৰ পৰিচালনা সমিতিৰ উপদেষ্টা থকাৰ উপৰি তিনিটা বছৰৰ প্ৰাক্তন সভাপতি আছিল। জাঁজী বোৱাকটা সমবায় সমিতিৰ একালৰ সভাপতি প্ৰয়াত মুহিধৰ নেওগ এজন ক্ষুদ্ৰ চাহ খেতিয়কো আছিল আৰু ক্ষুদ্ৰ চাহ খেতিয়ক সংস্থাৰ স্থানীয় বিষয়ববীয়া আছিল। আনহাতে এজন জাতীয়তাবাদী চিন্তাধাৰাৰ নেওগৰ মৃত্যুৰ খবৰ পোৱাৰ লগে লগে শুভাকাংক্ষীসকল আজি তেওঁৰ বাসগৃহত উপস্থিত হৈ নশ্বৰ দেহৰ ওপৰত পুষ্পাঞ্জলি অৰ্পনেৰে শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। পুষ্পধৰ নেওগে আঁত ধৰা আজি অনুষ্ঠিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত স্থানীয় বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানে শ্ৰদ্ধা জ্ঞাপন কৰে। ফুলপানীছিগা আঞ্চলিক ৰাসোৎসৱ আৰু কলাকৃষ্টি কেন্দ্ৰ, মৰাণছিগা গায়নবায়ন শিল্পী সমাজ, মৰাণছিগাৰ বিভিন্ন অনুষ্ঠান, জাঁজী শাখা সাহিত্য সভা, শাখা লেখিকা সংস্থা, কবি সন্মিলন, অলংকৃতা মহিলা সমাজ, কৃষক ন্যাস, জাঁজী প্ৰেছ ক্লাব, জামুগুৰি ফুটবল কচিং চেণ্টাৰ, জাঁজী নাট্য সমাজ কলা ভৱন, স্থানীয় শিক্ষানুষ্ঠানসমূহে গভীৰ শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত তেওঁ পত্নী, এজন পুত্ৰ, তিনিগৰাকী বিবাহিতা জীয়েক, বোৱাৰী, নাতি নাতিনীসহ ইহ সংসাৰত এৰি গৈছে।

সমাজৰ উন্নয়নৰ বাবে কাম কৰা ব্যক্তিক সম্বৰ্ধনা

# গণৰাজ্য দিৱসৰ দিনা গ্ৰীণ লেণ্ড ছ'চাইটিৰ বিশেষ সম্বৰ্ধনা অনুষ্ঠান

**অসম বাৰ্তা, তেজপুৰ সদৰ, ২৭ জানুৱাৰী ঃ** আজি সমগ্ৰ দেশে ৭৭ সংখ্যক গণৰাজ্য দিৱস উদযাপন কৰি থকাৰ সময়ত তেজপুৰ চহৰৰ নিকটৱৰ্তী বাটামাৰী গাঁৱৰ যুৱ সমাজৰ দ্বাৰা গঠিত গ্ৰীণ লেণ্ড ছচাইটিৰ উদ্যোগত গাঁও প্ৰধান এছ কে আৱাল হুছেইনৰ সহযোগত অনুষ্ঠিত হয় এক বিশেষ সম্বৰ্ধনা অনুষ্ঠান। উল্লেখযোগ্য যে বাটামাৰী গাঁৱৰ যুৱকসকলে গাঁও প্ৰধান এছ কে আৱাল হুছেইনৰ নেতৃত্বত গাঁৱত চলি থকা বিভিন্ন অসামাজিক কাৰ্য্যকলাপ বন্ধ কৰাৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি আহিছে। ইতিমধ্যে বহুতো সামাজিক সমস্যা যুৱ সমাজৰ দ্বাৰা সমাধান হৈছে বুলি গাঁৱৰ ৰাইজে মত পোষণ কৰিছে। ভোমোৰাগুৰি গাঁও পঞ্চায়তৰ সভাপতি মজিবুৰ ৰহমানৰ সভাপতিত্বত অনুষ্ঠিত বিশেষ সম্বৰ্ধনা অনুষ্ঠানত ভোমোৰাগুৰি জিলা পৰিষদৰ সদস্য নুৰুল হক, গাঁও প্ৰধান এছ কে আৱাল হুছেইন, গোটলং গাঁৱৰ গাঁও প্ৰধান দীপক কুমাৰ মজুমদাৰ, যুৱ ব্যৱসায়ী হবিবুৰ ৰহমান, শিক্ষক ফজলুৰ ৰহমান, বিশিষ্ট সমাজসেৱক শ্বেইখ নাজিমুদ্দিন, প্ৰাক্তন জিলা পৰিষদৰ সদস্য শ্বেইখ মহম্মদ ছাদিক, যুৱ সাংবাদিক ছাইদুল ইছলাম উপস্থিত থাকি যুৱক সকলক সম্বৰ্ধনা জনাই যুৱ সকলক ধন্যবাদ জনায়। আজিৰ বিশেষ সম্বৰ্ধনা অনুষ্ঠানত বাটামাৰী গাঁৱৰ গাঁও প্ৰধান এছ কে আৱাল হুছেইন, জয়নাল আবেদিন, নুৰ জামাল, শ্বেইখ মইনুল, ছাইদুল হক, চান্দ মহম্মদ, ইনামুল হক, শিক্ষক বাহাৰুল ইছলাম, কুতুব আলী, মুস্তফা আহমেদ, ছাইদুল ইছলাম, ইদ্ৰীছ আলী, ৰুহুল আমিন, ৰফিক আলী, ফকৰ উদ্দিন খানক সামাজিক সমস্যা সমাধানৰ ক্ষেত্ৰত যোগোৱা অৱদানৰ বাবে বিশেষ ভাৱে সম্বৰ্ধনা জনোৱা হয় বুলি বাটামাৰী গাঁৱৰ গাঁও প্ৰধান এছ কে আৱাল হুছেইনে জানিবলৈ দিয়ে।

# শ্ৰীভূমিত এচ আৰ প্ৰক্ৰিয়াৰ অনিয়মৰ বিৰুদ্ধে জিলা যুৱ কংগ্ৰেছৰ তীব্ৰ প্ৰতিবাদ

**অসম বাৰ্তা, শ্ৰীভূমি, ২৭ জানুৱাৰী ঃ** আজি এচ আৰ (Special Revision) প্ৰক্ৰিয়াত সংঘটিত ব্যাপক অনিয়ম, ভুৱা অভিযোগৰ ভিত্তিত প্ৰকৃত ভাৰতীয় ভোটাৰৰ নাম কৰ্তনৰ চেষ্টা আৰু ভোটাধিকাৰ হৰণৰ ষড়যন্ত্ৰৰ বিৰুদ্ধে আজি শ্ৰীভূমি জিলা যুৱ কংগ্ৰেছৰ উদ্যোগত এক জোৰালো প্ৰতিবাদী কাৰ্যসূচী অনুষ্ঠিত হয়। এই কাৰ্যসূচিত যুৱ কংগ্ৰেছৰ নেতা-কৰ্মীসকলৰ লগতে বিভিন্ন শ্ৰেণীৰ সচেতন নাগৰিকেও অংশগ্ৰহণ কৰে। প্ৰতিবাদস্থলীত উপস্থিত নেতা-কৰ্মীসকলে অভিযোগ কৰে যে, এস আৰ প্ৰক্ৰিয়াৰ নামত একাংশ প্ৰশাসনিক বিষয়া আৰু দালালচক্ৰই ভুৱা অভিযোগ দাখিল কৰি বহু প্ৰকৃত ভাৰতীয় নাগৰিকৰ নাম ভোটাৰ তালিকাৰ পৰা কৰ্তনৰ চেষ্টা চলাইছে। ইয়াক কেৱল এটা প্ৰশাসনিক ত্ৰুটি নহয় বুলি উল্লেখ কৰি তেওঁলোকে কয় যে, ই এক গভীৰ ৰাজনৈতিক ষড়যন্ত্ৰ, যাৰ উদ্দেশ্য হৈছে নিৰ্দিষ্ট জনগোষ্ঠীৰ ভোটাধিকাৰ কেড়ে লৈ গণতান্ত্ৰিক অধিকাৰত আঘাত হনা। প্ৰতিবাদকাৰীসকলে প্লে'কাৰ্ড, বেনাৰ লৈ "ভোটাধিকাৰ আমাৰ মৌলিক অধিকাৰ", "ভুৱা অভিযোগ বন্ধ কৰক", "প্ৰকৃত ভাৰতীয় ভোটাৰক সুৰক্ষা দিয়ক" আদি শ্লোগানৰে পৰিৱেশ উত্তাল কৰি তোলে। সভাত ভাষণ প্ৰদান কৰি যুৱ কংগ্ৰেছৰ নেতাসকলে কয় যে, এই কাৰ্যসূচি কেৱল এটা ট্ৰেইলাৰহে। আগন্তুক দিনত যদি এই ধৰণৰ অনিয়ম অব্যাহত থাকে, তেন্তে কংগ্ৰেছ দলৰ আহ্বানত ইয়াতকৈও বৃহৎ আৰু তীব্ৰ গণ আন্দোলন গঢ়ি তোলা হ'ব। এজন যুৱ কংগ্ৰেছ নেতা আবেগিক কণ্ঠে কয়, "আমি কোনো পৰিস্থিতিতেই কোনো প্ৰকৃত ভাৰতীয় নাগৰিকৰ নাম ভোটাৰ তালিকাৰ পৰা কৰ্তন হ'বলৈ নিদিওঁ। ভোটাধিকাৰ হৈছে সংবিধানপ্ৰদত্ত অধিকাৰ। এই অধিকাৰ কেড়ে লোৱাৰ চেষ্টা মানে গণতন্ত্ৰকেই আঘাত কৰা।" তেওঁ লগতে স্পষ্ট কৰি দিয়ে যে, যুৱ কংগ্ৰেছ সদায় সাধাৰণ জনতাৰ সৈতে আছে আৰু থাকিব। কাৰ্যসূচীৰ অন্তত যুৱ কংগ্ৰেছৰ এটা প্ৰতিনিধি দলে কাৰিমগঞ্জৰ জিলা আয়ুক্তক এখন স্মাৰকলিপি প্ৰদান কৰে। স্মাৰকলিপিত এস আৰ প্ৰক্ৰিয়াত হোৱা সকলো অনিয়মৰ নিৰপেক্ষ তদন্ত, ভুৱা অভিযোগৰ ভিত্তিত নাম কৰ্তন প্ৰক্ৰিয়া তৎক্ষণাৎ বন্ধ কৰা আৰু প্ৰকৃত ভাৰতীয় নাগৰিকৰ ভোটাধিকাৰ সুৰক্ষিত কৰাৰ দাবী জনোৱা হয়। এই প্ৰতিবাদী কাৰ্যসূচিয়ে স্পষ্ট কৰি দিলে যে, ভোটাধিকাৰ হৰণৰ যিকোনো ষড়যন্ত্ৰৰ বিৰুদ্ধে কাৰিমগঞ্জৰ যুৱ সমাজ এতিয়া জাগ্ৰত, সংগঠিত আৰু আন্দোলনৰ পথত আগবাঢ়িবলৈ সম্পূৰ্ণ প্ৰস্তুত।

# মালিবাৰীত সাংস্কৃতিক সন্ধিয়াৰ মঞ্চ উদ্বোধন



**অসম বাৰ্তা, সোণতলী, ২৮ জানুৱাৰী ঃ** এইবাৰ মালিবাৰীত অধিবক্তা আজিজুৰ ৰহমানে এখন সাংস্কৃতিক সন্ধিয়াৰ মঞ্চ উদ্বোধন কৰে। উল্লেখ্য, কামৰূপ জিলাৰ ছমৰীয়াৰ ৩ নং মালিবাৰী পথাৰ চাৰিআলি চ'ক ব্যৱসায়ী সন্থাই মঙ্গলবাৰে সন্ধিয়াত ইয়াৰ চতুৰ্থ বাৰ্ষিক অধিৱেশন উপলক্ষে সাংস্কৃতিক সন্ধিয়াৰ আয়োজন কৰে। দুদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা অধিৱেশনৰ অন্তিম দিনা মুকলি-বঁটা বিতৰণী সভাত বিশিষ্ট অতিথিৰূপে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা তথা এক্সপ্ৰেছ মানৱ সেৱা সংস্থাৰ ৰাষ্ট্ৰীয় সভাপতি আজিজুৰ ৰহমানে অংশগ্ৰহণ কৰে। সেই মুকলি সভাৰ শেষত সাংস্কৃতিক সন্ধিয়াৰ অনুষ্ঠানৰ অনুষ্ঠিত কৰে। এই সাংস্কৃতিক সন্ধিয়াৰ অনুষ্ঠানটো গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা তথা এক্সপ্ৰেছ মানৱ সেৱা সংস্থাৰ ৰাষ্ট্ৰীয় সভাপতি আজিজুৰ ৰহমানে ৰঙা ফিটা কাটি আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। অনুষ্ঠানটো উদ্বোধন কৰি অধিবক্তা আজিজুৰ ৰহমানে ৰাইজক উদ্দেশ্যী গুৰুত্বপূৰ্ণ বক্তব্য আগবঢ়ায়। ইয়াৰ পিছত সাংস্কৃতিক সন্ধিয়া অনুষ্ঠানত স্থানীয় শিল্পীৰ লগতে কলকাতাৰ জনপ্ৰিয় কণ্ঠশিল্পী আদৰিজা কৰ্মকাৰৰ গীতৰ শৰাই আগবঢ়ায়।

## তিনিদিনীয়াকৈ বৰ্ণাঢ্য সাংস্কৃতিক কাৰ্যসূচীৰ আয়োজন

# পিপলিবাৰীত পঞ্চ ছহিদক সশ্ৰদ্ধ স্মৰণ সমূহ গাঁওবাসীৰ

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ২৮ জানুৱাৰী ঃ** নলবাৰী জিলাৰ বৰক্ষেত্ৰীৰ পিপলিবাৰী গাঁও পৰিচালনা সমিতিৰ উদ্যোগত আৰু গএগৱাইজৰ সহযোগত ১৬৯ তম বাৰ্ষিক সভা মহোৎসৱ বৰ্ণাঢ্য সাংস্কৃতিক কাৰ্যসূচীৰে আজিৰে পৰা তিনিদিনীয়াকৈ অনুষ্ঠিত হৈছে। পিপলিবাৰী গোসাঁইঘৰ প্ৰাঙ্গণত ১৪, ১৫ আৰু ১৬ মাঘ, ২৮, ২৯ আৰু ৩০ জানুৱাৰী বুধ, বৃহস্পতি আৰু শুক্ৰবাৰলৈ বৰ্ণাঢ্য কাৰ্যসূচীৰে পালন কৰাৰ মানস কৰিছে সমূহ গাওঁবাসীয়ে। ৰমেন্দ্ৰ নাৰায়ণ দাসক সভাপতি, দ্বীপেন ঠাকুৰীয়াক উপ-সভাপতি, মানব কুমাৰ দাসক সাধাৰণ সম্পাদক, নিৰ্মল তালুকদাৰক সহকাৰী সম্পাদক হিচাপে লৈ পিপলিবাৰী গাঁও পৰিচালনা সমিতিখন গঠন কৰা হৈছে। আনহাতে, সতীশ তালুকদাৰক সভাপতি, অশোক তালুকদাৰক উপ-সভাপতি, ধ্ৰুৱজিৎ ঠাকুৰীয়াক সাধাৰণ সম্পাদক, বিশ্বজিৎ ডেকা আৰু মহেশ বৰ্মনক সহঃ সম্পাদকদ্বয় হিচাপে লৈ সভা মহোৎসৱ উদযাপন সমিতি এখনো গঠন কৰা হৈছে। উদ্যোক্তাসকলে জনোৱা অনুসৰি আজি ১৪ মাঘ ২৮ জানুৱাৰীত প্ৰথম দিনৰ কাৰ্যসূচী অনুসৰি ৰাতিপুৱা ৬-০০ বজাত পৰিৱেশ নিকাকৰণ, ৬-৩০ বজাত প্ৰাতঃ প্ৰসংগ কৰে প্ৰাক্তন শিক্ষক তথা পাঠক সতীশ হালৈ আৰু সংগীবৃন্দই, ৮-৩০ বজাত সভাৰ পতাকা উত্তোলন কৰে সভা মহোৎসৱৰ উদযাপন সমিতিৰ সভাপতি সতীশ তালুকদাৰে, ৯-০০ বজাত ছহীদ তৰ্পন কৰে পঞ্চ ছহিদৰ পৰিয়ালবৰ্গই, ৯-৩০ বজাত পিপলিবাৰী ভকতনী সমাজৰ দ্বাৰা নাম প্ৰসংগ কৰা হয়, ১০-৩০ বজাত ১৬৯ গৰাকী গৰাকী বিশিষ্ট সমাজকৰ্মী, স্থানীয় আৰু নিকটৱৰ্তী গাঁৱৰ বয়োজ্যেষ্ঠ, অৱসৰপ্ৰাপ্ত ব্যক্তিৰ দ্বাৰা বন্তি প্ৰজ্বলন কৰা হয়। লগতে আঞ্চলিক আত্মসহায়ক গোটৰ সাংগঠনিক (চি.আৰ.পি) হিমানী তালুকদাৰৰ নেতৃত্বত ১৬৯ গৰাকী মহিলাৰ দ্বাৰা উক্ত ব্যক্তিসকলক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। আনহাতে, ১৫ মাঘ ২৯ জানুৱাৰী বৃহস্পতিবাৰে ৬.০০ বজাত পৰিৱেশ নিকাকৰণ, ৬-৩০ বজাত প্ৰাতঃ প্ৰসংগ, ৮-০০ বজাত পিপলিবাৰী ভকতনী সমাজৰ দ্বাৰা নাম প্ৰসংগ, ১০-০০ বজাত বন্তিপ্ৰজ্বলন কৰিব অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ মাতৃ মৃণালিনী দেৱীয়ে, ১১-০০ বজাত ৰাজহুৱা হোমযজ্ঞ আৰম্ভ, ১১-৩০ বজাত ৰাজহুৱা নাম প্ৰসংগ, ২-০০ বজাত হোমযজ্ঞ সমাপণ, প্ৰসাদ আৰু ভোগ বিতৰণ, ৩-০০ বজাত জনসেৱা কামৰূপীয়া ঢুলীয়া দল, খেলুৱাৰ দ্বাৰা ঢুলীয়া প্ৰদৰ্শন, নিশা ৮-০০ বজাত নাট মঞ্চ উদ্বোধন কৰিব জি.এম.ডি.এ. ৰ অধ্যক্ষ নাৰায়ণ ডেকাই, ৮-৩০ বজাত নটৰাজ এমেচাৰ গ্ৰুপ, বগলচ্ ৰোডৰ দ্বাৰা নাট্যাভিনয় চলিব। আনহাতে, ১৬ মাঘ ৩০ জানুৱাৰী শুক্ৰবাৰে পুৱা ৬-০০ বজাত পৰিৱেশ নিকাকৰণ, ৬-৩০ বজাত প্ৰাতঃ প্ৰসংগ ৯-০০ বজাত পিপলিবাৰী ভকতনী সমাজৰ দ্বাৰা নাম প্ৰসংগ, ২-০০ বজাত চিত্ৰাংকণ প্ৰতিযোগিতা পৰিচালনা কৰিব মনোজ হালৈ আৰু নয়নমণি শৰ্মাই, ৫-০০ বজাৰ পৰা ৭.৩০ বজালৈ মা মনসা পুতলা থিয়েটাৰ, গন্ধিয়াৰ দ্বাৰা পুতলা নাচ প্ৰদৰ্শন কৰিব। মঞ্চ উদ্বোধন কৰিব বৰভাগৰ অধিবক্তা নয়ন তালুকদাৰে। নিশা ৯-০০ বজাত ৰূপজ্যোতি নাট্য সমাজ, ৰূপদিগা, বজালীৰ দ্বাৰা নাট্যাভিনয় উদ্বোধন কৰিব বৰক্ষেত্ৰীৰ বিধায়ক দিগন্ত বৰ্মনে।

মহিলাৰ আত্মনিৰ্ভৰতাৰ দিশত এক গুৰুত্বপূৰ্ণ পদক্ষেপ

# সূতাৰকান্দিত বিশেষ ট্ৰেড ফেয়াৰ অনুষ্ঠিত

**অসম বাৰ্তা, শ্ৰী ভূমি, ২৮ জানুৱাৰী ঃ** শ্ৰী ভূমি জিলাত লেণ্ড পোৰ্টছ অথৰিটি অৱ ইণ্ডিয়াৰ অধীনস্থ লেণ্ড পোৰ্ট সূতাৰকান্দিৰ উদ্যোগত আজি পুৱা ১০ বজাৰ পৰা লেণ্ড পোৰ্ট সূতাৰকান্দি কাৰ্যালয় প্ৰাঙ্গণত এখন বিশেষ ট্ৰেড ফেয়াৰ (বাণিজ্য মেলা) সফলভাৱে অনুষ্ঠিত হয়। এই মেলাই অঞ্চলটোত এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি কৰে আৰু স্থানীয় মহিলা উদ্যোগপতিসকলৰ মাজত নতুন আশাৰ সঞ্চাৰ ঘটায়। এই বাণিজ্য মেলাৰ মূল উদ্দেশ্য আছিল মহিলাসকলৰ আৰ্থিক ক্ষমতা বৃদ্ধি কৰা আৰু স্থানীয়ভাৱে উৎপাদিত সামগ্ৰীসমূহক বহল বজাৰৰ সৈতে সংযোগ স্থাপন কৰা। মেলাখনত স্থানীয় মহিলা উদ্যোগপতিসকলৰ দ্বাৰা উৎপাদিত প্ৰাকৃতিক আৰু ৰাসায়নিকমুক্ত শাক-পাচলি, থলুৱা মাছ, হস্তনিৰ্মিত গৃহস্থালি সামগ্ৰী, ঐতিহ্যবাহী খাদ্যদ্ৰব্য লগতে দৈনন্দিন ব্যৱহাৰযোগ্য বিভিন্ন সামগ্ৰী সুলভ মূল্যত উপলব্ধ হয়। ৰাইজে উক্ত সামগ্ৰীসমূহত যথেষ্ট আগ্ৰহ প্ৰকাশ কৰে আৰু মেলাখন দিনজুৰি ব্যস্ততাৰে পৰিপূৰ্ণ হৈ থাকে। উক্ত অনুষ্ঠানত প্ৰধান অতিথি হিচাপে উপস্থিত থাকে জিলা অতিৰিক্ত আয়ুক্ত, সীমান্ত সুৰক্ষা বাহিনীৰ প্ৰধান, জিলা ন্যায়াধীশ, জিলা চক্ৰ বিষয়া লগতে লক্ষ্মীবজাৰ আৰু পুৰাহুৰীয়া সূতাৰকান্দি গ্ৰাম পঞ্চায়তৰ সভাপতি, ৱাৰ্ড সদস্যসকল। তদুপৰি অনুষ্ঠানত বিশিষ্ট সমাজসেৱী, স্থানীয় ব্যৱসায়ী আৰু অসংখ্য সাধাৰণ ৰাইজৰ উপস্থিতিয়ে মেলাখনক অধিক সজীৱ কৰি তোলে। অতিথিসকলে নিজৰ বক্তব্যত মহিলাসকলৰ আত্মনিৰ্ভৰতাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰি কয় যে এনে উদ্যোগে মহিলাসকলক কেৱল আৰ্থিকভাৱে সক্ষম কৰি তোলেই নহয়, তেওঁলোকৰ আত্মবিশ্বাসো বৃদ্ধি কৰে। লগতে স্থানীয় উৎপাদনক উৎসাহিত কৰাৰ জৰিয়তে গ্ৰাম্য অৰ্থনীতি শক্তিশালী কৰাৰ ক্ষেত্ৰতো এনে মেলাৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ বুলি মন্তব্য কৰে। অনুষ্ঠানৰ অন্তত লেণ্ড পোৰ্ট সূতাৰকান্দিৰ মেনেজাৰ শ্ৰীযুত গৌতম নাগ মহাশয়ে উপস্থিত সকলো অতিথি আৰু অংশগ্ৰহণকাৰীসকলক ধন্যবাদ জ্ঞাপন কৰে। সাংবাদিকসকলৰ আগত তেওঁ কয় যে এই ধৰণৰ আয়োজনসমূহে সমাজত এক ধনাত্মক বাৰ্তা প্ৰেৰণ কৰে আৰু মহিলাসকলক আগবাঢ়ি অহাৰ বাবে উৎসাহ যোগায়। উল্লেখযোগ্য যে এই ট্ৰেড ফেয়াৰ কেৱল কিনা-বেচাৰ এখন মেলা নহয়; ই হৈছে মহিলাসকলৰ আত্মবিশ্বাস, কঠোৰ পৰিশ্ৰম আৰু আত্মনিৰ্ভৰতাৰ এক জীৱন্ত প্ৰতিচ্ছবি, যিয়ে আগন্তুক দিনত সমাজ গঢ়াৰ দিশত এক নতুন পথ প্ৰদৰ্শন কৰিব।

## কংগ্ৰেছ দলে চাহ শ্ৰমিকক মাত্ৰ শোষণ কৰিছে ঃ অশোক সিংহল

# হুগ্ৰাজুলি চাহ বাগিছাত 'এটি কলি দুটি পাত' আঁচনিৰ অধীনত চেক প্ৰদান মন্ত্ৰী অশোক সিংহলৰ

**অসম বাৰ্তা, ঢেকীয়াজুলি, ২৮ জানুৱাৰী ঃ** শোণিতপুৰ জিলাৰ অন্তৰ্গত হুগ্ৰাজুলি চাহ বাগিছাত আজি অসম চৰকাৰৰ বিশেষ আঁচনি 'এটি কলি দুটি পাত'ৰ অধীনত চাহ শ্ৰমিক সকলৰ মাজত আনুষ্ঠানিকভাৱে চেক প্ৰদান অনুষ্ঠান অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানত উপস্থিত থাকি চাহ শ্ৰমিক সকলৰ মাজত চেক প্ৰদান কৰে ৬৫ নং ঢেকীয়াজুলি বিধানসভা সমষ্টিৰ বিধায়ক তথা অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী অশোক সিংহলে। মন্ত্ৰী অশোক সিংহলে চাহ শ্ৰমিকৰ মাজত 'এটি কলি দুটি পাত' আঁচনিৰ চেক প্ৰদান কৰি কয় আমাৰ বিজেপি চৰকাৰে চাহ বাগিছাৰ শ্ৰমিক সকলৰ সৰ্বাংগীণ উন্নয়ন বিছাৰে। সেয়েহে অসমৰ মাননিয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্বশৰ্মাই এই বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। লগতে আজিৰ অনুষ্ঠানত কংগ্ৰেছ দলক তীব্ৰ ভাষাৰে সমালোচনা কৰে মন্ত্ৰী অশোক সিংহলে। মন্ত্ৰী অশোক সিংহলে কয় কংগ্ৰেছ দলে ইমানদিনে চাহ শ্ৰমিকক ভোট বেংক হিছাপে ব্যৱহাৰ কৰি আহিছে। উল্লেখ্য যে, চাহ শ্ৰমিক সকলৰ আৰ্থিক সহায় আৰু সামাজিক সুৰক্ষা নিশ্চিত কৰাৰ লক্ষ্যৰে অসম চৰকাৰে প্ৰস্তুত কৰিছে 'এটি কলি দুটি পাত' নামৰ এই বিশেষ আঁচনি। এই আঁচনিৰ জৰিয়তে ৰাজ্যৰ চাহ বাগিছা সমূহৰ শ্ৰমিক সকলক বিভিন্ন ধৰণে উপকৃত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। আজিৰ উক্ত চেক প্ৰদান অনুষ্ঠানত মন্ত্ৰী অশোক সিংহলৰ লগতে উপস্থিত থাকে ভাৰতীয় জনতা পাৰ্টিৰ ৰাজ্যিক নেতা ধনু তপ্ন, হুগ্ৰাজুলি চাহ বাগিছাৰ পৰিচালক, ঢেকীয়াজুলি আঞ্চলিক পঞ্চায়তৰ সভাপতি হেমন্ত ডেকা, ভাৰতীয় জনতা পাৰ্টিৰ ঢেকীয়াজুলি মণ্ডলৰ সভাপতি কাজু দীপ, সম্পাদক তপন দাস, অমিয়পুৰ জিলা পৰিষদৰ সদস্যা কুসুম কুমাৰী ৰাজপুত, আঞ্চলিক পঞ্চায়তৰ সদস্য ৰামু প্ৰজা, ৰাক্ষসমাৰী গাঁও পঞ্চায়তৰ সভানেত্ৰী গৌৰী বৰ্ধন, উপ-সভানেত্ৰী ৰীয়া ধৰ, ভাৰতীয় জনতা পাৰ্টিৰ ৰাক্ষসমাৰী নিৰ্বাচনী পৰিচালনা সমিতিৰ সভাপতি অজিত চাহু, উপ-সভাপতি মাঘু প্ৰজা, বুথ সভাপতি প্ৰবীন গুড়িয়াৰ লগতে বহু সংখ্যক দলীয় কৰ্মী আৰু চাহ শ্ৰমিক উপস্থিত থাকে। উক্ত অনুষ্ঠানত চাহ শ্ৰমিক সকলে ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্বশৰ্মালৈ অভিনন্দন আৰু কৃতজ্ঞতা জ্ঞাপন কৰি গামোচা প্ৰেৰণ কৰে। চৰকাৰৰ এই পদক্ষেপে চাহ শ্ৰমিক সমাজৰ মাজত ব্যাপক উৎসাহ আৰু সন্তোষৰ সৃষ্টি কৰিছে।

## সম্পাদকীয়

# বিমান দুৰ্ঘটনা ঃ প্ৰাকৃতিক নে মানুহৰ অসাৱধানতা ?

**শে**হতীয়াকৈ মহাৰাষ্ট্ৰত সংঘটিত হোৱা বিমান দুৰ্ঘটনাই আকৌ এবাৰ গুৰুত্বপূৰ্ণ প্ৰশ্নৰ সন্মুখীন কৰাইছে- এই ভয়াৱহ ঘটনাৰ বাবে কিমানখিনি প্ৰকৃতি দায়ী, নে আমাৰ নিজৰ ত্ৰুটি বা অসাৱধানতা? মহাৰাষ্ট্ৰৰ উপ মুখ্যমন্ত্ৰী অজিত পাৱাৰৰ মৃত্যুৱে ৰাজনৈতিক মহল কঁপাই তুলাৰ দৰে সাধাৰণ নাগৰিকৰ মনতো নিৰাপত্তাহীনতাৰ শংকাই ঠাই পাইছে। বিমানযাত্ৰা আজিৰ যুগৰ এক অতি প্ৰয়োজনীয় সেৱা। কিন্তু যেতিয়াই আকাশত এনে দুৰ্ঘটনা সংঘটিত হয়, তেতিয়া আমাৰ সম্পূৰ্ণ প্ৰযুক্তি নিৰ্ভৰ ব্যৱস্থাটোৱেই প্ৰশ্নৰ সন্মুখীন হয়।

নিশ্চয়, বিমান চলাচল এক জটিল কাৰ্য্য, য'ত প্ৰকৃতিয়ে সদায় এক অনিশ্চিত আৰু শক্তিশালী ভূমিকা পালন কৰে। আকস্মিক বতৰৰ পৰিৱৰ্তন, হঠাৎ অহা ধুমুহা, অতিমাত্ৰা কুঁৱলীৰ দৰে প্ৰাকৃতিক দুৰ্যোগে পাইলটৰ দক্ষতাক পৰীক্ষা কৰে। কিন্তু এইবোৰক একমাত্ৰ কাৰণ বুলি গণ্য কৰিলে আমি আমাৰ দায়িত্ব আৰু বিশ্লেষণৰ পৰা মুখ আঁতৰোৱা হ'ব। কাৰণ, বেছিভাগ দুৰ্ঘটনাই কেৱল প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ নকৰে- সেয়া হৈছে প্ৰকৃতি আৰু মানৱীয় ত্ৰুটিৰ এক জটিল মিশ্ৰণ।

মানৱসৃষ্ট কাৰণবোৰ অধিক উদ্বেগজনক, কাৰণ এইবোৰ প্ৰতিৰোধযোগ্য। পাইলটৰ ভুল নিৰ্ণয়, অভিযন্তাৰ ডিজাইনৰ ত্ৰুটি, বিমানৰ কলেৱৰৰ অসঠিক বা সময়মতে নকৰা সংৰক্ষণ, এয়াৰ ট্ৰাফিক নিয়ন্ত্ৰণৰ বিভ্ৰাট, বা নিৰ্দেশিকা উলংঘা আদিয়ে মাজে-মাজে প্ৰকৃতিৰ পৰিস্থিতিকো মাৰাত্মক ৰূপ দিয়ে। ইতিহাসত বহু মূল্যবান জীৱনে, উচ্চপদস্থ ৰাজনীতিবিদৰ পৰা সাধাৰণ নাগৰিকলৈ, এই ধৰণৰ কাৰণতে প্ৰাণ হেৰুৱাবলগীয়া হৈছে।

সাম্প্ৰতিক বছৰবোৰত বিমান যাত্ৰীৰ সংখ্যা বিপুলভাৱে বাঢ়ি অহাৰ লগে-লগে নিৰাপত্তা আৰু সেৱাৰ মানৰ প্ৰতি ৰাইজৰ সজাগতা বেছি হৈছে। সাধাৰণ মানুহৰ মনত কেইবাটাও যুক্তিসংগত প্ৰশ্নই ঠাই পাইছে- আমাৰ বিমানবোৰ নিয়মীয়াকৈ আৰু কঠোৰভাৱে পৰীক্ষা কৰা হয় নে? পাইলট আৰু কৰ্মচাৰীসকলক সময়োপযোগী আৰু পৰ্যাপ্ত প্ৰশিক্ষণ দিয়া হয় নে? দুৰ্ঘটনাৰ পিছত হোৱা তদন্ত সম্পূৰ্ণ স্বচ্ছ আৰু নিৰপেক্ষ হয় নে, নে ৰাজনীতি বা চাপৰ তলত পৰি তদন্তৰ গতি বিচ্যুত হয়? দুৰ্ঘটনাৰ পিছত কৰা সংশোধনমূলক পদক্ষেপৰ প্ৰতিশ্ৰুতিবোৰ কিমানখিনি ফলপ্ৰসূভাৱে ৰূপায়ণ কৰা হয়?

সেয়েহে, কেৱল 'ভাগ্য' বা 'প্ৰকৃতিৰ দোষ' দি থকাটো কোনো সমাধান নহয়। আমাৰ মানৱসৃষ্ট দোষ, সুবিধাবাদী মনোভাৱবোৰ চিনাক্ত কৰি, তাৰ প্ৰতিৰোধৰ বাবে কঠোৰ নীতি, আধুনিকতম প্ৰযুক্তিৰ ব্যৱহাৰ, নিয়মিত আৰু স্বতন্ত্ৰ পৰিদৰ্শনৰ ব্যৱস্থা কৰাটো অপৰিহাৰ্য। চৰকাৰ আৰু সংশ্লিষ্ট বিমান প্ৰাধিকৰণসমূহে ৰাইজৰ এই সন্দেহ আৰু প্ৰশ্নবোৰ গুৰুত্ব সহকাৰে লৈ স্বচ্ছতা, জৰুৰীকালীন সঁজুলি আৰু নিৰাপত্তা প্ৰোটকলৰ প্ৰতি দায়বদ্ধতা দেখুৱাব লাগিব।

যাতায়াতৰ মাধ্যম যিয়েই নহওক কিয়, মানুহৰ জীৱনহে সৰ্বোচ্চ অগ্ৰাধিকাৰ হোৱা উচিত। প্ৰত্যেকটো দুৰ্ঘটনাই আমাক শিক্ষা দিব লাগিব। উন্নত প্ৰশিক্ষণ, উন্নত পৰীক্ষণ আৰু উন্নত প্ৰযুক্তিৰ বাবে কৰা ব্যয়ক কেতিয়াও বাচনিৰ বিষয় হিচাপে গণ্য কৰিব নালাগে; ই এক আৱশ্যক বিনিয়োগ। বিমান দুৰ্ঘটনা কেৱল প্ৰাকৃতিক নহয়, ই আমাৰ সজাগতা, ব্যৱস্থাপনা আৰু মূল্যবোধৰ পৰীক্ষাও। প্ৰকৃতিৰ ওপৰত আমাৰ নিয়ন্ত্ৰণ নাথাকিব পাৰে, কিন্তু আমাৰ ব্যৱস্থাৰ ওপৰত থকা নিয়ন্ত্ৰণ সদায় সুদৃঢ় কৰি, আমি এটা অধিক সুৰক্ষিত আকাশী যাত্ৰাৰ সপোন সাকাৰ কৰিব পাৰোঁ।

অসমত হোৱা এই কৃষক বিদ্ৰোহসমূহৰ নেতৃত্ব দিছিল ৰাইজমেলসমূহে। ৰাইজমেল কোনো ৰাজনৈতিক সংগঠন নাছিল। এই ৰাইজমেলসমূহ গাঁওবুঢ়া, নামঘৰীয়া আদি সমাজৰ মুখিয়াল লোকসকলৰ তত্ত্বাৱধানত গঢ়ি উঠিছিল। জাতি-ধৰ্ম আদি একোৱে ভাগ-বতৰা নাছিল এই ৰাইজমেলসমূহত। সকলোৱে এই মেলত অংশগ্ৰহণ কৰিব পাৰিছিল। গাম্য জীৱনৰ নানা সমস্যা সমাধানৰ ক্ষেত্ৰত ৰাইজমেলসমূহ ওতঃপ্ৰোতভাৱে জড়িত আছিল। ব্ৰিটিছ চৰকাৰৰ শোষণমূলক নীতিৰ বিৰুদ্ধে সাধাৰণ ৰাইজক এই ৰাইজমেলসমূহেই জাগ্ৰত কৰি তুলিছিল। ব্ৰিটিছৰ শোষণৰ পৰিণতিতেই ১৮৬১ চনত কৃষক ৰাইজে কৰা অসমৰ প্ৰথমটো বিদ্ৰোহ আছিল ফুলগুৰি ধাওৱা। এই ফুলগুৰি ধাওৱা বা বিদ্ৰোহৰ এটা উল্লেখযোগ্য কথা আছিল যে অসমৰ সাধাৰণ শ্ৰেণীৰ লোকে এই বিদ্ৰোহ কৰিছিল।

# পথৰুঘাটৰ ৰণ এক জীয়া অতীত বুৰঞ্জী

### অজিত বৰুৱা

১৮৫৭ চনৰ কথা, সমগ্ৰ দেশজুৰি সংঘটিত চিপাহী বিদ্ৰোহে বৃটিছ চৰকাৰৰ অৰ্থনৈতিক অৱস্থা একেবাৰে শোচনীয় কৰি পেলাইছিল। এই বিদ্ৰোহ দমনৰ নামত বৃটিছ চৰকাৰে বহু পৰিমাণৰ ধন খৰচ কৰিব লগা হৈছিল। সেয়েহে এই বিদ্ৰোহৰ পিছত বৃটিছে নিজৰ অৰ্থনৈতিক অৱস্থা সুস্থিৰ কৰিবলৈ প্ৰধান উদ্দেশ্য হিচাপে বান্ধি লৈছিল। যাৰ পৰিণাম ভুগিব লগা হৈছিল সৰ্বসাধাৰণ ৰাইজে। অসমৰ ৰাইজে আয়কৰ আৰু মাটিৰ খাজানা বহু পূৰ্বৰে পৰাই ভৰি আছিল, কিন্তু বিদ্ৰোহৰ পিছত হাবিৰ কাঠ-বাঁহ ব্যৱহাৰ কৰা, মাছ মৰা, চৰণীয়া পথাৰত গৰু-মহ চৰোৱা আদি কাৰ্য্য পৰ্যন্ততো বৃটিছ চৰকাৰে সাধাৰণ ৰাইজৰ পৰা কৰ সংগ্ৰহ কৰিবলৈ ধৰিছিল। আনকি প্ৰাকৃতিক দুৰ্যোগ, মহামাৰী, দুৰ্ভিক্ষৰ সময়তো সাধাৰণ প্ৰজাক কৰৰ পৰা ৰেহাই দিয়া হোৱা নাছিল। কোনো কোনো ঠাইৰ দুখীয়া দৰিদ্ৰ ৰাইজৰ দুই একোজনে কৰ সোধাব নোৱাৰি নিজৰ ল'ৰা-ছোৱালীকো বিক্ৰী কৰিব লগাত পৰিছিল মাত্ৰ কেইটামান টকাৰ বাবে। এনেদৰেই লাহে-লাহে সাধাৰণ ৰাইজ ব্ৰিটিছ চৰকাৰৰ এনেবোৰ ফলত বিতুষ্ট হৈ পৰিছিল যাৰ ফলস্বৰূপে অসমত উনবিংশ শতিকাৰ মাজভাগত এটা নতুন বিদ্ৰোহৰ আৰম্ভণি হৈছিল, যাক কৃষক বিদ্ৰোহ বুলি কোৱা হয়।

**কৃষক বিদ্ৰোহ আৰু ৰাইজমেল ঃ**

অসমত হোৱা এই কৃষক বিদ্ৰোহসমূহৰ নেতৃত্ব দিছিল ৰাইজমেলসমূহে। ৰাইজমেল কোনো ৰাজনৈতিক সংগঠন নাছিল। এই ৰাইজমেলসমূহ গাঁওবুঢ়া, নামঘৰীয়া আদি সমাজৰ মুখিয়াল লোকসকলৰ তত্ত্বাৱধানত গঢ়ি উঠিছিল। জাতি-ধৰ্ম আদি একোৱে ভাগ-বতৰা নাছিল এই ৰাইজমেলসমূহত। সকলোৱে এই মেলত অংশগ্ৰহণ কৰিব পাৰিছিল। গাম্য জীৱনৰ নানা সমস্যা সমাধানৰ ক্ষেত্ৰত ৰাইজমেলসমূহ ওতপ্ৰোতভাৱে জড়িত আছিল। ব্ৰিটিছ চৰকাৰৰ শোষণমূলক নীতিৰ বিৰুদ্ধে সাধাৰণ ৰাইজক এই ৰাইজমেলসমূহেই জাগ্ৰত কৰি তুলিছিল। ব্ৰিটিছৰ শোষণৰ পৰিণতিতেই ১৮৬১ চনত কৃষক ৰাইজে কৰা অসমৰ প্ৰথমটো বিদ্ৰোহ আছিল ফুলগুৰি ধাওৱা। এই ফুলগুৰি ধাওৱা বা বিদ্ৰোহৰ এটা উল্লেখযোগ্য কথা আছিল যে অসমৰ সাধাৰণ শ্ৰেণীৰ লোকে এই বিদ্ৰোহ কৰিছিল। ১৮৫৭ চনৰ চিপাহী বিদ্ৰোহত কেৱল আহোম ৰাজতন্ত্ৰৰ অধীনৰ কিছুমান আভিজাত শ্ৰেণীৰ লোকেহে অংশগ্ৰহণ কৰিছিল। চিপাহী বিদ্ৰোহত সাধাৰণ জনতাৰ যোগদান কম আছিল, কিন্তু অসমৰ কৃষক বিদ্ৰোহত জাতি-ধৰ্ম-ভাষা নিৰ্বিশেষে সকলো সৰ্বসাধাৰণ লোকেই নামি পৰিছিল। কিন্তু ফুলগুৰি বিদ্ৰোহৰ পিছতো ইংৰাজ চৰকাৰে ৰাইজৰ দুখ-দুৰ্দশা দূৰ কৰাৰ সলনি মাটিৰ খাজানা আৰু বৃদ্ধিহে কৰিছিল।

বৃটিছ চৰকাৰে বহু নিৰ্দয়ভাৱে ফুলগুৰি বিদ্ৰোহ দমন কৰি এই বগা চাহাবসকলে ভাবিছিল যে অসমৰ ৰাইজে হয়তো আকৌ বিদ্ৰোহ কৰিবলৈ সাহস নকৰিব আৰু সেয়া তেওঁলোকে পুনৰ খাজনা বৃদ্ধি কৰি গৈ আছিল। ১৮৬৭-৬৮ চনত পুনৰ খাজনা দুগুণে বঢ়াইছিল। ১৮৬৪-৬৫ চনত ব্ৰিটিছ চৰকাৰে ১০ লাখ টকাৰ মাটিৰ খাজনা সংগ্ৰহ কৰিছিল, কিন্তু ১৮৭২-৭৩ চনত এই পৰিমাণ ২১ লাখ টকালৈ হৈছিল। এই বৰ্ধিত খাজানাৰ বাবে অসমৰ দৰং আৰু কামৰূপ জিলাৰ কৃষকসকলৰ প্ৰতিক্ৰিয়া উল্লেখযোগ্য আছিল। দৰং আৰু কামৰূপ জিলাৰ বাহিৰেও লখিমপুৰ জিলাৰ কৃষকেও ইয়াৰ প্ৰতিবাদ কৰিছিল। বহুতে নিজৰ মাটিৰ মালিকীস্বত্ব এৰি দিছিল। যেতিয়া নিজৰ নামত মাটিয়েই নাথাকিব, তেতিয়া খাজানাও দিব নালাগে। খাজনাৰ হাৰ ইমান বেছি হৈ পৰিছিল যে বহুতে নিজৰ ভেটি মাটি পৰ্যন্ত এৰি দিছিল। ব্ৰিটিছৰ শোষণৰ বিৰুদ্ধে লখিমপুৰৰ কৃষক ৰাইজৰ এই ত্যাগ স্মৰণীয়। ব্ৰিটিছৰ শোষণে অসমৰ ৰাইজৰ অৱস্থা নোহোৱা কৰি দিছিল। বিভিন্ন ঠাইত ইয়াৰ প্ৰতিবাদত ৰাইজমেলবোৰ হ'বলৈ ধৰিছিল। কিন্তু বৃটিছ চৰকাৰে কঠোৰভাৱে ৰাইজমেলসমূহ বন্ধ কৰিবলৈ ধৰিলে। ৰাইজমেল পতা নিষিদ্ধ কৰিছিল। যাৰ বাবে আগতে মুকলি পথাৰত বহা এই ৰাইজমেলসমূহ লাহে লাহে নামঘৰ, মছজিদ আদিত বহিবলৈ ধৰিলে ইংৰাজসকলে গম নোপোৱাকৈ।

সেয়া ১৮৮৬ চনৰ কথা, বৃটিছ চৰকাৰে এটা মাৰাত্মক সিদ্ধান্ত লৈছিল। চৰকাৰে এটা নতুন নিয়ম কৰিছিল। সেইটো হৈছে "অসম ভূমি ৰাজহ নিধি"(Assam Land and Revenue Regulation



Act) অনুসৰি প্ৰতি ১০ বছৰৰ মূৰে মূৰে মাটিৰ খাজনা বৃদ্ধি কৰা হ'ব। এই ভূমি ৰাজহ নিধিৰ দ্বাৰা খাজনা বৃদ্ধিৰ সিদ্ধান্তটো কাৰ্যকৰী কৰা হৈছিল ১৮৯৩ চনৰ ডিচেম্বৰ মাহত। লগে লগে সাধাৰণ কৃষক ৰাইজ জঙ্ঘুৰ খাই উঠিল। কৃষক ৰাইজে চৰকাৰক অনুৰোধ কৰিছিল এই সিদ্ধান্ত বাতিল কৰিবলৈ। কাৰণ পূৰ্বতে খাজনাৰ পৰিমাণ যি আছিল, তাক দুখীয়া অসমৰ কৃষকসকলে কোনোমতেহে দিব পাৰিছিল। এতিয়া প্ৰতি দহ বছৰৰ মূৰে মূৰে যদি খাজনা বাঢ়ি গৈ থাকে, সেয়া কোনো প্ৰকাৰে ৰাইজে দিব নোৱাৰিব। সাধাৰণ ৰাইজে লিখিত ৰূপত ব্ৰিটিছ চৰকাৰৰ এই শোষণমূলক সিদ্ধান্ত বাতিল কৰিবলৈ আবেদন কৰিছিল। এখন দুখন নহয়, ১৬ হাজাৰতকৈও অধিক আবেদন দিছিল চৰকাৰৰ ওচৰত। কিন্তু চৰকাৰে এই আবেদন নাকচ কৰি নিজৰ সিদ্ধান্তত অটল আছিল। লগে লগে অসমৰ চুক-কোণত পুনৰ ৰাইজমেল বহিবলৈ ধৰিলে। দৰং জিলাৰ পাথৰুঘাট, কামৰূপ জিলাৰ ৰঙিয়া, লাচিমা, বৰপেটা আদি নানা ঠাইৰ কৃষক ৰাইজ ওলাই আহিল ৰাইজমেলসমূহলৈ। ঐই ৰাইজমেল সমূহত চৰকাৰক মাটিৰ খাজনা নিদিয়াৰ সিদ্ধান্ত লোৱা হ'ল। তদুপৰি ৰাইজমেলৰ এই সিদ্ধান্ত যিসকলে নামানিব তেওঁলোকক সমাজচ্যুত কৰা হ'ব। লগতে খাজনা নিদিয়াৰ বাবে যদি কোনো লোকৰ মাটি চৰকাৰে জব্দ কৰি নিলাম কৰে, তেন্তে সেই নিলাম কৰা মাটিও কোনেও ল'ব নোৱাৰিব। অৱশ্যে এই কৃষক ৰাইজৰ বিদ্ৰোহ কেৱল ইংৰাজ শাসনৰ বিৰুদ্ধেই নাছিল, ই আছিল অসমৰ সাধাৰণ ৰাইজক টকা ধাৰ দি সুত খোৱা মাৰোৱাৰী মহাজন শ্ৰেণীৰ লোকসকলৰ বিৰুদ্ধেও।

**পথৰুঘাটৰ ৰণ ঃ**

যদিও ৰঙিয়া আৰু লাচিমাৰ বিদ্ৰোহ বৃটিছ চৰকাৰে কঠোৰ হাতেৰে দমন কৰিছিল তথাপি অসমীয়া কৃষকৰ মনৰ পৰা এই বিদ্ৰোহৰ জুই আঁতৰাবলৈ সক্ষম হোৱা নাছিল। ১৮৯৪ চনৰ জানুৱাৰী মাহৰ মাজভাগৰ পৰাই দৰং জিলাৰ কলাইগাঁও, মঙলদৈ, ছিপাঝাৰ, পথৰুঘাট আদি অঞ্চলৰ কৃষকসকলে ঠায়ে-ঠায়ে ৰাইজমেল পাতি খাজনা বৃদ্ধিৰ বাবে প্ৰতিবাদ কৰিছিল আৰু খাজনা সংগ্ৰহৰ বাবে অহা বৃটিছ বিষয়াসকলক বাধা দিছিল।

নিজ নিজ অঞ্চলত ৰাইজমেল পতাৰ পিছত এই ঠাইবোৰৰ হাজাৰ হাজাৰ ৰাইজ এইবাৰ পথৰুঘাটত জানুৱাৰী মাহৰ ২৬ তাৰিখৰ পৰা ২৮ তাৰিখলৈ এখন তিনিদিনীয়া বৃহৎ ৰাইজমেলৰ আয়োজন কৰিছিল। কিন্তু এই কথাৰ খবৰ পাই দৰং জিলাৰ জিলাধিপতি জে. ডি. এণ্ডাৰছনে ২৭ জানুৱাৰীৰ দিনা এটা সামৰিক বাহিনী আৰু আৰক্ষী অধীক্ষক জে. আৰ. বেৰিংটনৰ সৈতে পথৰুঘাট পালেহি। তেওঁলোকৰ উদ্দেশ্য আছিল এই সমাবেশ ৰোধ কৰা। ইফালে জিলাধিপতি অহাৰ খবৰ পাই কৃষক ৰাইজ তেওঁ থকা বাংলোৰ ফালে আহিল। সকলোৱে এটাই কথা যে জিলাধিপতি জে. ডি. এণ্ডাৰছনক লগ কৰি তেওঁলোকৰ দুখ-দুৰ্দশাৰ কথা বুজাব, যাতে এণ্ডাৰছনে দুখীয়া কৃষক ৰাইজৰ সমস্যা বুজি খাজনা বৃদ্ধি নকৰে। কিন্তু পুলিচে ৰাইজক বাংলোটোৰ ওচৰলৈ যাব নিদিয়াত সকলো মানুহ কিছুদূৰৈত ৰৈ অপেক্ষা কৰি থাকিল, এই আশাত যে জিলাধিপতি এণ্ডাৰছন চাহাবে তেওঁলোকক লগ দিব।

জিলাধিপতিয়ে ৰাইজৰ দুখ বুজাৰ পৰিৱৰ্তে আৰক্ষী অধীক্ষক বেৰিংটনক সেই অঞ্চলৰ খাজনা আদায় নিদিয়া লোকসকলৰ সম্পত্তি বাজেয়াপ্ত কৰিবলৈ পঠিয়ালে। গাঁৱৰ অধিকাংশ মানুহেই সেই সময়ত বাংলোৰ ওচৰত আছিল। গাঁৱত কেৱল সৰু ল'ৰা-ছোৱালী, মহিলা আৰু বুঢ়া মানুহখিনিহে আছিল। বেৰিংটনে পুলিচ লগত গৈ মানুহবোৰৰ সা-সম্পত্তি জব্দ কৰিবলৈ ধৰিলে। কিন্তু ২০০ মান পুৰুষ-মহিলাই যেতিয়া বেৰিংটনক আগুৰি ধৰিলে, তেওঁ কোনোমতে নিজকে বচাই জিলাধিপতি থকা বাংলো পালেগৈ।

কেইঘণ্টামান পিছত যেতিয়া মানুহবোৰে এই কথা গম পালে, সকলোৱে খং উঠিল। তেওঁলোকে শান্তিপূৰ্ণভাৱে কথা পাতিবলৈ আহিছিল, কিন্তু জিলাধিপতিয়ে তেওঁলোকৰ দুখৰ কথা শুনাৰ সলনি পুলিচ লগাই সা-সম্পত্তি বাজেয়াপ্ত কৰিবলৈহে পঠিয়ালে। সকলো মানুহ লাহে লাহে বাংলোৰ ওচৰ চাপি যাবলৈ ধৰিলে। এণ্ডাৰছনে যিকোনো প্ৰকাৰে মানুহবোৰক আঁতৰাই পঠিয়াবলৈ ক'লে। পুলিচৰ দলটোৱে মানুহবোৰক শক্তি প্ৰয়োগ কৰি আঁতৰাবলৈ চেষ্টা কৰিলে। এই কথাত ৰাইজ আৰু উত্তেজিত হৈ পৰিল আৰু পুলিচৰ দলটোলৈ আৰু জিলাধিপতিৰ ঘৰলৈ শিল, মাটিৰ চপৰা আদি যি পাই তাকেই দলি মাৰিবলৈ ধৰিলে।

পৰিস্থিতি আৰু অধিক বেয়ালৈ যাব ধৰাত এণ্ডাৰছনে আৰক্ষী অধীক্ষক বেৰিংটনক গুলী চলাবলৈ নিৰ্দেশ দিলে। ইয়াৰ ফলত ১৪০জন কৃষকে কৰুণ মৃত্যুক সাৱটি ল'লে আৰু ১৫০জন লোক অতি বেয়াকৈ আহত হ'ল। মৃত্যুতকৈও বেছি দুখ লগা কথাটো আছিল যে কোনো এজন লোকৰ মৃতদেহ পৰিয়ালৰ লোকে নিব পৰা নাছিল। ৰাইজমেল হোৱা ঠাইৰ ওচৰৰ পুখুৰী এটাত এই আটাইবোৰ লোকৰ মৃতদেহ পেলাই দিলে আৰু পুখুৰীটো পুতি পেলাইছিল।

কিমান নিষ্ঠুৰ হ'ব পাৰে এই ঘটনা! চৰকাৰী হিচাপত এই ঘটনাত কেৱল ১৫জন লোকৰহে মৃত্যু হোৱা বুলি দেখুওৱা হৈছিল। ব্ৰিটিছৰ সাম্ৰাজ্যবাদী শাসনৰ বিৰুদ্ধে নিজৰ জীৱন আহুতি দিয়া এই ১৪০ জন নিৰীহ কৃষকৰ নাম ইতিহাসৰ পৃষ্ঠাত কৰবাত হেৰাই গ'লেও অসম আৰু অসমীয়াৰ হৃদয়ত পথৰুঘাটৰ এই কৰুণ কাহিনী চিৰকালৰ বাবে থাকি যাব এক জীয়া অতীত হৈ।

# নিৰ্বাচনী ভাষণ আৰু বাস্তৱ পৰিৱৰ্তন

### জীৱনজ্যোতি গগৈ

**গ**ণতন্ত্ৰত নিৰ্বাচন কেৱল ভোট দিয়াৰ প্ৰক্ৰিয়া নহয়— ই জনগণ আৰু ৰাজনৈতিক নেতৃত্বৰ মাজত হোৱা এক বৃহৎ সংলাপ। এই সংলাপৰ আটাইতকৈ দৃশ্যমান আৰু শক্তিশালী ৰূপটো হৈছে নিৰ্বাচনী ভাষণ। মঞ্চৰ ওপৰত থিয় হৈ নেতাসকলে উন্নয়নৰ সপোন দেখুৱায়, সমস্যাৰ সমাধানৰ আশ্বাস দিয়ে আৰু ভৱিষ্যৎ সমাজৰ এখন ছবি আঁকে। কিন্তু নিৰ্বাচনৰ পিছত প্ৰায়েই প্ৰশ্ন উঠে— এই ভাষণবোৰে কিমানদূৰ বাস্তৱ পৰিৱৰ্তন আনিব পাৰে? কিমানখিনি কথা কাগজত বা মঞ্চতেই সীমাবদ্ধ হৈ থাকে, আৰু কিমানখিনি সত্যই নীতি-নিৰ্ধাৰণ আৰু জনজীৱনত প্ৰতিফলিত হয়? এই দ্বন্দ্বই "নিৰ্বাচনী ভাষণ আৰু বাস্তৱ পৰিৱৰ্তন"ক আধুনিক ৰাজনীতিত এক গুৰুত্বপূৰ্ণ আলোচ্য বিষয় কৰি তুলিছে।

নিৰ্বাচনী ভাষণৰ মুখ্য লক্ষ্য হৈছে ভোটাৰক আকৰ্ষণ কৰা। ইয়াত শব্দৰ চয়ন, আবেগিক আহ্বান, অতীতৰ ভুলৰ উল্লেখ আৰু ভৱিষ্যতৰ উজ্জ্বল ছবি— এই সকলোবোৰ কৌশল ব্যৱহাৰ কৰা হয়। উন্নয়ন, কৰ্মসংস্থান, শিক্ষা, স্বাস্থ্য, দুৰ্নীতিৰ বিৰুদ্ধে যুঁজ, ৰাষ্ট্ৰীয় সুৰক্ষা বা আঞ্চলিক স্বাভিমান— এই বিষয়সমূহ প্ৰায়েই ভাষণৰ কেন্দ্ৰবিন্দু হয়। বহু সময়ত এই ভাষণবোৰে জনতাৰ ভিতৰত আশা আৰু উদ্দীপনা সৃষ্টি কৰে; নাগৰিকৰ মনত অনুভৱ হয় যে এইবাৰ হয়তো সঁচাকৈয়ে কিছুমান পৰিৱৰ্তন আহিব। এই দিশে চালে, নিৰ্বাচনী ভাষণ গণতন্ত্ৰৰ প্ৰাণস্বৰূপ- ইনাগৰিকক অংশগ্ৰহণ কৰিবলৈ উৎসাহিত কৰে আৰু ৰাজনৈতিক প্ৰক্ৰিয়াত সজীৱতা আনে।

কিন্তু সমস্যা আৰম্ভ হয় যেতিয়া ভাষণৰ উচ্চস্বৰ প্ৰতিশ্ৰুতি আৰু শাসনত থকা বাস্তৱ সিদ্ধান্তৰ মাজত বিস্তৰ ব্যৱধান দেখা যায়। বহু ক্ষেত্ৰত নিৰ্বাচনৰ আগতে দিয়া কিছুমান আশ্বাস আৰ্থিক সীমাবদ্ধতা, প্ৰশাসনিক জটিলতা, ৰাজনৈতিক মিত্ৰতা বা নীতি-নিৰ্ধাৰণৰ ধীৰ গতিত আংশিকভাৱে বা একেবাৰে ৰূপায়িত নহয়। ফলস্বৰূপে ভোটাৰৰ মাজত হতাশা জন্মে আৰু ৰাজনীতিৰ প্ৰতি আস্থাহীনতা বৃদ্ধি পায়। "ভাষণ বেলেগ, কাম বেলেগ"— এই ধৰণৰ মন্তব্য সাধাৰণ মানুহৰ মুখত শুনিবলৈ পোৱা যায়, যি গণতান্ত্ৰিক সংস্কৃতিৰ বাবে চিন্তাৰ বিষয়।

নিৰ্বাচনী ভাষণ আৰু বাস্তৱ পৰিৱৰ্তনৰ মাজৰ এই ফাঁকটো কেতিয়াবা ইচ্ছাকৃতো হয়। কিছুমান নেতাই জনপ্ৰিয়তা লাভৰ বাবে অতি উচ্চাকাঙ্ক্ষী প্ৰতিশ্ৰুতি দিয়ে, যদিও তেওঁলোকে জানে যে সকলোবোৰ কাৰ্যকৰী কৰাটো কঠিন। এইধৰণৰ জনপ্ৰিয়তামুখী ৰাজনীতি ক্ষণিকৰ বাবে ভোট আনিব পাৰে, কিন্তু দীৰ্ঘমেয়াদত ই নীতি-নিৰ্ধাৰণক দুৰ্বল কৰে। নাগৰিক যেতিয়া বাৰে বাৰে প্ৰতিশ্ৰুতি ভংগ হোৱা দেখিবলৈ পায়, তেতিয়া ৰাজনীতিৰ প্ৰতি সন্দেহ গভীৰ হয় আৰু অংশগ্ৰহণ কমিবলৈ ধৰে।

অৱশ্যে সকলো ক্ষেত্ৰতেই নিৰ্বাচনী ভাষণ কেৱল শূন্য প্ৰতিশ্ৰুতি বুলি কোৱা নাযায়। কিছুমান সময়ত এই ভাষণবোৰেই জনচাপ সৃষ্টি কৰি চৰকাৰক বিশেষ নীতি গ্ৰহণ কৰিবলৈ বাধ্য কৰে। উদাহৰণস্বৰূপে, শিক্ষা সংস্কাৰ, গ্ৰামোন্নয়ন, সামাজিক সুৰক্ষা বা স্বাস্থ্য সেৱা উন্নত কৰাৰ প্ৰতিশ্ৰুতি বহু দেশত নিৰ্বাচনৰ পিছত নীতি ৰূপে দেখা গৈছে। ভোটাৰৰ সচেতনতা আৰু নাগৰিক সমাজৰ সক্ৰিয়তাই এই ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা লয়। যেতিয়া নাগৰিকে নিয়মিতভাৱে প্ৰশ্ন তোলে, সংবাদমাধ্যমে অনুসন্ধানী প্ৰতিবেদন প্ৰকাশ কৰে আৰু নাগৰিক সংগঠনসমূহে চকু ৰাখে, তেতিয়া ভাষণৰ কথাবোৰ বাস্তৱলৈ ৰূপান্তৰ হোৱাৰ সম্ভাৱনা বৃদ্ধি পায়।

ডিজিটেল যুগত নিৰ্বাচনী ভাষণৰ ৰূপো সলনি হৈছে। আগতে মঞ্চ বা সভাঘৰত সীমাবদ্ধ থকা বক্তৃতা এতিয়া সামাজিক মাধ্যম, লাইভ ষ্ট্ৰীমিং আৰু ভিডিঅ' ক্লিপৰ জৰিয়তে মুহূৰ্ততে লাখ লাখ মানুহলৈ বিয়পি যায়। ইয়াৰ ফলত নেতাসকলৰ কথা অধিক দৃশ্যমান হৈছে, কিন্তু একে সময়তে পৰীক্ষাৰ আওতালৈও আহিছে। আগৰ ভাষণ উদ্ধৃত কৰি বৰ্তমানৰ কামৰ সৈতে তুলনা কৰা এতিয়া সহজ; এই তুলনাই জনতাক বিচাৰ কৰিবলৈ সহায় কৰে যে কোনে কিমান প্ৰতিশ্ৰুতি পালন কৰিলে। এই স্বচ্ছতাই, সঠিকভাৱে ব্যৱহৃত হ'লে, ৰাজনৈতিক দায়িত্ববোধ শক্তিশালী কৰিব পাৰে।

বাস্তৱ পৰিৱৰ্তন কেৱল চৰকাৰৰ সদিচ্ছাৰ ওপৰতেই নিৰ্ভৰ নকৰে; ই প্ৰশাসনিক, আইনী প্ৰক্ৰিয়া, বাজেট, আৰু সামাজিক সহমত গঢ়ি তোলাৰ ওপৰতেও নিৰ্ভৰশীল। বহু ক্ষেত্ৰত এটা ভাল উদ্দেশ্যৰ নীতিও স্থানীয় পৰ্যায়ত ৰূপায়ণ নোহোৱাত ব্যৰ্থ হয়। সেয়ে নিৰ্বাচনী ভাষণক বাস্তৱলৈ ৰূপান্তৰ কৰিবলৈ শক্তিশালী প্ৰশাসন, দক্ষ কৰ্মচাৰী আৰু স্বচ্ছ ব্যৱস্থাপনা অতি প্ৰয়োজনীয়।

নাগৰিকৰ ভূমিকাও ইয়াত অত্যন্ত গুৰুত্বপূৰ্ণ। ভোট দিয়া নাগৰিকে কেৱল নিৰ্বাচনৰ দিনাই দায়িত্ব শেষ কৰা উচিত নহয়; নিৰ্বাচনৰ পিছতো তেওঁলোকে প্ৰতিনিধিসকলক প্ৰশ্ন কৰা, কাম-কাজৰ হিচাপ বিচৰা আৰু গণতান্ত্ৰিক প্ৰক্ৰিয়াত সক্ৰিয় হৈ থকাটো প্ৰয়োজন। সচেতন ভোটাৰেই ভাষণ আৰু বাস্তৱৰ মাজৰ ব্যৱধান কমাব পাৰে।

নিৰ্বাচনী ভাষণ গণতন্ত্ৰৰ এক অবিচ্ছেদ্য অংশ। ই আশা জগায়, বিতৰ্ক সৃষ্টি কৰে আৰু সমাজৰ প্ৰধান সমস্যাসমূহ ৰাজনৈতিক আলোচনাৰ কেন্দ্ৰলৈ আনে। কিন্তু এই ভাষণবোৰৰ মূল্য তেতিয়াহে থাকে যেতিয়া সেয়া নীতি আৰু কৰ্মৰ ৰূপ লৈ জনজীৱনত বাস্তৱ পৰিৱৰ্তন আনে। ভাষণ যদি কেৱল শব্দতেই সীমাবদ্ধ থাকে, তেন্তে গণতন্ত্ৰ দুৰ্বল হয়; কিন্তু যদি সেই শব্দবোৰ দায়িত্ব, স্বচ্ছতা আৰু নাগৰিক অংশগ্ৰহণৰ সৈতে জড়িত হয়, তেন্তে সেয়াই সমাজ আগুৱাই নিয়াৰ শক্তিশালী অস্ত্ৰ হৈ উঠিব। নিৰ্বাচনী ভাষণ আৰু বাস্তৱ পৰিৱৰ্তনৰ আলোচনা সম্পূৰ্ণ কৰিবলৈ এটা গুৰুত্বপূৰ্ণ দিশ হ'ল— ভাষণৰ ভাষা আৰু নৈতিকতা। বহু সময়ত ৰাজনৈতিক ভাষণত বিভাজনমূলক শব্দ, অতিশয় আবেগিক আহ্বান বা অতি সৰল সমাধানৰ প্ৰতিশ্ৰুতি ব্যৱহাৰ কৰা হয়। এইবোৰে ক্ষণিকৰ বাবে সমৰ্থন আদায় কৰিব পাৰে, কিন্তু সমাজত অবিশ্বাস, ভয় বা বিভাজন বৃদ্ধি কৰাৰ আশংকা থাকে। সেয়েহে দায়িত্বশীল ৰাজনৈতিক ভাষা গণতন্ত্ৰৰ বাবে অত্যাৱশ্যক। ভাষণত ব্যৱহৃত শব্দই কেৱল ভোটৰ ফলাফলেই নহয়, সমাজৰ মানসিক পৰিৱেশো গঢ় দিয়ে।

একেদৰে, নিৰ্বাচনী ভাষণৰ মূল্যায়নৰ ক্ষেত্ৰত শিক্ষিত আৰু তথ্যভিত্তিক নাগৰিক সমাজৰ গুৰুত্ব দিনে দিনে বাঢ়িছে। আজিৰ যুগত কেৱল আবেগিক বক্তৃতাৰ দ্বাৰা জনতাক দীঘলীয়া সময় ধৰি সন্তুষ্ট ৰখা কঠিন। পৰিকল্পনাৰ স্পষ্টতা, সময়সীমা, বাজেটৰ উৎস আৰু নীতি ৰূপায়ণৰ পথনক্সা- এইবোৰ উল্লেখ নোহোৱাকৈ দিয়া প্ৰতিশ্ৰুতিক সচেতন ভোটাৰে অধিক সন্দেহৰ দৃষ্টিত চায়। সংবাদমাধ্যম, বিশ্ববিদ্যালয়, নাগৰিক মঞ্চ আৰু চিন্তন- কেন্দ্ৰসমূহে এই প্ৰশ্নসমূহ উত্থাপন কৰি ৰাজনৈতিক ভাষণক গভীৰ বিশ্লেষণৰ আওতালৈ আনে।



বহু দেশত নিৰ্বাচনী প্ৰতিশ্ৰুতি সম্পূৰ্ণ নকৰিলে আইনী দণ্ডৰ ব্যৱস্থা নাথাকিলেও, ৰাজনৈতিক সংস্কৃতিত নৈতিক জবাবদিহিতাই এক গুৰুত্বপূৰ্ণ ভূমিকা লয়। সংসদীয় প্ৰশ্নোত্তৰ কাল, নিৰীক্ষা সংস্থা, তথ্যৰ অধিকাৰ আইন আৰু আদালতৰ ভূমিকা-এই সকলোবোৰ ব্যৱস্থাই চৰকাৰক নিজৰ কথা আৰু কামৰ মাজৰ ব্যৱধান ব্যাখ্যা কৰিবলৈ বাধ্য কৰে। এই প্ৰাতিষ্ঠানিক ব্যৱস্থাসমূহ শক্তিশালী হ'লে নিৰ্বাচনী ভাষণ আৰু বাস্তৱ পৰিৱৰ্তনৰ মাজৰ দূৰত্ব কমিব পাৰে।

আঞ্চলিক আৰু স্থানীয় ৰাজনীতিত এই বিষয়টো বিশেষভাৱে প্ৰাসংগিক। স্থানীয় পৰ্যায়ত দিয়া প্ৰতিশ্ৰুতিসমূহ নাগৰিকৰ দৈনন্দিন জীৱনৰ সৈতে অধিক ঘনিষ্ঠভাৱে জড়িত থাকে- পানী যোগান, পথ-ঘাট, বিদ্যালয়, স্বাস্থ্যকেন্দ্ৰ, আবাসন বা কৃষি সহায়। এই ক্ষেত্ৰসমূহত যদি ভাষণ আৰু বাস্তৱৰ মাজত মিল থাকে, তেন্তে নাগৰিকে তৎক্ষণাৎ লাভ অনুভৱ কৰে আৰু গণতন্ত্ৰৰ প্ৰতি আস্থা বাঢ়ে। কিন্তু স্থানীয় পৰ্যায়তেই যদি বাৰে বাৰে প্ৰতিশ্ৰুতি পূৰণ নোহোৱাটো দেখা যায়, তেন্তে হতাশা অধিক গভীৰ হয়।

ইতিহাসে দেখুৱাইছে যে কিছুমান যুগত নিৰ্বাচনী ভাষণৰ সুৰ সমাজ পৰিৱৰ্তনৰ আগজাননী হৈ উঠিছে। নাগৰিক অধিকাৰ, সমাজসংস্কাৰ বা স্বাধীনতা আন্দোলনৰ সময়ত নেতাসকলৰ ভাষণে জনতাক সংগঠিত কৰি বাস্তৱ ৰাজনৈতিক ৰূপান্তৰৰ পথ মুকলি কৰিছিল। এইবোৰ উদাহৰণে সূচায় যে ভাষণ আৰু কৰ্মৰ মাজত সামঞ্জস্য থাকিলে ৰাজনীতি সমাজৰ উন্নয়নৰ শক্তিশালী চালিকা শক্তি হ'ব পাৰে।

অৱশেষত, নিৰ্বাচনী ভাষণ আৰু বাস্তৱ পৰিৱৰ্তনৰ মাজৰ সম্পৰ্কক সুস্থ কৰি ৰাখিবলৈ তিনিটা দিশ বিশেষ গুৰুত্বপূৰ্ণ- স্বচ্ছতা, নাগৰিক সচেতনতা আৰু প্ৰাতিষ্ঠানিক শক্তি। স্বচ্ছতা মানে হৈছে প্ৰতিশ্ৰুতি আৰু নীতি ৰূপায়ণৰ তথ্য ৰাজহুৱা কৰা; নাগৰিক সচেতনতা মানে হৈছে প্ৰশ্ন কৰা আৰু অংশগ্ৰহণ অব্যাহত ৰখা; আৰু প্ৰাতিষ্ঠানিক শক্তি মানে হৈছে আইনী, প্ৰশাসনিক আৰু গণতান্ত্ৰিক কাঠামোক মজবুত কৰা। এই তিনিও একেলগে কাৰ্যকৰী হ'লেই নিৰ্বাচনী ভাষণ কেৱল ৰাজনৈতিক অনুষ্ঠানৰ অংশ নহৈ সমাজ পৰিৱৰ্তনৰ বাস্তৱ মাধ্যম হৈ উঠিব পাৰে।

এইদৰে "নিৰ্বাচনী ভাষণ আৰু বাস্তৱ পৰিৱৰ্তন" বিষয়টো আমাক এটা মৌলিক প্ৰশ্নৰ মুখামুখি কৰায়— আমি কেৱল শুনিবলৈ ভাল পাওঁ নে অনুসৰণো কৰিব বিচাৰোঁ? নাগৰিক হিচাপে এই আত্মসমালোচনাই গণতন্ত্ৰক অধিক সজীৱ, দায়িত্বশীল আৰু অৰ্থৱহ কৰি তুলিব।

*স্নাতক চতুৰ্থ ষাণ্মাসিক*
*গোলাঘাট*

## বিশিষ্ট ব্যক্তি সকলৰ নাম সংক্ষিপ্ত কৰা উচিতনে

### নিবেদিতা হাজৰিকা

**বি**শিষ্ট ব্যক্তি( Eminent Person) হৈছে সমাজ বা নিজ কৰ্মক্ষেত্ৰত বিশেষ অৱদান আগবঢ়াই চৰ্চিত আৰু সন্মানিত হোৱা লোক। তেনে ব্যক্তি নিজৰ গুণাৱলী, মেধা আৰু উন্নত চৰিত্ৰৰ বাবে সাধাৰণ লোকৰ পৰা পৃথক আৰু সমাজৰ বাবে আদৰ্শনীয় হয়। এনে ব্যক্তিৰ কৰ্মৰাজি তথা আচৰণে সমাজক প্ৰভাৱিত কৰে আৰু তেনে ব্যক্তি সৰ্বজনবিদিত। উল্লেখ্য যে, বিশিষ্ট ব্যক্তিৰ অৱদান, ত্যাগ আৰু স্মৃতি চিৰযুগমীয়া কৰি ৰখাৰ লগতে সমাজলৈ তেওঁলোকে আগবঢ়োৱা অৱদানৰ বিষয়ে জনাবৰ বাবে ৰাস্তা-ঘাট, বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয়, তোৰণ বা মঞ্চৰ নামকৰণ সেই বিশেষ ব্যক্তিজনৰ নামত কৰা হয়। ইয়াৰ জৰিয়তে স্থানীয় তথা ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত প্ৰভাৱশালী, মহান ব্যক্তিৰ কৰ্মৰাজিক সন্মান জনোৱা হয় আৰু নতুন প্ৰজন্মক তেখেত সকলৰ কৰ্মৰাজিৰ প্ৰতি আকৃষ্ট, অনুপ্ৰাণিত হ'বলৈ হ'বলৈ উৎসাহিত কৰা হয়, তেনে লোকৰ পথ অনুকৰণ আৰু অনুসৰণ কৰিবলৈ অনুপ্ৰেৰণা, উৎসাহিত কৰা হয়। দেশ বা সমাজৰ বাবে কাম কৰা ব্যক্তিৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনোৱাৰ ই এক উত্তম উপায়। ই সমাজত এক ইতিবাচক পৰিৱেশৰ সৃষ্টি কৰে, যিয়ে নতুন প্ৰজন্মক জ্ঞান তথা সমাজ সেৱাৰ প্ৰতি আগ্ৰহী কৰি তোলে। কিন্তু বাস্তৱ ক্ষেত্ৰত দেখা যায় বিভিন্ন স্থানত জিলিকি থকা এই মহান, বিশিষ্ট ব্যক্তি সকলৰ যি সম্পূৰ্ণ নাম সেই বিষয়ে নাজানে বা জনাৰ প্ৰয়োজনীয়তাও অনুভৱ নকৰে। আন নহ'লেও তেওঁলোকে সংক্ষিপ্তভাৱে লিখি ৰখা নামটো সম্পূৰ্ণ কৈ জনা উচিত, যি তেওঁলোকৰ জ্ঞানৰ পৰিধি বৃদ্ধি কৰাত সহায়ক হোৱাৰ লগতে তেখেত সকলৰ অৱদান, ত্যাগ আদিৰ বিষয়ে জানিবলৈ সক্ষম হ'ব। অন্যথা, বিশিষ্ট ব্যক্তি সকলৰ নাম সমূহ নজনাকৈয়ে থাকি যাব। এই ক্ষেত্ৰত সকলোৱে তেওঁলোকক সহায় -সহযোগ আগবঢ়োৱা উচিত। স্থানীয় ৰাস্তা-ঘাট, শিক্ষানুষ্ঠান আদিৰ নাম সমূহ যি সকল ব্যক্তিৰ নামত উছৰ্গা কৰা হৈছে সেই সকলৰ সম্পূৰ্ণ নামটোৰ লগত অন্তঃত পৰিচয় কৰাই দিয়া উচিত আৰু বিশিষ্ট ব্যক্তি (যাৰ নামত উছৰ্গা কৰা হৈছে) তেখেতৰ নামটো সম্পূৰ্ণ কৈ লিখাৰ ব্যৱস্থা কৰা উচিত। আন নহ'লেও নৱ প্ৰজন্মৰ লাভালাভৰ বাবেই এনে পদক্ষেপ গ্ৰহণ কৰা উচিত।

### শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নলবাৰী জিলা শাখাৰ অধিৱেশনৰ বিশাল প্ৰস্তুতি

# মুকলি সভাত সন্মানিত অতিথি মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰী

**অসম বাৰ্তা, নলবাৰী, ২৮ জানুৱাৰী ঃ** শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নলবাৰী জিলা শাখাৰ ৪৮ সংখ্যক বাৰ্ষিক অধিৱেশন আৰু সংঘৰ আঞ্চলিক শাখা পূৱ নামবৰভাৰ ১৬ সংখ্যক বাৰ্ষিক অধিৱেশন অহা ৩০, ৩১ জানুৱাৰী আৰু ১ ফেব্ৰুৱাৰীত বৰজাৰ হাইস্কুলত খেলপথাৰত আয়োজন কৰা হৈছে। সংঘৰ জিলা শাখাৰ সম্পাদক হৰেণ কুমাৰ ডেকা, আঞ্চলিক শাখাৰ সম্পাদক গোকুল প্ৰসাদ তালুকদাৰ, আদৰণি সমিতিৰ সাধাৰণ সম্পাদক ৰামকৃষ্ণ হালৈ, সহ সম্পাদক টুটুমণি হালৈ, অখিল বৈশ্যই জনোৱা কাৰ্যসূচী মতে ৩০ জানুৱাৰীৰ দিনা পুৱা ৭ বজাত নামঘৰৰ দ্বাৰ উন্মোচন কৰিব সংঘৰ শৰণ সদস্য লংকেশ্বৰ কলিতাই। ইয়াৰ পিছত নাম প্ৰসংগ, ভাগৱত পাঠ, মুখ্য তোৰণ উন্মোচন কৰিব বিজেপিৰ মুখপাত্ৰ ড° দেৱজিৎ মহন্তই, বৃক্ষৰোপণ কৰিব ১৯ গৰাকী বিশিষ্ট ব্যক্তিয়ে। চিকিৎসা শিবিৰ উন্মোচন কৰিব ডাঃ মনোজ দাসে, অধিৱেশনৰ পশ্চিম দিশৰ তোৰণ উন্মোচন কৰিব ২৯ নং অসম আৰক্ষী বাহীনিৰ অধিনায়ক পাৰ্থপ্ৰতীম বৈৰাগীয়ে, সাধাৰণ পৰিষদ উদ্বোধন কৰিব আঞ্চলিক শাখাৰ প্ৰাক্তন সভাপতি কেশৱ চন্দ্ৰ বৈশ্যই। অনুষ্ঠানত মুখ্য অতিথি হিচাপে নতুনদেহৰ আঞ্চলিক শাখাৰ সভাপতি ধীৰেণ ৰাজবংশী, সন্মানিত অতিথি বৰপেটাৰ সহকাৰী আয়ুক্ত ভাৰ্জিল কলিতা, বিদ্যুৎ বিভাগৰ বিষয়া ভাৰ্গৱ কলিতা, পশুচিকিৎসা বিষয়া পাৰমিতা হালৈ, অদিতি কলিতা, বিশিষ্ট অতিথি হিচাপে সংঘৰ প্ৰাক্তন কেন্দ্ৰীয় সদস্য মনোৰঞ্জন বেজবৰুৱা, সংঘৰ জিলাধিনায়ক মনোজ ডেকা, আমন্ত্ৰিত অতিথি হিচাপে সংঘৰ জিলা শাখাৰ শিশু, আই, মাতৃৰ কল্যাণ শাখা সমিতিৰ সম্পাদিকা ৰীতা ডেকা, উপ সভানেত্ৰী ৰেণু কুমাৰী পাঠক, প্ৰাক্তন সভানেত্ৰী ধৰিত্ৰী কাকতি, আঞ্চলিক সদস্য বন্দনা ৰাজবংশী উপস্থিত থাকিব। ১২ বজাত আদৰণি সমিতিৰ কাৰ্যালয় উদ্বোধন কৰিব ব্যৱসায়ী নিপুল কলিতাই। ইয়াৰ পিছতে প্ৰাথমিক শাখাৰ সভাপতি, সম্পাদক সন্মিলন উদ্বোধন কৰিব শিক্ষক প্ৰবীণ ডেকাই, ভোজনালয় উন্মোচন কৰিব সংঘৰ আঞ্চলিক শাখাৰ সদস্য ধ্ৰুৱজ্যোতি হালৈয়ে, মূল মঞ্চ উদ্বোধন কৰিব বিজেপিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক ত্ৰিনয়ণ বৰ্মনে, প্ৰতিনিধি সভা গৃহৰ দ্বাৰ উন্মোচন কৰিব সমাজকৰ্মী অলিন্দ শৰ্মাই, আবেলি প্ৰতিনিধি সভা উদ্বোধন কৰিব শিক্ষক ৰাজু কলিতাই, বন্তি প্ৰজ্বলন কৰিব জিলা শাখাৰ প্ৰাক্তন উপ সভাপতি ধৰণীধৰ ডেকাই। ৩১ জানুৱাৰীৰ প্ৰাত প্ৰসংগ, ভাগৱত পাঠ, জিলা শাখাৰ কাৰ্যনিৰ্বাহক সভা, ১০ বজাত শিশু আই মাতৃ কল্যাণ শাখাৰ সাধাৰণ পৰিষদ উদ্বোধন কৰিব কল্যাণ শাখাৰ প্ৰাক্তন কেন্দ্ৰীয় সম্পাদিকা দিপালী পাঠক, মুখ্য অতিথি প্ৰাক্তন সহ সম্পাদিকা সৰোজ মালী, নিৰ্দিষ্ট বক্তা ড° দুলুমণি পাঠক, বিশিষ্ট অতিথি বৰমাৰ লেখিকা সমাৰোহৰ সভানেত্ৰী ৰঞ্জনা তালুকদাৰ উপস্থিত থাকিব। অনুষ্ঠানত মাতৃ মঞ্জুৰী উন্মোচন কৰিব সহযোগী অধ্যাপিকা ড° ৰঞ্জনা ভট্টাচাৰ্যই। অনুষ্ঠানত সন্মানিত অতিথি বিটিআৰৰ বাগানপাৰা পৰিষদৰ সদস্যা ৰেখাৰাণী দাস বড়ো, নলবাৰী জিলা পৰিষদৰ অধ্যক্ষা গীতুমণি বৈশ্য, শিক্ষাব্ৰতী বৈৰূপ ব্ৰহ্ম, সংঘৰ মূলৰ সদস্য নিৰুপমা ডেকা, আমন্ত্ৰিত অতিথি ৰাজ্যিক মহিলা আয়োগৰ সদস্যা মামনী বৰা, শিক্ষাব্ৰতী অনুপমা দেৱী, সংঘৰ কল্যাণ সমিতিৰ প্ৰাক্তন কেন্দ্ৰীয় সদস্যা সবিতা কলিতা, মৃণালিনী কোঁৱৰ, জানকী কলিতা, জিলাৰ প্ৰাক্তন সম্পাদিকা দিপালী পাঠক দাস, দেৱজানী দাস, নীলিমা ৰাজবংশী, প্ৰাক্তন সভানেত্ৰী নিৰুপমা হালৈ উপস্থিত থাকিব। ১২ বজাত সেৱা বাহিনীৰ সাধাৰণ পৰিষদত সঞ্চালনা কৰিব সংঘৰ জিলা শাখাৰ সভাপতি জগদীশ পাঠকে। উদ্বোধন কৰিব সম্পাদক হৰেণ কুমাৰ ডেকাই। মুখ্য অতিথি সংঘৰ জিলা শাখাৰ সহ সম্পাদক দীপক কুমাৰ বৈশ্য, নিৰ্দিষ্ট বক্তা সংঘৰ প্ৰাক্তন কেন্দ্ৰীয় সাংস্কৃতিক সচিব কৃষ্ণকিংকৰ খাটনিয়াৰ, বিশিষ্ট অতিথি সংঘৰ ডেকাগিৰিৰ সম্পাদক গদাধৰ ৰাজবংশী, উপ মুখ্য অধিনায়ক মুনীন্দ্ৰ মালাকৰ উপস্থিত থাকিব। যুৱ স্পন্দন উন্মোচন কৰিব সংঘৰ সাহিত্য শাখাৰ সদস্য ড° জ্যোতিপ্ৰসাদ কলিতাই। সন্মানিত অতিথি অধ্যাপক ড° মনোজ কুমাৰ কলিতা, সংঘৰ প্ৰাক্তন কেন্দ্ৰীয় সদস্য হিৰেণ ডেকা, অভিযন্তা অৰ্পনা কলিতা, আমন্ত্ৰিত অতিথি সংঘৰ সংঘৰ প্ৰাক্তন কেন্দ্ৰীয় সদস্য সৰ্বানন্দ কৈৱৰ্ত্ত, সংঘৰ প্ৰাক্তন জিলাধিনায়ক হেমন্ত ডেকা, প্ৰণৱ বৰ্মন, খনিন্দ্ৰ কলিতা, বাকচাৰ জিলাধিনায়ক কমল হাজৰিকা, বৰক্ষেত্ৰী আঞ্চলিকৰ সম্পাদক ভূপাল বৰ্মন, গুৱাহাটী মন্দলৰ সমন্বয়ক নাৰায়ণ দাসে ভাগ লব। আবেলি আঞ্চলিক শাখাৰ সভাপতি, সম্পাদক সন্মিলন উদ্বোধন কৰিব জিলিশা শাখাৰ উপ সভাপতি গোৱৰ্ধন হালৈয়ে। ইয়াৰ পিছতে সাহিত্য আৰু সাংস্কৃতি শাখাৰ মুকলি অধিৱেশনত সভাপতিত্ব কৰিব জিলা সভাপতি ভগীৰথ ৰাজবংশীয়ে। উদ্বোধন কৰিব জিলা শাখাৰ সভানেত্ৰী স্বৰ্ণলতা সাউদে। স্মৃতিগ্ৰন্থ উন্মোচন কৰিব গোৱালপাৰা কলেজৰ অধ্যক্ষ ড° সুভাষ বৰ্মনে। নিৰ্দিষ্ট বক্তা সংঘৰ সাহিত্য শাখাৰ সম্পাদক অচ্যুত কৃষ্ণ কলিতা, মুখ্য অতিথি অসম চৰকাৰৰ পঞ্চায়ত, গ্ৰামোন্নয়ন, পৰ্যটন বিভাগৰ কেবিনেট মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, সন্মানিত অতিথি সংঘৰ প্ৰধান সম্পাদক কুশল ঠাকুৰীয়া, বিধায়ক ভূপেন বড়ো, বিশিষ্ট অতিথি হিচাপে সংঘৰ প্ৰাক্তন সংস্কৃতি শাখখৰ সভাপতি ড° সুৰেশ চন্দ্ৰ বৰা, শৰণ সদস্য ভূমিধৰ পাঠক, আমন্ত্ৰিত অতিথি সংঘৰ প্ৰাক্তন জিলা উপ সভাপতি পবিত্ৰ দাস, জিলা শাখাৰ সহ সম্পাদক পৰেশ কলিতাই ভাগ ল'ব। সন্ধিয়া প্ৰতিনিধি শিৱিৰৰ দ্বাৰ উন্মোচন কৰিব সংঘৰ নতুন দেহৰ আঞ্চলিকৰ সহ সম্পাদক দিলীপ পাঠকে। বন্তি প্ৰজ্বলন কৰিব সমাজকৰ্মী জগদীশ বৰুৱাই। ইয়াৰ পিছতে প্ৰতিনিধি সভা উদ্বোধন কৰিব জিলা শাখাৰ উপ সভাপতি অজিত চন্দ্ৰ দাসে। নিশা সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰিব বি টি আৰৰ পৰিষদীয় সদস্য ৰিদীপ ডেকাই। ১ ফেব্ৰুৱাৰীৰ দিনা পুৱা পতাকা উত্তোলন, ভাগৱত ভ্ৰমণ আৰু সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰিব সংঘৰ শৰণ সদস্য বৈকুণ্ঠ কলিতাই। ১১ বজাত জগদীশ পাঠকৰ সভাপতিত্বত মুকলি অধিৱেশন। উদ্বোধন কৰিব সংঘৰ প্ৰাক্তন প্ৰচাৰক মণিৰাম দাসে। মুখ্য অতিথি সংঘৰ পদাধীকাৰ ভৱেন্দ্ৰ নাথ ডেকা, নিৰ্দিষ্ট বক্তা সংঘৰ প্ৰচাৰক অনিল তাঁতী, সন্মানিত অতিথি বন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, বৰপেটাৰ বুঢ়া সত্ৰাধীকাৰ ড° বাবুল দাস, বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, কেবিনেট মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, সাংসদ ফণীভূষন চৌধুৰী, জিএমডিৰ অধ্যক্ষ নাৰায়ণ ডেকা, মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰী, জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰী, ধুবুৰীৰ শৰণ সদস্য হেমন্ত কুমাৰ ভকত, সংঘৰ প্ৰকাশন উপ সমিতিৰ সম্পাদক কৰ্ণধৰ বৰ্মন, মূলৰ সদস্য গোবিন্দ মেধি, প্ৰাক্তন শৰণ সদস্য ৰবিৰাম নাথ, শিশু বক্তা সংঘৰ পূৱ নলবাৰী শাখাৰ বৃষ্টিমণি ডেকা, জিলা শাখাৰ উপদেষ্টা অৰবিন্দ দাস, অনিল চন্দ্ৰ দাস, অধিবক্তা গিৰিধৰ চৌধুৰী, বৰমা পৌৰসভাৰ অধ্যক্ষ ৰজনী বৰজৌৱাৰী ভাগ লব। সন্ধিয়া পতাকা অৱনমণ, সন্ধ্যা প্ৰসংগ। নিশা সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰিব প্ৰাক্তন অধ্যাপক দিলীপ কুমাৰ শৰ্মাই। অনুষ্ঠানত শিল্পী শিখামণি দত্ত, মাধৱ হালৈ, নিয়ৰ বিকাশ, হিৰক নীল, প্ৰেৰণা প্ৰত্যাশী, জ্যোতিৰ্ময় কলিতাই গীতেৰে ৰাইজক মুগ্ধ কৰিব।

### প্ৰচাৰৰ বাবে ভিডিঅ' ভেন মুকলি

# নলবাৰীত বিজেপিৰ ব্যাপক নিৰ্বাচনী তৎপৰতা আৰম্ভ




**অসম বাৰ্তা, নলবাৰী, ২৮ জানুৱাৰী ঃ** সমাগত অসম বিধানসভাৰ নিৰ্বাচনৰ বাবে সমগ্ৰ অসমৰ লগতে নলবাৰী জিলাতো শাসকীয় বিজেপি দলে ব্যাপক নিৰ্বাচনী তৎপৰতা আৰম্ভ কৰিছে আৰু তাৰেই অংশ হিচাপে দলটোৱে সংকল্প পত্ৰৰ প্ৰস্তুতি আৰু পৰামৰ্শ বিচাৰি ৰাইজৰ মাজত ২৫ জানুৱাৰীৰ দিনা ১৫ খনকৈ ভিডিঅ' ভেন মুকলি কৰে। নলবাৰী বিধানসভা সমষ্টিৰ বিধায়ক তথা অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই অসমৰ চৰকাৰৰ জ্যেষ্ঠ মন্ত্ৰী ক্ৰমে ৰঞ্জিত দাস, চন্দ্ৰ মোহন পাটোৱাৰী, জিলা বিজেপি সভাপতি জয়ন্ত কুমাৰ বুজৰবৰুৱাৰ উপস্থিতত নলবাৰীস্থ দেশপ্ৰেণ নগেন শৰ্মা বাছ আস্থানৰ পৰা এই ভিডিঅ' ভেন সমূহ মুকলি কৰে। অত্যাধুনিক সা সুবিধা যুক্ত এই ভিডিঅ' ভেন সমূহে আগন্তুক সময়ত নলবাৰী, বজালী, বাক্সা, তামোলপুৰ জিলাত সৰ্বসাধাৰণ ৰাইজৰ মাজত সোমাই আগন্তুক বিধানসভাৰ নিৰ্বাচনত বাবে ভাৰতীয় জনতা পাৰ্টী, অসম প্ৰদেশ সমিতিয়ে যি সংকল্প পত্ৰ প্ৰস্তুত কৰিব তাৰ বাবে অনলাইন আৰু অফলাইন পদ্ধতিৰে পৰামৰ্শ গ্ৰহণ কৰাৰ লগতে বিজেপি দলটোৰ হৈ নিৰ্বাচনী প্ৰচাৰ কৰিব। ভিডিঅ'ভেন সমূহ মুকলি কৰি মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই ভাষণত আগন্তুক সময়ত বিজেপি দলে কি ধৰণৰ কাম কৰাটো অসমৰ ৰাইজে বিচাৰে তাৰ মতামত আৰু পৰামৰ্শ সংগ্ৰহ কৰিব আৰু অসমৰ ৰাইজে বিচৰা ধৰণে বিজেপি দলে সংকল্প লৈ অনাগত দিনত কাম কাজ সমূহ চলাই নিব বুলি মন্তব্য কৰে। উক্ত অনুষ্ঠানত নলবাৰী জিলা নিৰ্বাচন প্ৰবন্ধক সমিতিৰ ভিডিঅ' ভেন প্ৰমুখ তথা নলবাৰী জিলা যুৱ মৰ্চাৰ সভাপতি কপিল দেৱৰ তালুকদাৰ, নলবাৰী জিলা বিজেপিৰ সাধাৰণ সম্পাদক পুলক কুমাৰ শৰ্মা, লক্ষ্মী কলিতা সহ বিজেপি দলৰ জিলা, মণ্ডল সমিতিৰ নেতৃত্ব আৰু কাৰ্যকৰ্তা সকল উপস্থিত থাকে।

# নিজ পকোৱা তাঁতিপাৰাত মাঘী পূৰ্ণিমা উৎসৱ-হোমযজ্ঞৰ আয়োজন

**অসম বাৰ্তা, বাঁহজানী, ২৮ জানুৱাৰী ঃ** অতীজৰে পৰা ধৰ্মীয় তথা আধ্যাত্মিক ধাৰা অব্যাহত ৰখা ঐতিহ্যমণ্ডিত নলবাৰী জিলাৰ বাঁহজানীৰ সমিপৱৰ্তী নিজ পকোৱা গাঁৱৰ তাঁতিপাৰা চুবুৰিবাসীয়ে অইনবেলিৰ দৰে এইবেলিও মাঘী পূৰ্ণিমাৰ দিনা চুবুৰিটোৰ শ্ৰীশ্ৰীবিষ্ণু মন্দিৰ প্ৰাংগণত ৰাজহুৱা হোমযজ্ঞৰ আয়োজন কৰিছে। বছৰি মহাপ্ৰভু শ্ৰীশ্ৰীবিষ্ণুৰ পাদপদ্মত এপাহি পুষ্প অৰ্পনেৰে সেৱা-অৰ্চনা জনাই চুবুৰিবাসীয়ে সৰ্বমংগলাৰ্থে অগবঢ়াই আহিছে হোমযজ্ঞভাগ। প্ৰায় পাঁচ শতাধিক বাসিন্দাৰে পৰিপূৰ্ণ চুবুৰিটোৰ প্ৰতিগৰাকী ভক্তপ্ৰাণে মনোকামনা পূৰণাৰ্থে মানস কৰি সন্মিলিতভাৱে নৈবেদ্য প্ৰদান কৰে। সেয়েহে অহা ১ আৰু ২ ফেব্ৰুৱাৰীত দুদিনীয়াকৈ আয়োজন কৰিবলৈ লোৱা উক্ত হোমযজ্ঞৰ কাৰ্যসূচী অনুসৰি এক ফেব্ৰুৱাৰীৰ দিনা পুৱা ৭ বজাত পৰিবেশ প্ৰস্তুতকৰণৰ পিচত মাংগলিক হোমযজ্ঞভাগ আৰম্ভ হ'ব। তাৰপিচত পূৰ্ণাহুতি, শান্তি প্ৰদান, প্ৰসাদ বিতৰণ আৰু ৰাজহুৱা ভোগ বিতৰণ কৰা হ'ব। বিয়লিৰ ভাগত স্থানীয় আয়তীসকলৰ দ্বাৰা নাম-প্ৰসংগ অনুষ্ঠিত হ'ব। সন্ধিয়া শ্ৰীশ্ৰীবিষ্ণু মন্দিৰ প্ৰাংগণত বন্তি প্ৰজ্বলন কাৰ্যসূচীৰে প্ৰথম দিনাৰ কাৰ্যসূচীৰ সামৰণি পৰিব। দুই ফেব্ৰুৱাৰীৰ দিনা পুৱা পৰিবেশ প্ৰস্তুতকৰণৰ পিছত সন্ধিয়া ৬ বজাত নাগাৰা নামৰ শিল্পী জনপ্ৰিয় পাঠক সুভাষ নাথৰ দ্বাৰা নাগাৰা নাম পৰিবেশন কৰা হ'ব। উল্লেখ্য যে, নাগাৰা নাম পৰিৱেশনৰ পূৰ্বে নাগাৰা সূৰ্য ৰামচৰণ ভৰালী আৰু জ্যেষ্ঠ পাঠক ৰবীন বৰ্মনৰ স্মৃতিত শ্ৰীশ্ৰীবিষ্ণু মন্দিৰ প্ৰাংগণত বন্তি জ্বলাই শ্ৰদ্ধা নিৱেদন কৰা হ'ব। সেইদিনাই নিশা দহ বজাত প্ৰসাদ বিতৰণেৰে সামৰণি পৰিব। উক্ত সমূহ কাৰ্যসূচীতে ধৰ্মানুৰাগী লোকৰ উপস্থিতি তথা সহায়-সহযোগিতা কামনা কৰিছে।

# ৰূপাই শাখা সাহিত্য সভাৰ মধ্যকালীন অধিৱেশনৰ সামৰণি



**ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২৮ জানুৱাৰী ঃ** ৰূপাই (শতদল) শাখা সাহিত্য সভাৰ ২০২৫-২৭ বৰ্ষৰ মধ্যকালীন অধিৱেশন খনি ২৮ জানুৱাৰীত শাখাৰ নিজা ভৱনত এদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। পুৱা পতাকা উত্তোলন আৰু স্মৃতি তৰ্পণ কাৰ্যসূচীৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰা হয়। পতাকা উত্তোলন কৰে ৰূপাই (শতদল) শাখা সাহিত্য সভাৰ সভাপতি বেণু বড়াই আৰু স্মৃতি তৰ্পণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে ডুমডুমা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক বীৰেন কোঁৱৰে। ইয়াৰ পাছতে তিনিচুকীয়া জিলা সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য সুখেন নেওগে প্ৰতিনিধি সভা উদ্বোধন কৰে। বেণু বড়াৰ পৌৰোহিত্যত অনুষ্ঠিত প্ৰতিনিধি সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক ৰাতুল গগৈয়ে। সম্পাদকে বিগত বৰ্ষৰ প্ৰতিবেদন পাঠ কৰে। সভাত সম্পাদকে দাখিল কৰা আয়-ব্যয়ৰ হিচাপৰ ওপৰত আলোচনা কৰাৰ পাছত সদনে গৃহীত কৰে। প্ৰতিনিধি সভাৰ অন্তত আৰম্ভ হোৱা মুকলি সভাৰ উদ্বোধন কৰে তিনিচুকীয়া জিলা সাহিত্য সভাৰ সম্পাদক অৰূপ কুমাৰ চাংমায়ে। বেণু বড়াৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক ৰাতুল গগৈয়ে। শাখাৰ সদস্যাসকলে 'চিৰ চেনেহী মোৰ ভাষা জননী' গীতটি পৰিৱেশন কৰি অনুষ্ঠানৰ শুভাৰম্ভ কৰে। সভাপতি বেণু বড়াই আদৰণি ভাষণ প্ৰদান কৰে। সভাত তিনিচুকীয়া জিলা সাহিত্য সভাৰ সভাপতি লম্বেশ্বৰ চেতিয়া, তিনিচুকীয়া জিলা প্ৰতিনিধি মোহন মৰাণ আৰু তিনিচুকীয়া জিলা সাহিত্য সভাৰ সম্পাদক শ্ৰীযুত অৰূপ কুমাৰ চাংমাই বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। সভাত বেণু বড়াৰ গ্ৰন্থ "ভিন্ন চিন্তা ভিন্ন সময়" লম্বেশ্বৰ চেতিয়াই উন্মোচন কৰে। শাখাৰ প্ৰাচীৰ পত্ৰিকা "ভূৰুকা" উন্মোচন কৰে মোহন মৰাণে। সাহিত্যিক পেঞ্চনাৰ যতীন মৰাণ, সৃজনীশীল সাহিত্য বঁটা প্ৰাপক বিকিয়ান বাইলুং, সাংবাদিক পেঞ্চনাৰ মনোজ দত্ত আৰু সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ ভাৰতী হাজৰিকা শ্ৰেষ্ঠ শাখা বঁটা প্ৰাপক ডুমডুমা শাখা লেখিকা সমাৰোহ সমিতিক সম্বৰ্দ্ধনা জনোৱা হয়। বিশিষ্ট সংগীত শিল্পী 'অ' জুৰ মলয়া' শীৰ্ষক চিৰযুগমীয়া গীতৰ স্ৰষ্টা, শিল্পী পেঞ্চনাৰ প্ৰদীপ দহোতীয়াই অনুষ্ঠানত গীত পৰিৱেশন কৰি অনুষ্ঠানটি জীপাল কৰি তোলে। যুৱ কবি কিৰণময়ী বৰাই কবিতা পাঠ কৰি সকলোকে মনোমুগ্ধ কৰে। জাতীয় সংগীত পৰিৱেশনৰে অনুষ্ঠানটিৰ সামৰণি মৰা হয়।

# বিজেপি প্ৰাৰ্থীত্ব প্ৰত্যাশীৰ মত-বিনিময় অনুষ্ঠান

**অসম বাৰ্তা, সোণতলী, ২৮ জানুৱাৰী ঃ** কামৰূপ জিলাৰ ছমৰীয়াৰ বিজেপি প্ৰাৰ্থীত্ব প্ৰত্যাশীৰে এখন মত-বিনময় অনুষ্ঠানৰ আয়োজন কৰে। এই উপলক্ষে কালি বগুৰিগুৰী গাঁও পঞ্চায়তৰ অন্তৰ্গত পথালিপাৰা তিনি আলি চ'কত ছমৰীয়া-সোণতলী মণ্ডল বিজেপিৰ সভাপতি মইদুল ইছলামৰ সঞ্চালনাত এখন মত-বিনিময় অনুষ্ঠান অনুষ্ঠিত কৰে। ছমৰীয়া-সোণতলী মণ্ডল বিজেপিৰ সাধাৰণ সম্পাদক আব্দুছ ছালাম মণ্ডলে এই মত-বিনিময় অনুষ্ঠানৰ উদ্দেশ্য ব্যাখ্যা কৰে। উল্লেখ্য, অনুষ্ঠানত আগন্তক ২৭ নম্বৰ ছমৰীয়া বিধানসভা সমষ্টিৰ নিৰ্বাচনত ভাৰতীয় জনতা পাৰ্টিৰ হৈ প্ৰতিদ্বন্দ্বিতা কৰিব খোজা প্ৰাৰ্থীত্ব প্ৰত্যাশী ডাঃ ছামছুল আলমে ৰাইজৰ আশিস বিচাৰি অতি সৌহাৰ্দতাৰে মত-বিনিময় কৰে। এই মত-বিনিময় অনুষ্ঠানতে বিজেপিৰ প্ৰাৰ্থীত্ব প্ৰত্যাশী ডাঃ ছামছুল আলমে কংগ্ৰেছক তীৰ্যক সমালোচনা কৰি বক্তব্য প্ৰদান কৰে। লগতে বিজেপিৰ কামৰূপ জিলা সংখ্যালঘু মৰ্চাৰ প্ৰাক্তন সভাপতি আনোৱাৰ হুছেইন, ছমৰীয়া-সোণতলী মণ্ডল বিজেপিৰ সভাপতি মইদুল ইছলাম, বাবৰ আলী আৰু অধিবক্তা জেহিৰুল ইছলামে বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত দক্ষিণ কামৰূপ জিলা সংখ্যালঘু মৰ্চাৰ সম্পাদক জালাল উদ্দিন, বুথ সভানেত্ৰী ৰহিমা খাতুন, মাইন উদ্দিন আহমেদ, মেহেৰ আলী, আব্দুছছামাদ আৰু জ্যেষ্ঠ নাগৰিক কাশেম আলীৰ লগতে বিজেপিৰ বহুতো কৰ্মকৰ্তা সকল উপস্থিত থাকে।

# চামগুৰিৰ লাওগাঁও হাইস্কুলত চাইকেল বিতৰণ বিজেপি নেতা নাজিৰ হুছেইনৰ

**অসম বাৰ্তা, ৰূপহীহাট, ২৮ জানুৱাৰী ঃ** চামগুৰি সমষ্টিৰ লাওগাঁও হাইস্কুলত নৱম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত চাইকেল বিতৰণৰ কাৰণে আজি এক সভা অনুষ্ঠিত হয়। উক্ত সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে বিজেপিৰ ৰাষ্ট্ৰীয় সংখ্যালঘু মৰ্চাৰ কাৰ্যনিৰ্বাহক সদস্য তথা চামগুৰি সমষ্টিৰ বিজেপি দলৰ সম্ভাব্য প্ৰাৰ্থী নাজিৰ হুছেইন। সভাখনত বিজেপি নেতাজনে মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনিৰ জৰিয়তে নৱম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত বিনামূলীয়া চাইকেল বিতৰণৰ শুভাৰম্ভ কৰে। নিজৰ ভাষণত বিজেপি নেতাজনে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক প্ৰশংসা কৰে। মুখ্যমন্ত্ৰীৰ এই আঁচনিয়ে সাধাৰণ ছাত্ৰ-ছাত্ৰীৰ জীৱনলৈ নতুন আশাৰ পোহৰ কঢ়িয়াই আনিব বুলি মন্তব্য কৰে। উক্ত অনুষ্ঠানত লাওগাঁও হাইস্কুলৰ প্ৰধান শিক্ষক ছাইদুল ইছলাম, বিদ্যালয় পৰিচালনা



সমিতিৰ সভাপতি জিয়াবুৰ ৰহমান, উদ্যোগপতি ছফিকুল ইছলাম, বিজেপি গড়াজান মণ্ডলৰ সভাপতি আনিচুজ জামান, সম্পাদক আব্দুল কৰিমৰ লগতে বহু বিজেপি দলৰ কাৰ্যকৰ্তা উপস্থিত থাকে।

# অবৈধ মাদক দ্ৰব্য আৰু উৎপাদন কেন্দ্ৰসমূহৰ ওপৰত ব্যৱস্থা গ্ৰহণৰ দাবীৰে আটছাৰ স্মাৰক পত্ৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, সৰুপথাৰ, ২৮ জানুৱাৰী ঃ** সৰুপথাৰ সমজিলাত উদ্বেগজনকভাৱে বৃদ্ধি পাইছে অবৈধভাৱে চুলাই মদ আদিৰ দৰে মাদক দ্ৰব্য বিক্ৰী আৰু উৎপাদন কেন্দ্ৰ। অসম চাহ জনজাতি ছাত্ৰ সন্থা কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়া সকলৰ অভিযোগ মতে এনেধৰণৰ অনৈতিক কাৰ্যকলাপৰ বাবেই সমজিলাখনত বহুকেইটা শোকাবহ তথা দুৰ্ভাগ্যজনক ঘটনা সংঘটিত হৈছে। শেহতীয়াকৈ অঞ্চলসমূহত বৃদ্ধি পোৱা দুৰ্ঘটনা, অনৈতিক কাৰ্যকলাপ, যুৱ উচ্ছৃঙ্খলতাৰ মূলতেও এনে দ্ৰব্য সমূহৰ যথেষ্ট প্ৰভাৱ পৰিলক্ষিত হয়। সন্ধিয়া নামি অহাৰ লগে লগেই কিছু কিছু গাঁৱৰ ঠাই বিশেষে উঠি অহা যুৱকসকলৰ উদ্ভণ্ডালীয়ে পৰিৱেশ বিনষ্ট কৰিছে। আনহাতে গাঁও সমূহত দৈনিক বৃদ্ধি পাইছে অবৈধভাৱে বিক্ৰী কৰা চুলাই ঘাটিৰ সংখ্যা। যাৰবাবে উঠি অহা ল'ৰা-ছোৱালী বেয়াৰ ফালে গতি কৰিছে আৰু সৰ্বসাধাৰণ মানুহ সুখে শান্তিৰে থকাৰ পৰিৱেশ নাইকিয়া হৈছে। সেয়েহে সৰুপথাৰ সমিজলাত অবৈধভাৱে চলি থকা মাদক দ্ৰব্য বিক্ৰী আৰু উৎপাদনৰ কেন্দ্ৰসমূহৰ ওপৰত ব্যৱস্থা গ্ৰহণৰ দাবীৰে ২৮জানুৱাৰী তাৰিখ বুধবাৰে অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ এটা দলে সৰুপথাৰ সমজিলা আয়ুক্ত মানস জ্যোতি নাথৰ হাতত এখনি স্মাৰক পত্ৰ প্ৰদান কৰে। আটছাৰ মতে এনেধৰণৰ অবৈধ বেপাৰসমূহ এতিয়াই উৎখাত কৰি শেষ নকৰিলে ভৱিষ্যতে পৰিৱেশ আৰু বেয়াৰ ফালে গতি কৰিব।

# নীলবাগানত অগপৰ সভা; ধৰ্মীয় সংখ্যালঘু হোজাই জিলা সমিতিৰ অভিৱৰ্তন, নতুন কমিটি গঠন

### বিন্নাকান্দি সমষ্টিত অগপই খেলিব নিৰ্বাচন

**অসম বাৰ্তা, ডবকা, ২৮ জানুৱাৰী ঃ** ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰ দিন যিমানেই চমু চাপি আহিছে সিমানেই বিভিন্ন ৰাজনৈতিক দলৰ নিৰ্বাচনী তৎপৰতা বৃদ্ধি পাইছে। পিছপৰি থকা নাই ৬২ নং বিন্নাকান্দি বিধানসভা সমষ্টি। বিগত প্ৰায় বিছ বছৰ ধৰি আজমলৰ দখলত থকা সমষ্টিটো এই বাৰ উদ্ধাৰ কৰিবলৈ উঠি পৰি লাগিছে কংগ্ৰেছ, অগপ আৰু শাসকীয় বিজেপি দল। আকৌ আজমলে সমষ্টিটো নিজৰ দখলত ৰাখিবলৈ সমষ্টিৰ চুকে কোণে দলীয় সভা আৰম্ভ কৰি প্ৰচাৰ চলাই গৈছে। আজমলৰ সমান্তৰালকৈ আন আন ৰাজনৈতিক দলসমূহে নিজৰ নিজৰ দলীয় সভা অনুষ্ঠিত কৰি প্ৰচাৰ চলাই গৈছে। কালি বিন্মাকান্দিৰ নীলবাগানত অগপৰ অসম ধৰ্মীয় সংখ্যালঘু কেন্দ্ৰীয় সমিতিৰ উদ্যোগত আৰু হোজাই জিলা সমিতিৰ সহযোগত অসম ধৰ্মীয় সংখ্যালঘু পৰিষদৰ হোজাই জিলা অভিৱৰ্তন অগপৰ হোজাই জিলা সভাপতি মহাম্মদ আলীৰ পৌৰোহিত্যত অনুষ্ঠিত হয়। উক্ত সভাত ধৰ্মীয় সংখ্যালঘু পৰিষদৰ হোজাই জিলা সমিতি গঠন কৰা হয়। ধৰ্মীয় সংখ্যালঘু পৰিষদৰ হোজাই জিলা সমিতিৰ সভাপতি হিচাপে জিয়া উদ্দিন আহমেদ, কাৰ্যকৰী সভাপতি হুছেইন আহমেদ, সাধাৰণ সম্পাদক ফিৰুজ আহমেদ আৰু তাইজুল ইছলামক লৈ ৩১ জনীয়া এখন শক্তিশালী সমিতি গঠন কৰা হয়। উক্ত অনুষ্ঠানত কেন্দ্ৰীয় কমিটিৰ অসম ধৰ্মীয় সংখ্যালঘু পৰিষদৰ সাধাৰণ সম্পাদক - মাণিক হুছেইন আৰু সম্পাদক ইদ্ৰিছ আলী, অগপৰ




কেন্দ্ৰীয় সমিতিৰ সম্পাদক ভাস্কৰ বড়ো সহ অন্যান্য সকল উপস্থিত থাকি বক্তব্য আগবঢ়ায়। অনুষ্ঠানত বক্তা সকলে কয়-আগন্তুক নিৰ্বাচনত হোজাই, লামডিং বিধানসভা সমষ্টিৰ বিজেপি দলৰ পৰা প্ৰাৰ্থী দিয়া হ'ব আৰু সংখ্যালঘু অধ্যুষিত অঞ্চল হিচাপে পৰিচিত বিন্নাকান্দি সমষ্টিত এইবাৰ অগপ দলৰ পৰা প্ৰাৰ্থীত্ব প্ৰদান কৰা হ'ব বুলি জিলা সভাপতিৰ লগতে কেন্দ্ৰীয় নেতৃত্বই মন্তব্য কৰে। লগতে জিলা সভাপতি আলহাজ মহাম্মদ আলী আৰু প্ৰাৰ্থীত্ব প্ৰত্যাশী জিয়া উদ্দিনে সংবাদ মাধ্যমৰ আগত মন্তব্য কৰি কয়-এইবাৰ বিজেপিয়ে আমাক এই সমষ্টিটো এৰি দিব অগপ দলক আৰু আমাৰ প্ৰাৰ্থী যিজনেই হওক জয় নিশ্চিত বুলি দাবী কৰে।

### বাহনসহ দুজনক আটক

# চামগুৰিৰ সোণাৰীবালিত পুনৰ ৬৮টা চোৰাং গৰু জব্দ

**অসম বাৰ্তা, পুৰণিগুদাম, ২৮ জানুৱাৰী ঃ** নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ আৰক্ষীয়ে আজি সোণাৰীবালি অঞ্চলৰ ৰাষ্ট্ৰীয় ঘাইপথত চোৰাং গৰুৰ বিৰুদ্ধে অভিযান চলাই ৬৮ টাকৈ চোৰাং গৰুসহ দুখন গাড়ী জব্দ কৰাৰ লগতে দুজন সৰবৰাহকাৰীক আটক কৰিবলৈ সক্ষম হয়। জানিব পৰা মতে, চামগুৰি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী পৰিদৰ্শক অৰূপ পাঠকৰ নেতৃত্বত আৰু উপপৰিদৰ্শক ঘনকান্ত ৰাভাৰ সহযোগত এটা আৰক্ষী দলে এক গোপন খবৰৰ ভিত্তিত সোণাৰীবালি অঞ্চলৰ ১২৭ নং ৰাষ্ট্ৰীয় ঘাইপথত আজি দুপৰীয়া ১১-২০মান বজাত চোৰাং গৰুৰ বিৰুদ্ধে অভিযান চলায়। পৰৱৰ্তী সময়ত চামগুৰি আৰক্ষী থানাৰ আৰক্ষীৰ দলটোৱে অভিযান চলাই থকাৰ সময়ত কলিয়াবৰ দিশৰ পৰা নগাঁও অভিমুখে আহি থকা এম- এইছ- ১২- এল- টি- ৯৯৭৩ নম্বৰ আৰু এ-এছ-২৫-ই-চি-০৩৮৩ নম্বৰৰ চোৰাং গৰু ভৰ্তি কণ্টেইনাৰ গাড়ী দুখন আৰক্ষীৰ দলটোৱে জব্দ কৰে। পৰৱৰ্তী সময়ত গাড়ী দুখনৰ পৰা আৰক্ষীৰ দলটোৱে ৬৮টা চোৰাং গৰু উদ্ধাৰ কৰিবলৈ সক্ষম হয় বুলি আৰক্ষীৰ এক সূত্ৰই জানিবলৈ দিয়ে। আনহাতে, আৰক্ষীৰ দলটোৱে অভিযান চলোৱাৰ সময়ত গাড়ী দুখনৰ চালক আৰু পৰিচালকে পলায়ন কৰে যদিও ৰূপহীহাট আৰক্ষী থানাৰ অধীনৰ ঔঅনাৰ আফজাৰুল ইছলাম (২৯) আৰু তেলীয়াচাপৰিৰ আনোৱাৰ হুছেইন (২৭)ক আটক কৰে বুলি জানিব পৰা গৈছে। আৰক্ষীয়ে আজি আটক কৰা চোৰাং গৰু সৰবৰাহকাৰী দুজনক আৰু অধিক তথ্যৰ বাবে চামগুৰি আৰক্ষী থানাত জেৰা অব্যাহত ৰখাৰ লগতে গাড়ী দুখনৰ পৰা উদ্ধাৰ কৰা চোৰাং গৰুকেইটা পৰৱৰ্তী সময়ত নগাঁও বেঙেনাআটিস্থিত জ্যোতি গো-শালালৈ প্ৰেৰণ কৰে বুলি আৰক্ষীৰ এক সূত্ৰই জানিবলৈ দিয়ে।

# লক্ষাধিক ভাওনাপ্ৰেমীৰ সমাগমেৰে সামৰণি পৰিল

নোৱাৰে। সেয়ে আমাক এই শিক্ষা দিয়ে ভাওনাই। ভাওনাক যথাৰ্থতে অনুশীলন কৰিলে আমি নিজেই নিজক নিয়ন্ত্ৰিত কৰিব পাৰিম। যোৱা ১৮ জানুৱাৰীৰ পৰা ১১ দিনীয়া কাৰ্যসূচীৰে মাজুলীৰ আউনীআটী সত্ৰৰ মণিকাঞ্চন ৰংগক্ষেত্ৰত অনুষ্ঠিত হোৱা অসম ভাওনা সমাৰোহ-২০২৬ৰ আজি সমাৱৰ্তন আৰু বঁটা বিতৰণী অনুষ্ঠানৰ সঞ্চালনা কৰি অসম ভাওনা সমাৰোহ উদ্‌যাপন সমিতিৰ সভাপতি তথা আউনীআটী সত্ৰৰ অধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামীয়ে এনেদৰে কয়। সত্ৰাধিকাৰ গৰাকীয়ে আৰু কয় যে-ভাওনাৰ প্ৰাসংগিকতা আছে, ভাওনা কেৱল প্ৰতিযোগিতা, সমাৰোহৰে আহিলা নহয়। ভাওনাই আমাক সঁচাকৈয়ে জীৱনৰ মাধুৰ্য্যতা প্ৰদান কৰিব পাৰে, জীৱন শৃংখলিত কৰিব পাৰে, ভাওনাই আমাক উচিত শিক্ষা প্ৰদান কৰিব পাৰে বুলি উল্লেখ কৰে। ভাওনাৰ আংগিক, বাচিক, আহাহ্য, সাত্বিক উপাদান সমূহৰ বিস্তৃত ব্যাখ্যা কৰি সত্ৰাধিকাৰ গৰাকীয়ে আজিৰ ভাওনাত ভাওনাৰ মূল উপাদান সাত্বিক ভাৱ প্ৰকাশ কৰাত কেতিয়াবা ভাও-ভাৱৰীয়াসকল ব্যৰ্থ হয় বুলি উল্লেখ কৰে আৰু সাত্বিকৰ ৮টা ভাগৰ বিস্তৃত ব্যাখ্যাৰে সত্ৰাধিকাৰে সাত্বিকৰ আঠটা ভাগ ভাওনাত প্ৰতিফলিত হ'লে ভাওনা উপভোগ্য হৈ উঠে বুলি তেওঁ উল্লেখ কৰে। তেওঁ আৰু কয় যে সাতামপুৰুষীয়া ঐতিহ্য পৰম্পৰাক সন্মুখত ৰাখি আধুনিকতাৰ লগত খাপ খুৱাই পৰিৱৰ্তনশীল অৱস্থাটো গ্ৰহণ কৰিলে ভাওনা সুৰক্ষিত হৈ থাকিব। মূল ভাওনাৰ মন্ত্ৰ দিওঁতা শ্ৰীমন্ত শংকৰদেৱৰ সৃষ্ট অংকীয়া ভাওনাক আধাৰ হিচাপে লৈ মাতৃভাষা ভাওনাৰ দ্বাৰা বৰ্তমানৰ সমাজত ভাওনাৰ দ্বাৰা বাৰ্তা দিয়াৰ চেষ্টা কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে। সত্ৰাধিকাৰ ড° গোস্বামীয়ে কয় যে-ইতিমধ্যে ১১ দিনীয়া ভাওনাৰ কাৰ্যসূচীত প্ৰতিদিনে হাজাৰ হাজাৰ ভাওনা প্ৰেমীয়ে তন্ময় ভাৱেৰে ভাওনা উপভোগ কৰাৰ লগতে কালি ভাওনাত অভিলেখ সংখ্যক ১ লাখ ৰাইজে ভাওনা উপভোগ কৰা বুলি উল্লেখ কৰি কৰে। নিৰ্দিষ্ট কিছু অনুষ্ঠানক বাদ দি অসমৰ কোনো অনুষ্ঠানতে ইমান দৰ্শকৰ প্ৰয়োভৰ দেখা নাই কিন্তু একমাত্ৰ অসম ভাওনা সমাৰোহত অতি শান্তিপূৰ্ণ ভাৱে ইমান সংখ্যক দৰ্শকে একেলগে একেটা নামঘৰত, একেখন থলীতে সমন্বয়ৰ বাৰ্তা কঢ়িয়াই ভাওনা উপভোগ কৰিলে বুলি তেওঁ উল্লেখ কৰে। ভাওনা সমাৰোহে মানুহক কেনেদৰে পৰিশীলিত জীৱন দিয়ে ভাওনা সমাৰোহ তাৰেই উদাহৰণ বুলি লগতে উল্লেখ কৰে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে যি উদ্দেশ্যে ভাওনা আমাক দি থৈ গৈছিল সেই উদ্দেশ্য প্ৰকৃততে ভাওনা সমাৰোহত সেয়া প্ৰতিফলিত হৈছে। মহাপুৰুষজনাই কোৱা লোকসংগ্ৰহ, লোক স্থিতি, লোকৰঞ্জক এই তিনিওটা কথাই ইয়াত আছে বুলিও তেওঁ উল্লেখ কৰে। গাঁৱে-ভূঞে নগৰে-চহৰে যদি ভাওনাৰ বাৰ্তা সঁচা অৰ্থত প্ৰতিফলিত ঘটাব পাৰোঁ তেনে আমাৰ সমাজত থকা অসূয়া-অপ্ৰীতি নিশ্চিত ভাৱে নাইকিয়া হব যিটো সমন্বয়ৰ বিপৰীতে ভাগ ভাগ কৰাৰ চিন্তা দূৰ হ'ব বুলি তেওঁ উল্লেখ কৰে। ভাওনা সমাৰোহৰ প্ৰধান সম্পাদক তুলসী ৰাজখোৱা আৰু দীপক বৰুৱাই আঁত ধৰা সমাৱৰ্তন অনুষ্ঠানত প্ৰথমে শিল্পী অৰ্চনা কৌশিকে মংগলাচৰণ পৰিৱেশন কৰে। বিশিষ্ট ব্যক্তিৰ আদৰণি অনুষ্ঠানৰ পিছতেই আউনীআটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° প্ৰকাশ জ্যোতি বৰঠাকুৰে সমাৰোহৰ সমাৱৰ্তন আৰু বঁটা বিতৰণী সভাৰ উদ্বোধন কৰি মূলতঃ কয় ভাওনা সমাৰোহ এক অনুষ্ঠানিক আয়োজন নহয় ই অসমীয়া জাতিৰ আধ্যাত্মিক আৰু সাংস্কৃতিক পৰম্পৰাৰ এক মহান পবিত্ৰ উৎসৱ বুলি উল্লেখ কৰে। তেওঁ শ্ৰীমন্ত শংকৰদেৱে উপহাৰ দিয়া এই ভাওনা এক অনবদ্য নাট্য আৰু ধাৰা এই ভাওনাৰ জৰিয়তে ভক্তি, নৈতিকতা, মানৱতা, মূল্যবোধ, সমানতা আৰু ঈশ্বৰ প্ৰেমৰ মহান বাণী অতি সহজ আৰু সৰল ভাষাৰে সাধাৰণ মানুহলৈ প্ৰেৰণ কৰিছে বুলি তেওঁ উল্লেখ কৰে। সমাৰোহ উদযাপন সমিতিৰ প্ৰধান সম্পাদক তুলসী ৰাজখোৱাই সভাৰ আনুষ্ঠানিক উদ্দেশ্য ব্যাখ্যা কৰাৰ পিছতেই বিশিষ্ট ঘোষক দীপক বৰুৱাই আনুষ্ঠানিকভাৱে অসম ভাওনা সমাৰোহৰ ফলাফল সমূহ অনুষ্ঠানত ঘোষণা কৰে। ঘোষণা কৰা ফলাফলৰ ভিতৰত স্থান প্ৰাপ্ত শ্ৰেষ্ঠ ভাওনা দল সমূহ ক্ৰমে চক্ৰবেহুত অভিমন্যু, সিন্ধুৰাজ পতনে (মণিকাঞ্চন ভাওনা দল, আমগুৰি, শিৱসাগৰ) প্ৰথম শ্ৰেষ্ঠ দল, শ্ৰী ৰামৰ তাৰকা নিধনে (গুৰু শংকৰ নাট্য গোষ্ঠী, কলাচুক, ৰংদৈ) দ্বিতীয় শ্ৰেষ্ঠ দল, মচুকুন্দৰ জনাৰ্দন দৰ্শন, জৰাসন্ধৰ মুক্তি লাভ (প্ৰগতিশীল সাংস্কৃতিক যুৱক সংঘ, টীয়ক) তৃতীয় শ্ৰেষ্ঠ দল, কাম্যক নন্দিনী (কলাগুৰু শিল্পী সমাজ, গোহাঁই টেকেলা গাঁও, যোৰহাট) চতুৰ্থ শ্ৰেষ্ঠ দল, মৰুৎ যজ্ঞ (নটবৰ সাংস্কৃতিক সমাজ, মাজুলী) পঞ্চম শ্ৰেষ্ঠ দল, ৰুক্মাংগদৰ ধৰ্ম পৰীক্ষা (সিন্ধুৰা শিল্পী সমাজ, মাজুলী) ষষ্ঠ শ্ৰেষ্ঠ দল, কৈকেশী নন্দনৰ লংকা লাভ, বেদৱতী অভিশাপ (সপ্তৰথী শিল্পী সমাজ, তিতাবৰ) সপ্তম শ্ৰেষ্ঠ দল আৰু সীতা হৰণ, জটায়ু মোক্ষমে (পাৰিজাত সাংস্কৃতিক গোষ্ঠী, ৰূপনগৰ, ডিব্ৰুগড়) অষ্টম শ্ৰেষ্ঠ দলৰ খিতাপ লাভ কৰে। ইয়াৰ পিছতেই সমাৰোহৰ মুঠ ২০খন প্ৰতিযোগিতামূলক ভাওনাত বিচাৰক হিচাপে থকা অন্যতম দুই বিচাৰক জয়ন্ত বৰা আৰু জয়ন্ত শইকীয়াই বিচাৰকৰ একাষাৰত সমাৰোহৰ সমগ্ৰ বিচাৰ প্ৰক্ৰিয়াৰ সন্দৰ্ভত বক্তব্য দাঙি ধৰে। সভাত অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ সভাপতি পলাশ চাংমাই বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি কয় মূলতঃ কয় ভাওনা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ কালজয়ী সৃষ্টি। ভাওনা অসমীয়া বৈষ্ণৱ সাহিত্যত ইয়াৰ গুৰুত্ব কিমান সেয়া আমি সকলোৱে উপলব্ধি কৰাটো উচিত। এই স্বয়ং সম্পূৰ্ণ সৃষ্টিৰাজিক উজ্জীৱিত ৰূপত প্ৰকাশ কৰি আউনীআটী সত্ৰ তথা সত্ৰৰ সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামীয়ে যি নেতৃত্ব লৈছে, যি দায়িত্ব লৈছে সেই নেতৃত্ব আৰু দায়িত্ব মই ভাবোঁ যে আমাৰ ৰাজ্যখনৰ কাৰণে বা এই ভাওনা সংস্কৃতিৰ কাৰণে অতিকে প্ৰশংসনীয় এটা দায়িত্ব বা কৰ্তব্য বুলি উল্লেখ কৰে। তেওঁ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ভাওনা সংস্কৃতিৰ বিষয় মহাবিদ্যালয়, বিশ্ববিদ্যালয়ৰ শ্ৰেণীকোঠাত আলোচনাৰ পোষকতা কৰে। ইয়াৰ পিছতেই ৰাম নিৰালাৰ গুণমালা নেপালী সংস্কৰণ গ্ৰন্থ সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামীয়ে আনুষ্ঠানিকভাৱে সভাতে উন্মোচন কৰে। উন্মোচন কৰি তেওঁ অসমীয়া ভাষা আৰু অসমীয়া জাতিৰ পৰা নেপালী সমাজ কেতিয়াও পৃথক নহয়—এই সত্যটো এই গ্ৰন্থখনৰ যোগেদি স্পষ্টভাৱে প্ৰতিপন্ন কৰা হৈছে। সমন্বয়, সম্প্ৰীতি আৰু সহাবস্থানৰ শক্তিশালী বাৰ্তা বহন কৰা এই গ্ৰন্থখনে বহুভাষিক-বহুজাতিক অসমীয়া সমাজৰ ঐক্যবোধক অধিক সুদৃঢ় কৰিব বুলি উল্লেখ কৰে। ইয়াৰ পিছতেই আনুষ্ঠানিকভাৱে সমাৰোহৰ সৰ্বোচ্চ সন্মান ভাওনা ৰত্ন বঁটা দুলীয়াজানৰ বিশিষ্ট অভিনেতা, সাংস্কৃতিক কৰ্মী মাণিক গোস্বামীক সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামীয়ে প্ৰদান কৰে। উক্ত বঁটাত নগদ ৫ হাজাৰ টকা সহ শৰাই সম্বৰ্ধনা পত্ৰ, বেতৰ বিচনী, স্মাৰক, অংগ বস্ত্ৰ আছে। ইফালে ইয়াৰ পিছতে সমাৰোহৰ ভাওনা মহিয়ান বঁটা যোৰহাটৰ বলিষ্ঠ অভিনেতা ৰাকেশ লোচন বৰাক সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামীয়ে প্ৰদান কৰে। সত্ৰৰ ডেকাধিকাৰ দেৱানন্দ দেৱ গোস্বামীয়ে বঁটা প্ৰদানত সহযোগিতা আগবঢ়ায়। ইফালে একেখন সভাতে একক অভিনয়ৰ জৰিয়তে বাছনি কৰা চন্দ্ৰ মণি গগৈক সমাৰোহৰ ভাওনা সূৰ্য গোৱিন্দ স্বৰ্ণ পদক আৰু যোৰহাটৰ সুকণ্যা বৰাক ভাওনা চন্দ্ৰ গোৱিন্দ স্বৰ্ণ পদক সত্ৰাধিকাৰে আনুষ্ঠানিকভাৱে প্ৰদান কৰে। ইয়াৰ পিছতেই যথাক্ৰমে দলীয় ভাৱে শ্ৰেষ্ঠ ভাওনা দলৰ খিতাপ লাভ কৰা আঠটা ভাওনা দলক পুৰস্কাৰ সমূহ প্ৰদান কৰে। ভাওনাৰ প্ৰথম শ্ৰেষ্ঠ দলক সোণৰ পদক সহ ৭১ হাজাৰ টকা, দ্বিতীয় শ্ৰেষ্ঠ দলক সোণৰ পদক সহ ৬১ হাজাৰ টকা, তৃতীয় শ্ৰেষ্ঠ দলক সোনৰ পদক সহ ৫১ হাজাৰ টকা প্ৰদান কৰাৰ লগতে দলীয় তথা একক ভাৱে বঁটা লাভ কৰা বাকীসকলকো নগদ ধন আৰু ট্ৰফীৰে বঁটা প্ৰদান কৰে। ইফালে সমাৰোহৰ সমাৱৰ্তনতে বিশিষ্ট ভাস্কৰ্য শিল্পী, কলা নিৰ্দেশক নুৰুদ্দিন আহমেদক অসম ভাওনা সমাৰোহে আজি আনুষ্ঠানিকভাৱে ভাস্কৰ্য ৰত্ন উপাধি প্ৰদান কৰে। সমাৰোহৰ হৈ সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামীয়ে পদ্মশ্ৰী বঁটাৰ বাবে নিৰ্বাচিত শিল্পী গৰাকীক এই উপাধি আনুষ্ঠানিকভাৱে প্ৰদান কৰে। অনুষ্ঠানত আটাইকেইগৰাকী ভাওনাৰ বিচাৰকৰ লগতে শিল্পী গোলাপ বৰুৱা বৰবায়নকো সম্বৰ্ধনা জনায়। সভাত সদৌ অসম ছাত্ৰ সন্থাৰ সাংস্কৃতিক সম্পাদক বিতোপন শৰ্মা, জিলা সাংবাদিক সন্থাৰ সভাপতি দিবাকৰ শইকীয়া, মাজুলী জিলা আপকুৰ সভাপতি ৰঞ্জন বৰা, মাজুলী জিলা ভাওনা সন্মিলনৰ সভাপতি প্ৰভাত বৰা বুঢ়াভকত, মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়া, জিলা সাহিত্য সভাৰ সভাপতি প্ৰফুল্ল বৰুৱা, জিলা মহিলা সমিতিৰ সভানেত্ৰী সুভদ্ৰা শইকীয়া বৰা, জিলা যুৱ ছাত্ৰ পৰিষদৰ সভাপতি মুনিন্দ্ৰ ভূঞা, বিশিষ্ট সত্ৰীয়া শিল্পী কৰুণা বৰা, মাজুলী জিলা নাট্য সন্মিলনৰ সম্পাদক সমীৰণ গোস্বামী, গুৱাহাটী ভাওনা সন্মিলনীৰ সভাপতি জয়ন্ত ডেকা, সম্পাদিকা বন্দনা বৰঠাকুৰ, সদস্য প্ৰদীপ কলিতা, বৰএলেঙী সত্ৰৰ অধিকাৰ চন্দন গোস্বামী উপস্থিত থাকে। ইফালে বিয়লি ৪.৩০ বজাৰ পৰা সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামীৰ সঞ্চালনাত মাজুলীৰ জনজাতীয় লোকসকলৰ লগত 'সমন্বয় সেতু' শীৰ্ষক এক ব্যতিক্ৰমী অনুষ্ঠান অনুষ্ঠিত হয়। ইফালে আজি নিশা সমাৰোহৰ সামৰণি ভাওনা বোকাবিল গাঁৱৰ শিল্পীবৃন্দই মিচিং ভাষাত 'সীতাহৰণ বালি বধ' ভাওনা প্ৰদৰ্শন কৰে।

# গৌৰৱ গগৈৰ ভূতে খেদি থাকে মুখ্যমন্ত্ৰীক, সাহস

নিৰ্দেশ দিয়াৰ অভিযোগ তুলি ৮ ফেব্ৰুৱাৰীত ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ আগত সবিশেষ প্ৰকাশ কৰাৰ ঘোষণা কৰাৰ পিছতে কংগ্ৰেছৰ জ্যেষ্ঠ নেতাসকলে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। বিৰোধী দলপতি দেৱব্ৰত শইকীয়া আৰু অসম মহিলা কংগ্ৰেছৰ সভানেত্ৰী মীৰা বৰঠাকুৰে মুখ্যমন্ত্ৰীক কঠোৰ ভাষাৰে সমালোচনা কৰি গৌৰৱ গগৈৰ সৈতে টিভি বিতৰ্কত অৱতীৰ্ণ হ'বলৈ আহ্বান জনাইছে। দেৱব্ৰত শইকীয়াই মুখ্যমন্ত্ৰীৰ ঘোষণাক কটাক্ষ কৰি কয় যে মুখ্যমন্ত্ৰীৰ আন কোনো বিষয় নাই, জনতাৰ সমস্যাসমূহ এৰাই চলিবলৈ গৌৰৱ গগৈক লৈ ব্যস্ত হৈ পৰিছে। তেওঁ কয়, "কোনখন পঞ্জিকা চাই ৮ তাৰিখৰ কথা কৈ আছে মুখ্যমন্ত্ৰীয়ে? গৌৰৱ গগৈৰ বিৰুদ্ধে কথা কৈয়েই নিৰ্বাচন পাৰ কৰাৰ ইচ্ছা মুখ্যমন্ত্ৰীৰ।" ভোটাৰ তালিকাৰ পুনৰীক্ষণত 'মিঞাক হাৰাশাস্তি'ৰ নিৰ্দেশৰ অভিযোগক লৈ শইকীয়াই কয় যে মুখ্যমন্ত্ৰীয়ে ফটুৱা কথা কয়, তেনে কথাত প্ৰতিক্ৰিয়া দিয়াৰ প্ৰয়োজন নাই। তেওঁ লগতে কয়, "তেওঁ কিহৰ ডক্টৰ? মানুহৰ নে গৰুৰ ড"ৰতো নহয়। কিতাপ পঢ়া ড"ৰে এনে কথা কয় নেকি?" শইকীয়াই মুখ্যমন্ত্ৰীক গৌৰৱ গগৈৰ সৈতে টিভি শ্ব'ত একেলগে বহিবলৈ আহ্বান জনাই কয়, "যদি সাহস আছে, গৌৰৱ গগৈ আৰু হিমন্ত বিশ্ব শৰ্মাই টিভিৰ আগত একেলগে বহক।" মীৰা বৰঠাকুৰে মুখ্যমন্ত্ৰীক তীব্ৰ কটাক্ষ কৰি কয় যে গৌৰৱ গগৈৰ ভূতে খেদি থকা কাৰণে হিমন্ত বিশ্ব শৰ্মাই যি-তি কৈ থাকে। "ভয়ে পাইছে, জ্বৰে খাইছে হিমন্ত বিশ্ব শৰ্মাক।" তেওঁ লগতে কয় যে মুখ্যমন্ত্ৰীয়ে ৰাহুল গান্ধীৰ body double উলিয়াব পাৰিলেনে? গৌৰৱ গগৈৰ পাকিস্তান লিংক থাকিলে অমিত শ্বাহে ঘোঁৰাৰ ঘাঁহ কাটি আছে নেকি? ৰিণিকি ভূঞাৰ সম্পত্তি বৃদ্ধিৰ কথা ওলালেই পাকিস্তানৰ কথা কয়। মীৰা বৰঠাকুৰে মুখ্যমন্ত্ৰীক হিন্দী চিনেমাৰ অমৰীশ পুৰীৰ সৈতে তুলনা কৰি কয়, "এইবাৰ অমৰীশ পুৰীয়ে পানী খোৱাৰ নিচিনাকৈ পানী খাই যাব মুখ্যমন্ত্ৰীয়ে।" তেৰোঁ গৌৰৱ গগৈৰ সৈতে টিভিত মুখামুখি বিতৰ্কৰ বাবে মুখ্যমন্ত্ৰীক আহ্বান জনাইছে। বিজেপিয়ে ৰাষ্ট্ৰপতিৰ অনুষ্ঠানত ৰাহুল গান্ধীয়ে অসমীয়া গামোচাক অপমান কৰা বুলি অভিযোগ তুলিছে। দেৱব্ৰত শইকীয়াই প্ৰত্যুত্তৰত কয় যে যিকোনো বস্তু গামোচা নহয়। "গামোচাৰ GI TAG আছে, এইখন গামোচা নেকি? গামোচাৰ নামত ভুচুং এখন উলিয়াই দিছে। তেওঁলোকে মিছাতে অসমৰ কাৰণে কান্দি কান্দি ব্ৰহ্মপুত্ৰৰ Water Level High কৰিছে।" মীৰা বৰঠাকুৰেও কয় যে গামোচাৰ নামত অন্য কাপোৰ লৈ গামোচাক বিকৃত কৰি অপমান কৰিছে বিজেপিয়ে। এই সকলোবোৰৰ মাজতে অসমত ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ তীব্ৰতৰ হৈ পৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কংগ্ৰেছৰ অৱস্থা বেয়া হ'ব বুলি ভৱিষ্যদ্বাণী কৰিছে, আনহাতে কংগ্ৰেছে ঐক্যবদ্ধ হৈ প্ৰত্যাহ্বান জনাইছে।

# নিৰ্বাচনত কংগ্ৰেছৰ অৱস্থা বহুত বেয়া হ'ব ঃ

উদ্যমিতা আঁচনিৰ পুঁজি বিতৰণ সভাত অংশগ্ৰহণ কৰি সাংবাদিকৰ সৈতে কথা পাতি তেওঁ এই মন্তব্য কৰে। তেওঁ কয় যে কংগ্ৰেছক মাত্ৰ এটা কমিউনিটীয়ে সমৰ্থন কৰে আৰু বিৰোধীৰ কোনো স্থিতি নাই। মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে যে তেওঁ ইতিমধ্যে ৮০টা মিটিং কৰিছে আৰু ৰাইজৰ মাজত বহুত দিন থাকি জনতাৰ মনোভাৱ বুজি পাইছে। "এইবাৰ কংগ্ৰেছৰ অৱস্থা বহুত বেয়া হ'ব। বহুত বেয়া অৱস্থা হ'ব।" সভাত মুখ্যমন্ত্ৰীয়ে ৰঙানদী সমষ্টিত ২৫ হাজাৰ মহিলাক মহিলা উদ্যমিতা আঁচনিৰ অধীনত চেক বিতৰণ কৰে। ৰাজ্যৰ ৯৬টা সমষ্টিত ইতিমধ্যে এই পুঁজি বিতৰণ সম্পন্ন হৈছে আৰু বাকী ৩০টা সমষ্টিতো শীঘ্ৰে কৰা হ'ব বুলি ঘোষণা কৰে। কংগ্ৰেছ নেতা গৌৰৱ গগৈৰ 'বৰ অসম নিৰ্মাণ'ৰ সংকল্পক আক্ৰমণ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে গৌৰৱ গগৈৰ ল'ৰা-ছোৱালী দুটাক প্ৰথমে অসমীয়া কৰক। "তেওঁ যদি অসম আৰু অসমীয়াক ভাল পালেহেঁতেন। প্ৰথম ল'ৰা-ছোৱালী দুটাক অসমীয়া কৰক। যিজনৰ ল'ৰা-ছোৱালী অসমীয়া নহয়, তেওঁ বৰ অসম নিৰ্মাণৰ নাম কেনেকৈ ল'ব পাৰে? তেওঁৰ বৰ অসমত কেৱল মিঞাবিলাকেই থাকিব।" তেওঁ লগতে কয় যে গৌৰৱ গগৈ উজনি অসমৰ সমষ্টিবোৰৰ নামো নাজানে আৰু তেওঁ এজন টুৰিষ্টৰ দৰে অহা-যোৱা কৰে। "তেওঁৰ অসমৰ প্ৰতি কোনো দায়বদ্ধতা নাই।" অখিল গগৈৰ মুখ্যমন্ত্ৰীৰ বাসগৃহ সন্দৰ্ভত মন্তব্যক লৈ মুখ্যমন্ত্ৰীয়ে কয় যে অসমত মুখ্যমন্ত্ৰীৰ বাসগৃহ এটা লাগে আৰু কোন মুখ্যমন্ত্ৰী হ'ব সেইটো কোনেও নাজানে। "অখিল গগৈ নিশ্চিত যে মইহে মুখ্যমন্ত্ৰী হম। ধন্যবাদ জনাইছোঁ।" মিত্ৰজোঁটৰ আসন ভাগ-বটোৱা অহা ১৫-২০ ফেব্ৰুৱাৰীত হ'ব বুলি মুখ্যমন্ত্ৰীয়ে জনায়। ৰঙানদী সমষ্টিত বিজেপিয়ে প্ৰাৰ্থী দিব বুলি নিশ্চিত কৰি কয় যে যোৱা লোকসভা নিৰ্বাচনত বিজেপিয়ে লিড পাইছিল। নাওবৈচা সমষ্টিতো বিজেপিয়ে জিকিব লাগিব আৰু বাহিৰৰ পৰা প্ৰাৰ্থী অনাৰ সম্ভাৱনা নাই। মুখ্যমন্ত্ৰীয়ে গৃহমন্ত্ৰী অমিত শ্বাহৰ অসম ভ্ৰমণৰ কথা উল্লেখ কৰি কয় যে ২৯ জানুৱাৰীত ডিব্ৰুগড়ত থাকিব, ৩০ জানুৱাৰীত অসম বিধানসভাৰ দ্বিতীয় চৌহদৰ আধাৰশিলা স্থাপন কৰিব। তাৰ পিছত ধেমাজিত মিচিং সাংস্কৃতিক মহোৎসৱত অংশগ্ৰহণ কৰি গুৱাহাটীত ৰাজনৈতিক বাৰ্তালাপত যোগদান কৰি সন্ধ্যা পশ্চিমবংগলৈ ৰওনা হ'ব। এই সকলোবোৰৰ মাজতে ২০২৬ৰ নিৰ্বাচনৰ প্ৰচাৰ তীব্ৰতৰ হৈ পৰিছে আৰু মুখ্যমন্ত্ৰীয়ে বিজেপিৰ জয় নিশ্চিত বুলি দাবী কৰিছে।

# দুদিনীয়া ভ্ৰমণসূচীৰে পুনৰ

ৰাতিটো কটাব। কাইলৈ (৩০ জানুৱাৰী) তেওঁ কেইবাটাও উন্নয়নমূলক প্ৰকল্প মুকলি কৰাৰ লগতে আধাৰশিলা স্থাপন কৰিব। বিশেষকৈ ডিব্ৰুগড়ত অসম বিধানসভাৰ দ্বিতীয় চৌহদ (দ্বিতীয় বিধানসভা ভৱন)ৰ আধাৰশিলা স্থাপন কৰিব গৃহমন্ত্ৰীয়ে। এই অনুষ্ঠানৰ পিছত তেওঁ এখন জনসভাত ভাষণ দি ৰাইজক সম্বোধন কৰিব। ডিব্ৰুগড়ৰ কাৰ্যসূচী সম্পূৰ্ণ কৰি অমিত শ্বাহ ধেমাজিলৈ যাব, য'ত তেওঁ মিচিং সাংস্কৃতিক মহোৎসৱত অংশগ্ৰহণ কৰিব আৰু মিচিং জনগোষ্ঠীৰ সাংস্কৃতিক অনুষ্ঠান উপভোগ কৰিব। সন্ধিয়া তেওঁ গুৱাহাটীলৈ উভতি ৰাজ্যিক বিজেপি কাৰ্যালয়ত ৰাজনৈতিক আলোচনাত অংশ ল'ব। এই আলোচনাত ২০২৬ৰ নিৰ্বাচনী ৰণনীতি, দলীয় সংগঠন আৰু সম্ভাব্য মিত্ৰতাৰ বিষয়ে গুৰুত্বপূৰ্ণ চৰ্চা হ'ব বুলি আশা কৰা হৈছে। উল্লেখ্য যে, এই ভ্ৰমণ অসমত বিজেপিৰ সাংগঠনিক শক্তি বৃদ্ধি আৰু নিৰ্বাচনী প্ৰচাৰৰ অংশ হিচাপে বিবেচিত হৈছে। কেন্দ্ৰীয় নেতৃত্বৰ ঘন ঘন উপস্থিতিয়ে ৰাজ্যত দলৰ প্ৰভাৱ বৃদ্ধি কৰিব বুলি দলীয় নেতৃত্বই আশা প্ৰকাশ কৰিছে। এই দুদিনীয়া ভ্ৰমণে অসমৰ উন্নয়ন আৰু ৰাজনৈতিক পৰিৱেশত নতুন গতি আনিব বুলি ধাৰণা কৰা হৈছে।

# ১২৬ টা সমষ্টিৰ বাবে ৭৯০

কাৰ্যালয়। প্ৰাৰ্থিত্বৰ আবেদন প্ৰক্ৰিয়া ৫ জানুৱাৰীত আৰম্ভ হৈছিল আৰু ২৮ জানুৱাৰীলৈকে মুঠ ৭৯০ গৰাকী প্ৰাৰ্থীয়ে আবেদন দাখিল কৰিছে। প্ৰতিগৰাকী আবেদনকাৰীয়ে ৫০, ০০০ টকাকৈ আবেদন মাচুল জমা দিয়াৰ ফলত কংগ্ৰেছে কেৱল এই আবেদনৰ জৰিয়তে ৩.৯৫ কোটি টকা সংগ্ৰহ কৰিবলৈ সক্ষম হৈছে। এই তথ্য প্ৰদেশ কংগ্ৰেছৰ কোষাধ্যক্ষ হেমহৰি পেগুৱে জনাইছে। শেষ দিনটোতো কেইবাগৰাকী গুৰুত্বপূৰ্ণ নেতাই আবেদন দাখিল কৰে। তাৰ ভিতৰত জ্যেষ্ঠ কংগ্ৰেছী নেতা দুৰ্লভ চমুৱা আৰু নৱ তালুকদাৰৰ নাম উল্লেখযোগ্য। নৱগঠিত নিউ গুৱাহাটী সমষ্টিৰ বাবে আবেদন দাখিল কৰি প্ৰদেশ কংগ্ৰেছৰ উপ-সভাপতি নৱ তালুকদাৰে কয় যে, গুৱাহাটীৰ পাহাৰীয়া অঞ্চলৰ মানুহে বিজেপিৰ পৰা পৰিত্ৰাণ বিচাৰিছে। তেওঁ অভিযোগ কৰে যে, গুৱাহাটীত কেৱল ফ্লাইওভাৰ নিৰ্মাণ কৰি বিজেপি চৰকাৰে পাহাৰৰ বাসিন্দাসকলৰ বাবে একো কৰা নাই। "পাহাৰৰ মানুহে এইবাৰ বিজেপিক উচিত প্ৰত্যুত্তৰ দিব" — তেওঁ দৃঢ়তাৰে কয়। লগতে তেওঁ বিজেপিৰ ভ্ৰষ্টাচাৰ আৰু সাম্প্ৰদায়িকতাৰ বিৰুদ্ধে ২০২৬ত কংগ্ৰেছৰ চৰকাৰ গঠন নিশ্চিত বুলি মন্তব্য কৰে। আনহাতে, নগাঁও জিলাৰ বটদ্ৰৱা, বঢ়মপুৰ আৰু নগাঁও সমষ্টিৰ বাবে আবেদন দাখিল কৰি প্ৰাক্তন বিধায়ক ড° দুৰ্লভ চমুৱাই ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ নামত বিজেপিয়ে প্ৰতাৰণা কৰাৰ অভিযোগ উত্থাপন কৰে। তেওঁ কয় যে, অসমক ত্ৰিপুৰাৰ দৰে কৰিব নিবিচাৰিলে অসমত পুনৰ কংগ্ৰেছ চৰকাৰ গঠন হ'ব লাগিব। দলীয় নেতৃত্বই যি সিদ্ধান্ত ল'ব তাতেই তেওঁ প্ৰতিদ্বন্দ্বিতা কৰিবলৈ প্ৰস্তুত বুলি জনায়। আবেদন দাখিলৰ সময়ত প্ৰাৰ্থিত্ব প্ৰত্যাশীসকলৰ সমৰ্থকে সাংস্কৃতিক অনুষ্ঠানৰ জৰিয়তে উৎসাহ প্ৰদৰ্শন কৰি কংগ্ৰেছৰ জয়ৰ বাৰ্তা দিয়ে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কংগ্ৰেছক "মিঞা মুছলমানৰ দল" বুলি কটাক্ষ কৰিলেও ৰাজীৱ ভৱনত খিলঞ্জীয়া সংস্কৃতিৰ প্ৰদৰ্শনেৰে কংগ্ৰেছৰ বৈচিত্ৰ্যপূৰ্ণ ভিত্তি প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা চলাইছে। এই বিপুল সংখ্যক আবেদন আৰু আৰ্থিক সংগ্ৰহে কংগ্ৰেছৰ ২০২৬ৰ নিৰ্বাচনী প্ৰস্তুতিত উৎসাহৰ সৃষ্টি কৰিছে যদিও দলটোৱে এতিয়া আবেদনকাৰীসকলৰ মাজৰ পৰা চূড়ান্ত প্ৰাৰ্থী নিৰ্বাচনৰ প্ৰক্ৰিয়া আৰম্ভ কৰিব লাগিব।

# মণিপুৰ হিংসাৰ ভুক্তভোগী

বৃদ্ধি কৰা হৈছে। এই সমিতিৰ কাৰ্যকাল এতিয়া ২০২৬ চনৰ ৩১ জুলাইলৈকে বৃদ্ধি কৰা হৈছে। উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ সূৰ্য কান্ত আৰু ন্যায়াধীশ জয়মল্য বাগচিৰে গঠিত বিচাৰপীঠে এই সিদ্ধান্ত গ্ৰহণ কৰে। যোৱা বছৰৰ জুলাই মাহত সমিতিৰ পূৰ্ব নিৰ্ধাৰিত কাৰ্যকাল সমাপ্ত হোৱাৰ পিছতো কাম অসম্পূৰ্ণ থকাৰ বাবে সময় বৃদ্ধিৰ প্ৰয়োজনীয়তাৰ কথা আদালতক জনোৱা হৈছিল। সমিতিয়ে এতিমধ্যে ভুক্তভোগীসকলৰ পুনৰ সংস্থাপন, সাহায্য আৰু সংশ্লিষ্ট বিভিন্ন দিশৰ ওপৰত ৪২খন প্ৰতিবেদন উচ্চতম ন্যায়ালয়ত দাখিল কৰিছে। মুখ্য ন্যায়াধীশ সূৰ্য কান্তে কয় যে ২০২৫ চনৰ জুলাইৰ পিছত কোনো আনুষ্ঠানিক সময়সীমা বৃদ্ধিৰ অনুমতি নথকাৰ বাবে সমিতিখনক অব্যাহত ৰখাৰ নিয়ম কৰা হৈছে আৰু নতুন সময়সীমা হিচাপে ২০২৬ চনৰ ৩১ জুলাই নিৰ্ধাৰণ কৰা হৈছে। ২০২৩ চনৰ ৭ আগষ্টত উচ্চতম ন্যায়ালয়ে মণিপুৰৰ জাতিগত সংঘাতৰ পৰিপ্ৰেক্ষিতত তিনিগৰাকী প্ৰাক্তন উচ্চ ন্যায়ালয়ৰ মহিলা ন্যায়াধীশৰে গঠিত এখন বিশেষ সমিতি গঠন কৰিছিল। এই সমিতিৰ নেতৃত্বত আছিল জম্মু-কাশ্মীৰ উচ্চ ন্যায়ালয়ৰ প্ৰাক্তন মুখ্য ন্যায়াধীশ গীতা মিট্টাল। সমিতিৰ অন্য দুগৰাকী সদস্য হৈছে বোম্বে উচ্চ ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ (অৱসৰপ্ৰাপ্ত) শালিনী পি যোশী আৰু দিল্লী উচ্চ ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ আশা মেনন। সমিতিৰ মূল দায়িত্ব আছিল হিংসাৰ বলি হোৱা লোকসকলক সাহায্য প্ৰদান, তেওঁলোকৰ পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰা, ক্ষতিপূৰণৰ প্ৰক্ৰিয়া তদাৰক কৰা আৰু জাতিগত সংঘাতৰ সৈতে জড়িত গোচৰসমূহৰ অগ্ৰগতি নিৰীক্ষণ কৰা। ইয়াৰ উপৰিও মহাৰাষ্ট্ৰৰ প্ৰাক্তন আৰক্ষী অধীক্ষক দত্তত্ৰায় পেডচালগিকৰ নেতৃত্বত গঠিত বিশেষ তদন্তকাৰী দলৰ কামৰো নজৰ ৰখাৰ দায়িত্ব সমিতিৰ ওপৰত অৰ্পণ কৰা হৈছিল। সমিতিয়ে এই সকলোবোৰ বিষয়ত উচ্চতম ন্যায়ালয়ত পোনপটীয়াকৈ প্ৰতিবেদন দাখিল কৰিবলৈ অনুমতি পাইছিল। ২০২৩ চনৰ ৩ মে'ত মণিপুৰত আৰম্ভ হোৱা জাতিগত হিংসাই ৰাজ্যখনক দীৰ্ঘদিনীয়া সংকটৰ মাজত ঠেলি দিছিল। মেইতেই আৰু কুকী সম্প্ৰদায়ৰ মাজত হোৱা সংঘৰ্ষৰ ফলত ২০০ৰো অধিক লোকৰ মৃত্যু হৈছিল, শতাধিক লোক গুৰুতৰভাৱে আহত হৈছিল আৰু হাজাৰ হাজাৰ লোক গৃহহীন হৈ পৰিছিল। এই হিংসাৰ পিছতে উচ্চতম ন্যায়ালয়ে পৰিস্থিতিৰ গুৰুত্ব বিবেচনা কৰি বিশেষ সমিতি গঠন কৰি ভুক্তভোগীসকলৰ প্ৰতি দায়বদ্ধতা প্ৰকাশ কৰিছিল। এতিয়া সময় বৃদ্ধিৰ সৈতে সমিতিখনে অধিক সময়ৰ ভিতৰত ভুক্তভোগীসকলৰ পুনৰ সংস্থাপন আৰু ন্যায় প্ৰদানৰ কামক অধিক ফলপ্ৰসূভাৱে সম্পন্ন কৰিব পাৰিব বুলি আশা কৰা হৈছে।

# 'মিঞাক কষ্ট দিব লাগে'

তীব্ৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰি ইয়াক বিভেদকামী আৰু ঘৃণাসূচক বুলি অভিহিত কৰিছে। তেওঁ প্ৰশ্ন উত্থাপন কৰি কয় যে, মিঞাক কষ্ট দিবলৈ পৃথিৱীৰ ক'ৰবাত কাৰোবাক মুখ্যমন্ত্ৰী বনোৱা হয় নেকি? অখিল গগৈয়ে অভিযোগ কৰে যে, অসমৰ মানুহে হিমন্ত বিশ্ব শৰ্মাক বিদেশী খেদিবলৈ মুখ্যমন্ত্ৰী বনাইছিল, কিন্তু এতিয়া তেওঁ মিঞাক কষ্ট দিবলৈ কৈ অসমীয়া জাতিক ঠগ-প্ৰবঞ্চনাকাৰী হিচাপে প্ৰতিষ্ঠা কৰিব বিচাৰিছে। তেওঁ লগতে কয় যে, যদি মুখ্যমন্ত্ৰীয়ে বিদেশী খেদাবই নোৱাৰে, তেন্তে তেওঁ কিহৰ মুখ্যমন্ত্ৰী? অসমৰ ইতিহাসত সৰ্বনিম্ন বিদেশী খেদা মুখ্যমন্ত্ৰীজন হৈছে হিমন্ত বিশ্ব শৰ্মা বুলি দাবী কৰে তেওঁ। "মিঞাক সকলোৱে কষ্ট দিব লাগে" বুলি মুখ্যমন্ত্ৰীৰ মন্তব্যৰ সন্দৰ্ভত অখিল গগৈয়ে উদাহৰণ দি কয় যে, মিঞাৰ ৰিক্সাত উঠি ৫ টকাৰ ভাড়াত ৪ টকা দিয়াটো কষ্ট কৰি খোৱা মানুহৰ চৰিত্ৰ নহয়। ৫ টকাৰ ভাড়াত ৪ টকা দিয়াটো ভাল মানুহৰ লক্ষণ নহয় বুলি উল্লেখ কৰি তেওঁ কয় যে, হিন্দু ধৰ্মই সদায়ে কৰ্মক সন্মান জনাবলৈ শিক্ষা দিয়ে। উগ্ৰ ৰাজনৈতিক সাম্প্ৰদায়িক হিন্দুৱেই এনে বিভেদকামী মন্তব্য আগবঢ়ায়। অসমীয়া জাতি ঠগি খোৱা জাতি নহয়, ৫ টকা ভাড়া হ'লে ৫ টকাই দিয়া জাতি বুলি তেওঁ জোৰ দিয়ে। মুখ্যমন্ত্ৰীৰ সমালোচনা অব্যাহত ৰাখি অখিল গগৈয়ে কয় যে, হিমন্ত বিশ্ব শৰ্মা খাটি খোৱা মিঞাৰ ওপৰত ৰজা, কিন্তু বদৰুদ্দিন আজমল তেওঁৰ ভাল বন্ধু। যোৱা নিৰ্বাচনত আজমল বুলি শাসন লৈছিল, এইবাৰ মিঞা বুলি শাসন ল'ব বিচাৰিছে বুলি কটাক্ষ কৰে তেওঁ। বিৰোধী ঐক্যমঞ্চৰ মিত্ৰতাৰ প্ৰসংগত অখিল গগৈয়ে জনায় যে, ৩১ জানুৱাৰীৰ ভিতৰত মিত্ৰতাৰ চূড়ান্ত সিদ্ধান্ত নহ'লে ৰাইজৰ দলে নিজ প্ৰাৰ্থীৰ নাম ঘোষণা কৰিব। ইতিমধ্যে চিপিআই(এম), চিপিআই(এম-এল) আৰু অসম জাতীয় পৰিষদে প্ৰাৰ্থীত্ব বিচাৰিছে যদিও কংগ্ৰেছৰ পৰা স্পষ্ট সঁহাৰি নাই বুলি অভিযোগ কৰে। আসন বুজাবুজি বেছি আগবঢ়া নাই বুলি মন্তব্য কৰি তেওঁ কয় যে, ৰাইজৰ দলৰ প্ৰাৰ্থীৰ তালিকা কংগ্ৰেছক আগতেই দিয়া হৈছে যদিও কংগ্ৰেছে গুৰুত্ব নিদিয়াত আন দলসমূহ অসুবিধাত পৰিছে। মুখ্যমন্ত্ৰীৰ অখিল গগৈয়ে নিজৰ সমষ্টিতকৈ ধুবুৰী আৰু গোৱালপাৰাৰ কথা বেছি চিন্তা কৰে বুলি কৰা মন্তব্যৰ প্ৰতিক্ৰিয়াত তেওঁ কয় যে, চৰকাৰৰ বহু বৃহৎ সফল প্ৰকল্প শিৱসাগৰতেই হৈছে। ৰংঘৰ প্ৰকল্পৰ ক্ৰেডিট তেওঁৰ বুলি দাবী কৰি কয় যে, ১৪২ কোটি টকাৰ এই প্ৰকল্পৰ বাবে তেওঁ মুখ্যমন্ত্ৰীক বাধ্য কৰাইছিল। শিৱসাগৰত একাধিক বৃহৎ প্ৰকল্প হোৱা সত্ত্বেও মুখ্যমন্ত্ৰীৰ মন্তব্যক সমালোচনা কৰে। বিজেপি মিত্ৰজোঁটে ৯৪খন আসন লাভ কৰিব বুলি মুখ্যমন্ত্ৰীৰ দাবীৰ প্ৰতিক্ৰিয়াত অখিল গগৈয়ে প্ৰশ্ন কৰে- যদি ইমান আসন পাব, তেন্তে মিঞাক লৈ ৰাজনীতি কিয়? বিগত পাঁচ বছৰত বিশেষ কাম নকৰাৰ বাবেই আগন্তুক নিৰ্বাচনত মিঞাক মূল অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিছে বুলি অভিযোগ কৰে। মুখ্যমন্ত্ৰীৰ সফলতা কেৱল কেইখনমান অভাৰব্ৰীজ আৰু কেইটামান মথাউৰি লৈ সীমাবদ্ধ বুলি কটাক্ষ কৰে তেওঁ। এই প্ৰতিক্ৰিয়াসমূহে ৰাজনৈতিক মহলত নতুন চৰ্চাৰ সৃষ্টি কৰিছে, বিশেষকৈ আগন্তুক বিধানসভা নিৰ্বাচনৰ প্ৰেক্ষাপটত সাম্প্ৰদায়িকতা আৰু জাতীয়তাবাদৰ প্ৰসংগত।

# যুৱ প্ৰজন্মৰ মাজত ক'লা

নীচ, ধনী-দুখীয়া সৰ্বস্তৰৰ সৰ্বজনে মিলিহে একোখন বৃহৎ সমাজ সুবিশাল বা বহল সমাজ। সমাজৰ ভিন্ন স্তৰত আমি দেখিবলৈ পাওঁ প্ৰত্যেকৰে ধ্যান-জ্ঞান, চিন্তা-পৰিকল্পনা, কাৰ্যক্ৰমণিকা আৰু কলা-সাংস্কৃতিক আচাৰ-আচৰণ আদিত ভিন্ন ৰূপৰেখা, নন গতি-প্ৰকৃতি। খোৱা-বোৱা, পিন্ধা-উৰা আৰু চাল-চলন আদি ভিন্ন দিশত বহুক্ষেত্ৰত আমি সাদৃশ্য দেখা পালেও তাতো কিছু কিছু দিশত অমিল পৰিলক্ষিত হয়।

আমি বহুদিনৰ পৰাই লক্ষ্য কৰিছোঁ যে আমাৰ সমাজৰ যি সামাজিক গোট বা যি জনগোষ্ঠীৰেই নহওক কিয়, প্ৰায়বোৰ যুৱক-যুৱতীৰ মাজতে এটা দিশত অতি আচৰিত ধৰণেৰে মিল পৰিলক্ষিত হয়। সমাজত আমি হাটে-বজাৰে, দোকানে-পোহাৰে, অলিয়ে-গলিয়ে বা বাটে-পথে সৰ্বত্ৰতে বিশেষকৈ কলেজ-বিশ্ববিদ্যালয়ত পঢ়ি থকা যুৱক-যুৱতী, শিক্ষাৰ্থীসকলে ক'লা পোছাক পৰিধান কৰি ঘূৰি ফুৰে, বিচৰণ কৰে। দেখিবলৈ অৱশ্যে বৰ বেয়া নালাগে। এয়া যুৱ প্ৰজন্মৰ একপ্ৰকাৰ ইউনিফৰ্ম বা সম-সাজপাৰ (অঘোষিত) যে যেনেই লাগে। স্কুল-কলেজ বা শিক্ষানুষ্ঠান আদি কৰ্তৃপক্ষৰ নিৰ্দ্ধাৰিত, বাধ্যতামূলক সম-সাজপাৰত অৱশ্যে ইয়াৰ পোনপটীয়া প্ৰভাৱ পৰা নাই। অন্য মুকলি পৰিৱেশতহে আমি ইয়াৰ প্ৰাদুৰ্ভাৱ দেখা পাইছোঁ।

বিদ্যালয়-মহবিদ্যালয়ৰ বিদ্যায়াতনিক পৰিৱেশত আজিকালি মেখেলা-চাদৰ, শাড়ী আদি পৰিধান কৰাটো একপ্ৰকাৰ উঠিয়েই গৈছে। ছাত্ৰী, শিক্ষয়িত্ৰীসকলে প্ৰায় আজিকালি চুৰিদাৰ পিন্ধিয়েই কৰ্মক্ষেত্ৰলৈ অহা-যোৱা কৰা হৈছে। শুনিছোঁ বোলে এয়া হেনো আজিকালি চৰকাৰী বিধান। অসমীয়াৰ শোভন সাজপাৰবোৰ এনেদৰে বিজতৰীয়া সাজ-পোছাকত শিক্ষানুষ্ঠানত সদা-সৰ্বদাই বিচৰণ কৰাটো ভুলেই হৈছে নে ভালে হৈছে এয়া সমাজৰ তথাকথিত সদাশয় লোকৰ বা সমাজত সামাজিক নীতি-বিধানৰ আওতাত থকা জ্ঞানী-গুণী, বয়োজ্যেষ্ঠ লোকসকলৰ হে বিচাৰ্য বিষয়। এইবোৰ বৰ ভাললৈ হোৱা নাই নেকি?

এই এইবোৰ আনুষঙ্গিক প্ৰসঙ্গ। আজিৰ আলোচনাৰ মূল বিষয় হৈছে ক'লা পোছাক। এনে পৰম্পৰা ক'ৰ পৰা আহিলে ক'ব পৰা নাই। যোৱা কিছু বছৰৰ পৰাহে এনে পৰম্পৰাৰ পয়োভৰ ঘটিছে। কিছুমান বোলছবিৰ অভিনেতা (হিন্দী, ইংৰাজী), ক্ৰীড়াংগণৰ খেলুৱৈ বা আন আন কিছু কিছু বীৰ পূজনৰ আৰ্হি-আদৰ্শ যেনেই লাগে এয়া। পোনপটীয়াকৈ অৱশ্যে এয়া আমুকৰে প্ৰভাৱ বুলি ক'ব পৰা নাযায়। কিন্তু আমি সচৰাচৰ দেখিছোঁ যেতিয়া এই প্ৰভাৱ নিশ্চয় কোনোবা দিশৰ পৰা পৰিছে। আজিকালি অৱশ্যে প্ৰচাৰ মাধ্যম বহুতো। বোলছবি, ৰণাংগন, মূকাভিনয়ৰ চিত্ৰণ কলা, পশ্চিমীয়া কলা-সাংস্কৃতিক মঞ্চ আদিৰ দৰে বহুবোৰ শিল্প পৰিৱেশৰ প্ৰভাৱ হ'ব পাৰে। কিহৰ প্ৰভাৱত পৰি আমাৰ সমাজ জীৱনলৈ এনে প্ৰভাৱ আহি পৰিছে এই কথা আজিৰ যুৱ প্ৰজন্মক সুধিলেও ইয়াৰ যথাযথ উত্তৰ হয়তো ততালিকে নাহিব। তেওঁলোকে হয়তো ক'ব আজিৰ সমাজত আজিৰ দিনত এনেকৈয়ে চলিছে।

তাহানি কালৰে পৰা আমাৰ সমাজত প্ৰচলিত যে ক'লা বৰ্ণ একোটা অমঙ্গলীয়া গ্ৰহ। গতিকে আমাৰ জনবিশ্বাসত এই ক'লা বৰ্ণটো বৰ শুভদায়ক প্ৰতীক নহয় বুলি কয়। যিকোনো মাঙ্গলিক কাম-কাজত মানুহে সচৰাচৰ ক'লা বস্ত্ৰ, ক'লা দ্ৰব্য বা ক'লা ৰং ব্যৱহাৰেই নকৰে। আমি জনাত কলা কাপোৰে সূৰুজৰ তাপ বৰ তীব্ৰতাৰে শুহি লয়, ক'লা বস্ত্ৰ আবৰিত পৰিৱেশত গৰমৰ মাত্ৰাও খুউব বেছি হয়। এয়া বিজ্ঞানসন্মত সত্য কথা। গৰমৰ দিনত মানুহে সততে পাতলীয়া ৰঙৰ কাপোৰ বা সাজ-পোছাক পৰিধান বা ব্যৱহাৰ কৰিহে ভাল পায়। বগা ৰঙৰ কাপোৰ পিন্ধাৰ আমেজ বা আৰামেই সুকীয়া। অন্যহাতেদি পাতল ৰং বা বগা ৰঙে মানুহৰ মন অন্তৰাত্মা নিৰ্মল কৰে, শান্ত আৰু পবিত্ৰ কৰে। বগা বস্ত্ৰ পৰিধান কৰিলে মানুহক স্বাভাৱিকতে নিকা আৰু পবিত্ৰ কৰে। বগা বস্ত্ৰ পৰিধান কৰিলে মানুহক স্বাভাৱিকতে নিকা আৰু পৰিষ্কাৰ যেন লাগে, দেহ-মন প্ৰফুল্ল হয়।

আজি আমাৰ সমাজখনত এই সন্দৰ্ভত এটি সূক্ষ্ম পৰ্যবেক্ষণেৰে বিবেচনা চাইছোঁ সম্প্ৰতি যুৱ প্ৰজন্মৰ মাজত এয়া বাৰু কি চখ বা কিহৰ প্ৰভাৱ আমি বুজিব পৰা নাই। ইয়াৰ পৰিণতি কেনে হয় তাকো ধৰিব পৰা নাই।

# অজিত পাৱাৰৰ মৃত্যুত

খবৰে দেশজুৰি শোকৰ পৰিৱেশ সৃষ্টি কৰিছে। ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে সামাজিক মাধ্যম এ'ত পোষ্ট কৰি অজিত পাৱাৰৰ মৃত্যুক "অপূৰণীয় ক্ষতি" বুলি অভিহিত কৰে। তেওঁ লিখে- "বিশেষকৈ সমবায় খণ্ডত মহাৰাষ্ট্ৰৰ উন্নয়নত বিশেষ অৱদান আগবঢ়োৱাৰ বাবে তেওঁ সদায় স্মৰণীয় হৈ থাকিব। তেওঁৰ পৰিয়াল, সমৰ্থক আৰু অনুৰাগীসকলৰ প্ৰতি গভীৰ শোক জ্ঞাপন কৰিছোঁ। ভগৱানে এই দুখ সহিবলৈ শক্তি প্ৰদান কৰক।" প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অজিত পাৱাৰক "জননেতা" বুলি সন্মান জনাই লিখে- "শ্ৰী অজিত পাৱাৰজী তৃণমূল পৰ্যায়ৰ সৈতে দৃঢ় সংযোগ থকা এজন জননেতা আছিল। মহাৰাষ্ট্ৰৰ জনসাধাৰণৰ সেৱাত অগ্ৰণী ভূমিকা লোৱা কঠোৰ পৰিশ্ৰমী ব্যক্তি হিচাপে তেওঁক বহুলভাৱে সন্মান কৰা হৈছিল। প্ৰশাসনিক বিষয়ত তেওঁৰ গভীৰ বুজাবুজি আৰু দৰিদ্ৰজনৰ সবলীকৰণৰ প্ৰতি থকা আবেগ প্ৰশংসনীয় আছিল। তেওঁৰ অকাল মৃত্যুৱে গভীৰ দুখ দিছে। তেখেতৰ পৰিয়াল আৰু অনুৰাগীসকললৈ সমবেদনা জ্ঞাপন কৰিছোঁ। ওঁম শান্তি।" অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এক্সত পোষ্ট কৰি লিখে- "আজি পুৱা দুৰ্ভাগ্যজনক বিমান দুৰ্ঘটনাত মহাৰাষ্ট্ৰৰ উপ-মুখ্যমন্ত্ৰী অজিত পাৱাৰজীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছোঁ। জনসেৱা আৰু কল্যাণৰ বাবে নিজৰ জীৱন উৎসৰ্গা কৰা এজন প্ৰবীণ নেতাৰ অৱদানে ৰাজ্যৰ উন্নয়ন আৰু শাসন ব্যৱস্থাত অমলিন চিন ৰাখিছে। শোকসন্তপ্ত পৰিয়াল, সমৰ্থক আৰু মহাৰাষ্ট্ৰবাসীৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিছোঁ। তেওঁৰ আত্মাই চিৰশান্তি লাভ কৰক। ওঁম শান্তি।" কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গে কয় "দীঘলীয়া আৰু সফল ৰাজনৈতিক কেৰিয়াৰ থকা এজন নেতাৰ অকাল মৃত্যু। শোকসন্তপ্ত পৰিয়াললৈ গভীৰ সমবেদনা।" এই দুৰ্ঘটনাই মহাৰাষ্ট্ৰৰ ৰাজনীতিত এক ডাঙৰ শূন্যতাৰ সৃষ্টি কৰিছে। অজিত পাৱাৰে সমবায় খণ্ডত আৰু ৰাজ্যৰ উন্নয়নত দীৰ্ঘদিনীয়া অৱদান আগবঢ়াই আহিছিল। তেওঁৰ অকাল প্ৰস্থানত সমগ্ৰ দেশ শোকত মগ্ন হৈ পৰিছে।

# শ্বহীদৰ সন্মান অন্তৰত আছে

শ্বহীদৰ প্ৰতি সন্মান দেখুওৱাৰ ক্ষেত্ৰত ফটো বা ছেল্‌ফী তুলি সামাজিক মাধ্যমত আপলোড নকৰাৰ কথা উল্লেখ কৰি কয় যে, তেওঁৰ সন্মান অন্তৰৰ গভীৰতাত সংৰক্ষিত আছে। বুধবাৰে সন্ধিয়া ধেমাজিত দলীয় নেতা-কৰ্মীৰ সৈতে এক সভাত উপস্থিত হৈ তেওঁ এই মন্তব্য কৰে। সাংবাদিকৰ সন্মুখত লুৰীণজ্যোতিয়ে স্পষ্ট কৰি কয় যে, শ্বহীদ স্মাৰকত ফটো তুলিলেই শ্বহীদক সন্মান কৰা বুলি নুবুজায়। "শ্বহীদৰ প্ৰতি মোৰ সন্মান অন্তৰত আছে আৰু সেই সন্মান দেখুৱাবলৈ ফটো বা ছেল্‌ফীৰ প্ৰয়োজন নাই"- তেওঁ কয়। তেওঁ লগতে অভিযোগ কৰে যে মুখ্যমন্ত্ৰীগৰাকীয়ে বাৰে বাৰে শ্বহীদক অপমান কৰি আহিছে। লুৰীণজ্যোতিয়ে মুখ্যমন্ত্ৰীক প্ৰত্যাহ্বান জনাই কয় যে, যদি ড° হিমন্ত বিশ্ব শৰ্মাৰ অন্তৰত শ্বহীদৰ প্ৰতি সঁচা সন্মান আছে আৰু সাহস আছে, তেন্তে বিজেপিৰ কাৰ্যালয়ত শ্যামা প্ৰসাদ মুখাৰ্জী আৰু দীনদয়াল উপাধ্যায়ৰ প্ৰতিচ্ছবিৰ কাষত শ্বহীদ বেদী স্থাপন কৰি দেখুৱাওক। লগতে দলৰ প্ৰত্যেকখন সভাৰ আৰম্ভণিতে এক মিনিট মৌন প্ৰাৰ্থনাৰে শ্বহীদক স্মৰণ কৰি দেখুৱাওক বুলি তেওঁ বিজেপিক প্ৰত্যাহ্বান জনায়। তেওঁ তীব্ৰ সমালোচনা কৰি কয় যে, মুখ্যমন্ত্ৰীয়ে শ্বহীদকো শ্ৰেণী বিভাজন কৰি পেলাইছে। বিশেষকৈ 'কা' (CAA) আন্দোলনত শ্বহীদ হোৱা সকলৰ প্ৰতি অসন্মানজনক মন্তব্য কৰি আহিছে বুলি অভিযোগ কৰে। আগন্তুক বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ কথা উল্লেখ কৰি লুৰীণজ্যোতিয়ে কয় যে, অসম জাতীয় পৰিষদে নিজৰ সাংগঠনিক স্থিতি শক্তিশালী আৰু জাতীয়তাবাদী চিন্তা থকা সমষ্টিবোৰতহে প্ৰাৰ্থী দিব। বিৰোধী ঐক্য গঠনত কিছু পলম হৈছে বুলি মন্তব্য কৰি তেওঁ কয় যে, সকলোৱে আলোচনাৰ মৰ্মে সাম্প্ৰদায়িক বিজেপিৰ বিৰুদ্ধে সকলো একগোট হ'ব। এই বক্তব্যই ৰাজনৈতিক মহলত নতুন চৰ্চাৰ সৃষ্টি কৰিছে, বিশেষকৈ আগন্তুক নিৰ্বাচনৰ প্ৰেক্ষাপটত শ্বহীদ সন্মান আৰু জাতীয়তাবাদী ৰাজনীতিৰ প্ৰসংগত।

### মুকলি সভাত একেখন মঞ্চতে বহিল ২৭ বছৰ বিভক্ত হৈ থকা ভাগৱতী সমাজৰ প্ৰধান সচিব জ্যোতি প্ৰসাদ দাস আৰু অধ্যক্ষ প্ৰতাপ চন্দ্ৰ মেধি

## সামৰণি পৰিল তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত একশৰণ ভাগৱতী সমাজৰ ৰূপালী জয়ন্তী বৰ্ষৰ মহাপালনাম

**অসম বাৰ্তা, ছয়গাঁও, ২৭ জানুৱাৰী ঃ** একশৰণ ভাগৱতী সমাজ, অসমৰ দক্ষিণ কামৰূপ জিলা শাখাৰ বাৰ্ষিক অধিৱেশন আৰু মহাপালনামখনিৰ ৰূপালী জয়ন্তী বৰ্ষৰ আজি সামৰণি পৰিল। যোৱা ২৫ জানুৱাৰীৰ পৰা পলাশবাৰী সমষ্টিৰ ৩ নং আমতলা গাঁৱৰ শ্ৰীমন্ত শংকৰ-মাধৱ কীৰ্ত্তন ঘৰত তিনিদিনীয়াকৈ বিস্তৃত কাৰ্যসূচীৰে উদ্‌যাপন হৈ থকা মহাপালনামৰ আজি আবেলি ধৰ্মধ্বজা অৱতৰণেৰে কাৰ্যসূচীৰ সামৰণি পৰে। কালি আবেলি ৩ বজাত মুকলি আৰু ধৰ্মালোচনা সভাত সভাপতিত্ব কৰিছিল জিলা সভাপতি ৰমেন দাসে। আচাৰ্য প্ৰণাম কৰে উপাচাৰ্য লক্ষ্মী কান্ত ৰায়ে। স্মৃতিগ্ৰন্থ "ভক্ত কল্পতৰু" উন্মোচন কৰে অৱসৰপ্ৰাপ্ত অধ্যাপক সুনন্দ বৰ্মনে। আদৰণি ভাষণ প্ৰদান কৰে নিৰঞ্জন দাসে। সাধাৰণ সম্পাদক দীপক দাসে সম্পাদনা কৰা সভাখনত মুখ্য অতিথি হিচাপে উপস্থিত থাকে ভাগৱতী সমাজৰ অধ্যক্ষ প্ৰতাপ চন্দ্ৰ মেধিয়ে। বিশিষ্ট অতিথি হিচাপে থাকে অধ্যাপক পৰাগ কুমাৰ ডেকা আৰু জয়ৰাম হাজৰিকাই। নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে প্ৰাক্তন জিলা সভাপতি গুনেন্দ্ৰ চলিহা আৰু ভাগৱতী সমাজৰ প্ৰধান সচিব জ্যোতি প্ৰসাদ দাসে। প্ৰধান সচিব জ্যোতি প্ৰসাদ দাসে ভাষণত ভাগৱতী সমাজৰ নীতি আদৰ্শ, আধ্যাত্মিক তত্ত্ব, সামাজিক সংস্কাৰ লৈ ভাগৱতী সমাজৰ প্ৰতিষ্ঠাপক আচাৰ্য্য ইলাৰাম দাস বাপ ঈশ্বৰে আধ্যাত্মিক বিদ্ৰোহ কৰিছিল। পিছে দুখৰ কথা কাল কলিৰ মায়াৰ চক্ৰত পৰি আমি সকলোৰে নিজক পাহৰি, আমাৰ মূল গুৰিটোকে এটা সময়ত পাহৰি গলোঁ, কিন্তু ঈশ্বৰৰ পৰম কৰুণা এতিয়া আমি ভাগ ভাগ হৈ থকা ভাগৱতী সমাজ পুনৰ এটা স্থানত সমবেত হ'বৰ কাৰণে শক্তিশালী সিদ্ধান্ত গ্ৰহণ কৰিছোঁ। বাপ ঈশ্বৰৰ আদৰ্শ শিৰোগত কৰি নল'লে আমি একশৰণ ভাগৱতী সমাজৰ ভক্ত সকল অস্তিত্বহীন একো একোজন মানৱ হৈ পৰিব বুলি কয়। সভাত বিশিষ্ট চিকিৎসক তথা বিজ্ঞানী ডাঃ বিকুল দাস, যুটীয়া সচিব দীপক চলিহা, জিলা পালনামাচাৰ্য্য মদন দাস আতা, সুৰজিৎ দাস, বিজনীৰ নগেন ৰায় চৌধুৰী, গোলাঘাটৰ অজয় দাস, যুটীয়া সচিব অৰ্পনা ডেকা বৰ্মন, ৰাধিৰাম দাস, কৰ্মেশ্বৰ ৰাভা, আদৰণি সমিতিৰ সভাপতি ধ্ৰুৱনাৰায়ণ দাস, আৰক্ষী বিষয়া বিজ্ঞজিৎ দাস, সম্পাদক অনন্ত কুমাৰ ৰাভা, স্মৃতিগ্ৰন্থৰ সভাপতি প্ৰবীণ মেধি, সম্পাদক দিগন্ত কুমাৰ দাস আৰু হলিৰাম দাস, কাৰ্যকৰী সদস্য ৰঞ্জিত দাস, লক্ষিমপুৰৰ যুটীয়া সচিব হাঁহিৰাম দাস, মঙলদৈৰ সহ সচিব বাপুকণ ডেকা, গুৱাহাটীৰ মহেন্দ্ৰৰাম ডেকা প্ৰমুখ্যে ভালেসংখ্যক বাপ বান্ধৱক সম্বৰ্ধনা জনোৱা হয়। সভাৰ শেষত হাতী মাৰি ভুৰুকাত ভৰায় কুকুৰমাৰা গাওঁ শাখাৰ সভাপতি হৃদয় ৰঞ্জন পাঠকে। সন্ধিয়া গুণমালা কীৰ্ত্তন পৰিচালনা কৰে কাৰ্ত্তিক শইকীয়াই। নিশা মহাপালনাম আৰম্ভ হৈ ২৭ জানুৱাৰীৰ পুৱা মহাপালনামৰ সামৰণি পৰে। তাৰ পিছতে শৰণ, ভজন শিবিৰ পৰিচালনা কৰে উপাচাৰ্য্য লক্ষ্মী কান্ত ৰায়ে। আনহাতে ২৫ জানুৱাৰীৰ পুৱা প্ৰভাত ফেৰি, প্ৰাতঃ প্ৰসংগৰ পিছতে পুৱা ৭.৩০ বজাত প্ৰাৰ্থনা সভা পৰিচালনা কৰা হয়। ৮.৩০ বজাত ধৰ্মধ্বজা উত্তোলন কৰে জিলাৰ সভাপতি ৰমেন দাসে। পুৱা ৯ বজাত বৃক্ষৰোপণ কৰে জিলা সম্পাদক অনন্ত কুমাৰ ৰাভা, আদৰণি সমিতিৰ সম্পাদক দীপক দাস, উপ সভাপতি নিৰঞ্জন ৰাভা, ৰূপনাথ দাস, ৩নং আমতলা গাঁও উন্নয়ন সমিতিৰ সভাপতি ভূপেন দাস, ভাগৱতী সমাজৰ কুকুৰমাৰা গাঁও শাখাৰ সভাপতি হৃদয় ৰঞ্জন পাঠকে। পুৱা ৯.৩০ বজাত ভাগৱত শোভা যাত্ৰা উদ্বোধক কৰে বিধায়ক হেমাংগ ঠাকুৰীয়াই। তাৰ পিছতে মধ্যাহ্ন প্ৰসংগ অনুষ্ঠিত হয়। আবেলি ৩ বজাত মাতৃ সন্মিলন আৰু যুব সমাৰোহখন সঞ্চালক কৰে সতী ৰাধিকা মাতৃ সেৱা সমাজৰ সভানেত্ৰী জয়মতী দাস আৰু তৰুণ বিদ্যাৰ্থী সমাজৰ জিলা সভাপতি মনোজ কুমাৰ দাসে। আদৰণি ভাষণ প্ৰদান কৰে বিদ্যাৰ্থী সমাজৰ সম্পাদক অজয় ৰঞ্জন পাঠকে। সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে সোণালী বৰা হাজৰিকাই। সন্ধিয়া ৬ বজাত বন্তিপ্ৰজ্বলন কৰে আদৰণি সমিতিৰ উপ সভাপতি জয়ন্ত দাসে। ৭ বজাত গুণমালা কীৰ্ত্তন পৰিচালনা কৰে অচ্যুৎ দাস, ভোলাৰাম দাসে। সন্ধিয়া ভোজনালয় মুকলি কৰে জগত শংকৰ কৈৱৰ্ত্তই। সন্ধিয়া ৭-৩০ বজাতত সন্ধ্যা প্ৰসংগৰ পিছতে সাংস্কৃতিক মঞ্চ উদ্বোধন কৰা হয়। নিশা ১০ বজাত মনোজ কুমাৰ দাসৰ পৰিচালনাত ধৰ্মমূলক নাট শকুনিৰ প্ৰতিশোধ মঞ্চস্থ কৰা হয়। নাটখনৰ শুভ উদ্বোধন কৰে আদৰণি সমিতিৰ সভাপতি ধ্ৰুৱনাৰায়ণ দাসে।



### আবেগিক মনোজ্ঞ অনুষ্ঠানত ১৩ গৰাকী সদ্য অৱসৰী কৰ্মচাৰীয়ে প্ৰকাশ কৰিলে নিজৰ কৰ্মজীৱনৰ মৰ্মস্পশী অভিজ্ঞতা

## মাজুলীৰ জলসম্পদ উপ-সংমণ্ডলৰ ১৩ গৰাকী অৱসৰপ্ৰাপ্ত বিষয়া কৰ্মচাৰীক বিদায় সম্বৰ্ধনা

**অসম বাৰ্তা, উজনী মাজুলী, ২৭ জানুৱাৰী ঃ** মাজুলী জলসিঞ্চন উপ সংমণ্ডলৰ সদ্য অৱসৰপ্ৰাপ্ত ১৩গৰাকী বিষয়া-কৰ্মচাৰীক কালি ২৬ জানুৱাৰীত গণৰাজ্য দিৱসৰ দিনাই আনুষ্ঠানিকভাৱে বিদায় সম্বৰ্ধনা জনোৱা হয়। মাজুলীৰ জলসিঞ্চন উপ সংমণ্ডলৰ মুখ্য কাৰ্যালয়ৰ প্ৰাংগণত কালি দুপৰীয়া অনুষ্ঠিত হোৱা উক্ত বিদায় সম্বৰ্ধনা অনুষ্ঠানটো বিভাগৰ উচ্চ বৰ্গৰ সহায়ক নৰেন শইকীয়াই আঁত ধৰে। উক্ত আবেগিক সম্বৰ্ধনা অনুষ্ঠানত সভাপতিত্ব কৰে মাজুলী জলসিঞ্চন বিভাগৰ সহকাৰী কাৰ্যবাহী অভিযন্তা ইন্দ্ৰ কান্ত পাংগিঙে। উক্ত অৱসৰপ্ৰাপ্ত কৰ্মচাৰীসকলৰ বিদায় সম্বৰ্ধনা অনুষ্ঠানত মাজুলীৰ জলসিঞ্চন উপ সংমণ্ডলৰ সদ্য অৱসৰপ্ৰাপ্ত কৰ্মচাৰী কেশৱ বৰা, ধনীৰাম শইকীয়া, নন্দেশ্বৰ বৰা, ধৰ্মেশ্বৰ বৰা, কনক চন্দ্ৰ শইকীয়া, বকুল নৰহ, সুৰেন শইকীয়া, তৰুণ গায়ন, নীৰেন বৰুৱা, ৰাজেন শৰ্মা, জয়না মোহন দাস, অতুল শইকীয়া, ধৰ্মেশ্বৰ বৰা আৰু ললিত চন্দ্ৰ বৰাক আনুষ্ঠানিকভাৱে ভাৱে সম্বৰ্ধনা জনোৱা হয়। বিভাগটোৱে আগবঢ়োৱা অংগবস্ত্ৰ, গীতা শাস্ত্ৰ, শৰাই আৰু সম্বৰ্ধনা পত্ৰৰে আজি অৱসৰপ্ৰাপ্ত কৰ্মচাৰীসকলক আনুষ্ঠানিকভাৱে সম্বৰ্ধনা জনায়। অনুষ্ঠানটো পৰিচালনা কৰে নৰেন শইকীয়াই। উক্ত অনুষ্ঠানত বিভাগৰ কনিষ্ঠ অভিযন্তা স্বপ্নীল কাশ্যপ সহ মাজুলী জলসিঞ্চন বিভাগৰ সকলো বিষয়া কৰ্মচাৰীয়ে অংশগ্ৰহণ কৰে। উক্ত সম্বৰ্ধনা অনুষ্ঠানত সম্বৰ্ধনা গ্ৰহণ কৰি অৱসৰপ্ৰাপ্ত কৰ্মচাৰীসকলে তেওঁলোকৰ কৰ্মজীৱনৰ বিভিন্ন অভিজ্ঞতা ব্যাখ্যা কৰি মৰ্মস্পৰ্শী ভাষণ প্ৰদান কৰে। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে পীতাম্বৰ দেৱ গোস্বামী মহাবিদ্যালয়ৰ প্ৰৱক্তা যদু কলিতা, অৰুণোদয় হাইস্কুলৰ শিক্ষক বসন্ত কুমাৰ শইকীয়াই অংশগ্ৰহণ কৰি শুভেচ্ছা মূলক ভাষণ প্ৰদান কৰে। বিভাগৰ কৰ্মচাৰী প্ৰদীপ দাসৰ গীতে সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে। অনুষ্ঠানত বিভাগৰ কৰ্মচাৰী সঞ্জীৱ দাস, প্ৰদীপ দাস, নৰেন শইকীয়াই শুভেচ্ছামূলক বক্তব্য প্ৰদান কৰি অৱসৰপ্ৰাপ্ত কৰ্মচাৰীসকলক শুভেচ্ছা জ্ঞাপন কৰে। উক্ত, সম্বৰ্ধনা অনুষ্ঠানত অৱসৰপ্ৰাপ্ত কৰ্মচাৰীসকলকৰ পৰিয়ালৰ লোকসকলেও অংশগ্ৰহণ কৰে।

## মুকালমুৱাত নিচাজাতীয় টেবলেটসহ এজনক আটক

**অসম বাৰ্তা, দৌলাশাল, ২৭ জানুৱাৰী ঃ** নলবাৰী জিলাৰ মুকালমুৱা আৰক্ষীয়ে ড্ৰাগছৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে। মুকালমুৱা থানাৰ আৰক্ষীয়ে কালি মুকালমুৱাৰ বৰুৱাপুটাত ড্ৰাগছ বিৰোধী অভিযান চলাই নিচাজাতীয় টেবলেটসহ এজনক আটক কৰে। মুকালমুৱা আৰক্ষীয়ে এক নিৰ্ভৰযোগ্য সূত্ৰৰ খবৰৰ ভিত্তিত হাজো-দৌলাশাল পথৰ বৰুৱাপুটাস্থিত দৃষ্টি হোটেলৰ সমীপত অভিযান চলাই ১১০টা নিচাজাতীয় টেবলেটসহ এজনক আটক কৰে। আটকাধীন যুৱকজন মুকালমুৱাৰ নাৰায়ণপুৰ ৰিজাৰ্ভ গাঁৱৰ জয়কান্ত বৰ্মনৰ পুত্ৰ দিপাংকৰ বৰ্মন বুলি জানিব পৰা গৈছে। ধৃত দিপাংকৰ বৰ্মনে এ.এছ-১৪ই.আৰ-৮৩৫২ নম্বৰৰ ইৰিস্কাখনৰে হাজো-দৌলাশাল পথৰে মুকালমুৱা দিশে নিচাজাতীয় টেবলেটসমূহ কঢ়িয়াই নি থকা অৱস্থাত আৰক্ষীয়ে আটক কৰে। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে যুৱকজনৰ বিৰুদ্ধে গোচৰ ৰুজু কৰি আজি নলবাৰীৰ মহামান্য আদালতত হাজিৰ কৰায়।

গোৱালপাৰাত অসম গৌৰব পদ্মশ্ৰী বঁটাৰে সন্মানিত ড° যোগেশ দেউৰীক সম্বৰ্ধনা

## দুধনৈত ৰাভা হাছং পৰিষদৰ ৭৭ সংখ্যক গণৰাজ্য দিৱস উদ্‌যাপন

### ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰিলে পৰিষদৰ চিফ টংকেশ্বৰ ৰাভাই




**ষ্টাফ ৰিপৰ্টাৰ, দুধনৈ, ২৭ জানুৱাৰী ঃ** ৰাজ্যৰ আন আন প্ৰান্তৰ লগতে দুধনৈতো ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ সৌজন্যত, দুধনৈ সম-জিলা আৰু স্থানীয় প্ৰশাসনৰ সহযোগিতাত ৭৭ সংখ্যক গণৰাজ্য দিৱস বৰ্ণাধ্য কাৰ্যসূচীৰে পালন কৰা হয়। দুধনৈ ৰাজহুৱা খেলপথাৰত কটকটীয়া নিৰাপত্তাৰ মাজত আয়োজন কৰা গণৰাজ্য দিৱসৰ কাৰ্যসূচীত মৰ্মে ৰাতিপুৱা প্ৰথমে শ্বহীদ তৰ্পণ কৰে পৰিষদৰ অধ্যক্ষ সোণাৰাম ৰাভাই। ইয়াৰ পিছতে ঠিক ৯ বজাৰ লগে লগে ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী টংকেশ্বৰ ৰাভাই। পতাকা উন্মোচনৰ পিছতে মুখ্য পাৰিষদ গৰাকীয়ে আৰক্ষী তথা দুধনৈৰ বিভিন্ন শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীৰ অভিবাদন গ্ৰহণ কৰে। টংকেশ্বৰ ৰাভাই পতাকা উন্মোচনৰ পিচতেই ৰাইজৰ উদ্দেশ্যি দিয়া ভাষণ প্ৰসংগত কয় যে যিসকল মহান ব্যক্তিৰ প্ৰচেষ্টাত ভাৰতবৰ্ষই স্বাধীনতাৰ সোৱাদ লাভ কৰিছিল সেই সকল ব্যক্তিক সশ্ৰদ্ধ প্ৰণিপাত জনোৱাৰ লগতে ভাৰতবৰ্ষই বিশ্বৰ ভিতৰতে শক্তিশালী ৰাষ্ট্ৰ হিচাবে আগবাঢ়ি আগুৱাই গৈছে। নতুন প্ৰজন্মৰ যুৱক যুৱতীয়ে ভাৰতবৰ্ষক শক্তিশালী ৰাষ্ট্ৰ হিচাবে নিৰ্মাণ কৰাত মুখ্য ভূমিকা গ্ৰহণ কৰিছে। তাৰ সমান্তৰালৈ ৰাভা হাছং পৰিষদীয় এলেকাটো সৰ্বদিশতে উন্নয়ন তৰান্বিত হৈছে। ইয়াৰ পিছতে পৰিষদৰ চিফ গৰাকীয়ে দুধনৈৰ কেবাখনো শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন দেশ ভক্তিমূলক গীত-নৃত্য আদি পৰিৱেশন কৰি দৰ্শকক আপ্লুত কৰে। অনুষ্ঠানত দুধনৈ সমজিলা আয়ুক্ত অৰুণ কুমাৰ ব্ৰহ্ম, দুধনৈ সমজিলা আৰক্ষী অধীক্ষক নূপুৰ ৰঞ্জন নেওঁগ, ৰাভাহাছং পৰিষদৰ সচিব, অধ্যক্ষ আদিকে ধৰি দুধনৈ জ্যেষ্ঠ নাগৰিক সহ বিভিন্ন শিক্ষানুষ্ঠান, অনুষ্ঠান প্ৰতিষ্ঠান সমূহৰ বিষয়ববীয়া আৰু দুধনৈবাসী ৰাইজ উপস্থিত থাকে। আনহাতে গোৱালপাৰা জিলা প্ৰশাসনে জেটিএছ খেলপথাৰত আয়োজন কৰা ৭৭ সংখ্যক গণৰাজ্য দিৱসৰ অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰে গোৱালপাৰাৰ জিলা আয়ুক্ত প্ৰদীপ টিমুংএ। পতাকা উন্মোচনৰ লগতে তেখেতে জিলাবাসীক উদ্দেশ্যি ভাষণ প্ৰদান কৰে। গোৱালপাৰা জিলা প্ৰশাসনে দেশৰ গণৰাজ্য দিৱস উপলক্ষে আয়োজন কৰা বৰ্ণাঢ্য অনুষ্ঠানৰ আৰম্ভণিতে জিলা আয়ুক্ত মহোদয়ে মাৰ্চ্চ পাষ্টত অংশগ্ৰহণকাৰী সকলৰ অভিবাদন গ্ৰহণ কৰে। ইয়াৰ পাছতে সম্পুৰ্ণ মৰ্যাদাসহ ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰা হয় আৰু অনুষ্ঠানত উপস্থিত থকা সকলোৱে ৰাষ্ট্ৰীয় সংগীত পৰিৱেশন কৰে। মাৰ্চ্চ পাষ্টত গোৱালপাৰা আৰক্ষী, সৈনিক স্কুল, গোৱালপাৰাকে ধৰি ১০টা দলে "ইউনিফৰ্ম শাখা"ত আৰু "ন'ন ইউনিফৰ্ম শাখাত" ১৬টা দলে মাৰ্চ্চ পাষ্টত অংশগ্ৰহণ কৰে। এই মাৰ্চ্চ পাষ্টত জিলাখনৰ বিভিন্ন মহাবিদ্যালয় আৰু বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। গণৰাজ্য দিৱসৰ অনুষ্ঠানত "বন্দে মাতৰম্" গীতটোৰ ১৫০ বছৰ উদ্‌যাপনৰ অংশ হিচাপে পৰিৱেশন কৰা হয়। আন সাংস্কৃতিক কাৰ্যসূচীত কেবাখনো বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন জনগোষ্ঠীয় নৃত্য আদি পৰিৱেশন কৰে। গণৰাজ্য দিৱসৰ অনুষ্ঠানত গোৱালপাৰাৰ কৃষি বিভাগ, স্বাস্থ্য বিভাগ, জনস্বাস্থ্য কাৰিকৰী বিভাগ, জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ আৰু গোৱালপাৰা পৌৰসভাই প্ৰতীক পট প্ৰদৰ্শন কৰে। গণৰাজ্য দিৱসৰ অনুষ্ঠানতে ৰাষ্ট্ৰপতিৰ বিশেষ আৰক্ষী বঁটা লাভ কৰা গোৱালপাৰাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক নৱনীত মহন্তক সম্বৰ্ধনা জনোৱা হয়। গোৱালপাৰা জিলা প্ৰশাসনৰ দ্বাৰা আয়োজিত ৭৭ সংখ্যক গণৰাজ্য দিৱস অনুষ্ঠানত আমন্ত্ৰিত অতিথি হিচাপে শেহতীয়াকৈ ২০২৬ বৰ্ষৰ পদ্মশ্ৰী বটাৰ বাবে নাম ঘোষিত হোৱা তথা অসম গৌৰৱ ড° যোগেশ দেউৰী, আন এগৰাকী অসম গৌৰৱ উপেন্দ্ৰ ৰাভা, গোৱালপাৰা পৌৰসভাৰ সভাপতি মহানন্দ পাঠক, গোৱালপাৰা বিজেপিৰ সভাপতি দীপাংক নাথ, জিলা প্ৰশাসনৰ শীৰ্ষ বিষয়াসকল, প্ৰাক্তন বিধায়ক, সাহিত্য-সংস্কৃতিৰ লগত জড়িত লোকসকল, বিশিষ্ট সমাজ কৰ্মী আদিয়ে অংশ গ্ৰহণ কৰে।

## বিমান দুৰ্ঘটনাত মৃত্যু অজিত

পাঁচজনৰে প্ৰাণহানি হৈছে। বিমানখনত অজিত পাৱাৰৰ লগতে তেওঁৰ ব্যক্তিগত নিৰাপত্তাৰক্ষী বিদীপ জাধৱ, এজন এটেণ্ডেণ্ট আৰু দুজন ক্ৰু সদস্য- পাইলট চুমিত কাপুৰ আৰু কো-পাইলট শম্ভৱী পাঠক আছিল। প্ৰাৰম্ভিক তথ্য অনুসৰি দুৰ্ঘটনাত কোনো লোক জীয়াই ৰৈ থকা নাই। ঘটনাস্থলীত অগ্নিনিৰ্বাপক বাহিনী আৰু উদ্ধাৰকাৰী দলে তৎক্ষণাত কাম আৰম্ভ কৰিছিল যদিও জুই আৰু বিস্ফোৰণৰ তীব্ৰতাৰ বাবে ধ্বংসাৱশেষৰ ওচৰলৈ যোৱাটো অতি বিপদজনক হৈ পৰিছিল। প্ৰত্যক্ষদৰ্শীসকলৰ বৰ্ণনা অনুসৰি বিমানখন অৱতৰণৰ আগতে বতাহত অস্থিৰ হৈ পৰিছিল আৰু হেলনীয়া হৈছিল। এগৰাকী মহিলা প্ৰত্যক্ষদৰ্শীয়ে কয় যে বিমানখন ৰাণৱেৰ কাষ চাপি অহাৰ লগে লগে মাটিত জোৰেৰে পৰি জুই লগাই দিছিল আৰু তাৰ পিছত প্ৰচণ্ড বিস্ফোৰণৰ শব্দ হৈছিল। আন এজন স্থানীয় লোকে জনাইছে যে ভূপতিত হোৱাৰ পিছত জুইৰ লেলিহান শিখা উঠিছিল আৰু চাৰি-পাঁচটা বিস্ফোৰণৰ ফলত ধ্বংসাৱশেষ বতাহত উৰি গৈছিল। বিমান ৰাডাৰৰ তথ্য অনুসৰি বিমানখন মুম্বাইৰ পৰা পুৱা ৮: ১০ বজাত উৰা মাৰিছিল আৰু প্ৰায় ৮: ৪৫ বজাত ৰাডাৰৰ সংযোগ হেৰুৱাইছিল। দুৰ্ঘটনা ঘটিছিল পুৱা ৮: ৫০ বজাৰ আশে-পাশে। অজিত পাৱাৰ মহাৰাষ্ট্ৰৰ ৰাজনীতিৰ এটা গুৰুত্বপূৰ্ণ স্তম্ভ আছিল। শৰদ পাৱাৰৰ ভতিজা হিচাপে ৰাজনীতিত প্ৰৱেশ কৰি তেওঁ সমবায় আন্দোলনৰ পৰা আৰম্ভ কৰি বিধানসভালৈকে নিজৰ প্ৰভাৱ বিস্তাৰ কৰিছিল। ১৯৯১ চনত বাৰামতীৰ পৰা প্ৰথমবাৰৰ বাবে বিধায়ক নিৰ্বাচিত হোৱাৰ পিছত তেওঁ বহুবাৰ এই আসনখনক প্ৰতিনিধিত্ব কৰিছিল। ২০২৩ চনত শৰদ পাৱাৰৰ এনচিপিৰ পৰা বিদ্ৰোহ কৰি বিজেপি নেতৃত্বাধীন মিত্ৰজোঁটত যোগদান কৰি তেওঁ উপ-মুখ্যমন্ত্ৰীৰ দায়িত্ব গ্ৰহণ কৰিছিল। ২০২৪ চনৰ বিধানসভা নিৰ্বাচনত তেওঁৰ দলে উল্লেখনীয় সফলতা লাভ কৰিছিল আৰু বাৰামতীত ভতিজা যোগেন্দ্ৰ পাৱাৰক ব্যাপক ভোটৰ ব্যৱধানত পৰাস্ত কৰিছিল। বাৰামতী আৰু সমগ্ৰ পশ্চিম মহাৰাষ্ট্ৰত তেওঁৰ নেতৃত্বত বহু উন্নয়নমূলক কাম সম্পন্ন হৈছিল। এই দুৰ্ঘটনাৰ খবৰে সমগ্ৰ দেশক শোকত ভাগি পেলাইছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহমন্ত্ৰী অমিত শ্বাহ, মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফড়নৱীছ আদিয়ে গভীৰ শোক প্ৰকাশ কৰিছে। মহাৰাষ্ট্ৰ চৰকাৰে তিনিদিনীয়া ৰাজ্যিক শোক ঘোষণা কৰিছে। অজিত পাৱাৰৰ অন্ত্যেষ্টিক্ৰিয়া বৃহস্পতিবাৰে বাৰামতীত ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন হ'ব বুলি জানিব পৰা গৈছে। বিমান দুৰ্ঘটনাৰ কাৰণ অনুসন্ধানৰ বাবে বিমান দুৰ্ঘটনা অনুসন্ধান ব্যুৰো (এএআইবি)ৰ দলে ঘটনাস্থলীত কাম আৰম্ভ কৰিছে। প্ৰাৰম্ভিকভাৱে ইয়াক দুৰ্ঘটনা বুলি গণ্য কৰা হৈছে যদিও সম্পূৰ্ণ তদন্তৰ পিছতহে সঠিক কাৰণ জানিব পৰা যাব।

## বিৰোধী ঐক্যৰ মিত্ৰতা পলম হোৱাত ৭টা

অভিযোগ তুলি চি পি আই (কমিউনিষ্ট পাৰ্টি অৱ ইণ্ডিয়া) দলে আনুষ্ঠানিকভাৱে সাতটা সমষ্টিত এককভাৱে নিৰ্বাচন খেলাৰ সিদ্ধান্ত ঘোষণা কৰিছে। বুধবাৰে গুৱাহাটীত অনুষ্ঠিত সংবাদমেলত চি পি আইৰ ৰাজ্যিক সম্পাদক কনক গগৈয়ে নিৰ্বাচনত যুঁজ দিবলগীয়া সাতটা সমষ্টিৰ নাম আৰু পেনেলত থকা প্ৰাৰ্থীসকলৰ নাম প্ৰকাশ কৰে। সেই সমষ্টিসমূহ হ'ল শিৱসাগৰ, নাজিৰা, তিতাবৰ, মৰিগাঁও, ঢকুৱাখনা, ডিমৌ আৰু গৌৰীপুৰ। কনক গগৈয়ে জনোৱা মতে- শিৱসাগৰত চাৰিজনীয়া পেনেল - মদন বৰুৱা, সতেন্দ্ৰ গগৈ, অনুপ গগৈ, সুহাসিনী বৰুৱা, ডিমৌত কৃষ্ণ গগৈ, জীতেন বৰপাত্ৰ গোঁহাই, অজয় বৰা, নাজিৰাত কনক গগৈ, তালেব আলী, তিতাবৰত বিশ্বজিৎ শইকীয়া (এজনীয়া পেনেল), ঢকুৱাখনাত ধীৰেন কছাৰী (এজনীয়া পেনেল), মৰিগাঁৱত তপন ডেকা (এজনীয়া পেনেল) আৰু গৌৰীপুৰত শ্বেখ মনচুৰ ৰহমান (এজনীয়া পেনেল)। চাৰিটা সমষ্টিত এজনীয়া পেনেল থকা বাবে সেইবোৰত প্ৰাৰ্থী চূড়ান্ত হৈছে। বাকী সমষ্টিসমূহত ৰাজ্যিক কাৰ্যনিৰ্বাহক বৈঠকত চূড়ান্ত সিদ্ধান্ত লোৱা হ'ব। সংবাদমেলত কনক গগৈয়ে কংগ্ৰেছক তীব্ৰ ভাষাৰে সমালোচনা কৰি কয়- "কংগ্ৰেছৰ বাবে পলম হৈছে। হীৰেণ গোঁহাইৰ দৰে স্বনামধন্য বুদ্ধিজীৱীয়েও ক্ষোভত সংবাদমেল দিবলগীয়া হৈছে। কংগ্ৰেছৰ নেতৃত্বই কথাবোৰ বুজি পোৱা নাই। বহু নেতা কেৱল ক্ষমতাকেন্দ্ৰিক। তেওঁলোকৰ সংবিধান আৰু গণতন্ত্ৰৰ প্ৰতি কোনো দায়বদ্ধতা নাই। তাহানিৰ নীতি-আদৰ্শত চলা কংগ্ৰেছৰ নেতা এতিয়া নাই।" অখিল গগৈক লৈ কনক গগৈয়ে কয় যে তেওঁ সমালোচনাৰ উৰ্দ্ধত নহয় আৰু তেওঁৰ ভেঁটি বাঁওপন্থীৰ ভেঁটি। গৌৰৱ গগৈৰ সৈতে লোকসভা নিৰ্বাচনৰ সময়ত যোগাযোগ হৈছিল যদিও এতিয়া কোনো কথা নাই। দেৱব্ৰত শইকীয়াৰ সৈতেও আলোচনা হৈছিল আৰু ৪ জানুৱাৰীত তালিকা দিয়া হৈছিল যদিও কোনো সঁহাৰি নাই। কনক গগৈয়ে স্পষ্ট কৰি কয়— "আমি সাতটা সমষ্টিত খেলিম। যদি দুটামান এৰিবলগীয়া হয় তেন্তে কাৰ্যনিৰ্বাহক সভাত সিদ্ধান্ত ল'ম। আমি বিজেপি জয়ী হোৱা কোনো কাম নকৰোঁ। য'ত আমাৰ শক্তি আছে তাত খেলিম। বাকী সমষ্টিত বিজেপি বিৰোধী শিবিৰক সমৰ্থন জনাম। এতিয়া আপোচৰ কথা নাই। ৰাইজৰ ওচৰত ক্ষমাপ্ৰাৰ্থী।" এই ঘোষণাৰ ফলত বিৰোধী শিবিৰৰ ঐক্যৰ সম্ভাৱনা আৰু দুৰ্বল হ'ব বুলি ৰাজনৈতিক মহলত চৰ্চা চলিছে।

### কেবিনেট মন্ত্ৰী প্ৰশান্ত ফুকনে উন্মোচন কৰিলে ৰাষ্ট্ৰীয় পতাকা

## লখিমপুৰত ৭৭ সংখ্যক গণৰাজ্য দিৱস পালন

**অসম বাৰ্তা, লীলাবাৰী, ২৭ জানুৱাৰী ঃ** সমগ্ৰ দেশৰ লগতে লখিমপুৰ জিলাতো বৰ্ণাঢ্য কাৰ্যসূচীৰে দেশৰ ৭৭ সংখ্যক গণৰাজ্য দিৱস উদ্‌যাপন কৰা হয়। লখিমপুৰ জিলা প্ৰশাসনৰ উদ্যোগত উত্তৰ লখিমপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত আয়োজিত গণৰাজ্য দিৱসৰ কাৰ্যসূচীত ৰাষ্ট্ৰীয পতাকা আনুষ্ঠানিকভাৱে উন্মোচন কৰে ৰাজ্য চৰকাৰৰ শক্তি বিভাগৰ মন্ত্ৰী প্ৰশান্ত ফুকনে। বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয় ছাত্ৰীৰ দ্বাৰা ৰাষ্ট্ৰীয সংগীত পৰিৱেশনৰ পিছতে আৰক্ষী বিভাগৰ অৰ্ধসামৰিক বাহিনী, এন.চি.চি, স্কাউট-গাইড, বিভিন্ন শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰদৰ্শন কৰা কুচ-কাৱাজৰ অভিবাদন গ্ৰহণ কৰাৰ পাছতে সংবিধান প্ৰণেতা ড° বি.আৰ. আম্বেদকাৰ, জাতিৰ পিতা মহাত্মা গান্ধী, সংবিধান সভাৰ অধ্যক্ষ ড° ৰাজেন্দ্ৰ প্ৰসাদ, গোপীনাথ বৰদলৈকে আদি কৰি স্বাধীনতা সেনানী আৰু অমৰ শ্বহীদসকলৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসমক দেশৰ এক উন্নত ৰাজ্য হিচাপে গঢ়ি তোলাৰ দিশত চলোৱা নিৰন্তৰ প্ৰয়াসৰ বাবে আজি ৰাজ্যখনে বিকাশৰ দিশত অগ্ৰগতি লাভ কৰিছে। এই পবিত্ৰ আৰু আনন্দময় মুহূৰ্তত ৰাজ্য চৰকাৰে লাভ কৰা সফলতা আৰু ৰাজ্যখনক দ্ৰুতগতিত আগুৱাই নিয়া আৰু লখিমপুৰ জিলাৰ বিভিন্ন বিভাগে জিলাখনলৈ আগবঢ়োৱা উন্নয়নৰ খতিয়ান মন্ত্ৰী গৰাকীয়ে দাঙি ধৰে। উত্তৰ লখিমপুৰ বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° বৰ্ণালী বৰা, চি.ডি.পি.অ. মনজিত শৰ্মাই আঁত ধৰা গণৰাজ্য দিৱসৰ কাৰ্যসূচীত দেশমাতৃৰ বন্দনাৰে সমৃদ্ধ এক বৰ্ণিল সাংস্কৃতিক অনুষ্ঠানো পৰিৱেশন কৰে। অনুষ্ঠানটোত 'বন্দে মাতৰম' সংগীতৰ আধাৰত নৃত্য পৰিৱেশন কৰে সংগীত কানন বিদ্যালয়ে, ভাস্কৰ সংস্কাৰ কেন্দ্ৰৰ দ্বাৰা পৰিৱেশন কৰা হয় মাচিং ফাৰ্মেচন, লখিমপুৰ সংগীত মহাবিদ্যালয়ে ড° ভূপেন হাজৰিকাৰ গীতৰ ওপৰত সৃষ্টিশীল নৃত্য পৰিৱেশন কৰে। উত্তৰ লখিমপুৰ পৌৰসভাই চুটি নাটক পৰিৱেশন কৰাৰ লগতে বাৰেৰহনীয়া নৃত্য পৰিৱেশন কৰে উত্তৰ লখিমপুৰ বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰীসকলে। উল্লেখযোগ্য যে, চুলিৰে গাড়ী টানি ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰে আৰক্ষী বিষয়া ৰত্নেশ্বৰ নেওগে। স্বাস্থ্য বিভাগ, পৰিবহণ বিভাগ, কৃষি বিভাগ, ৰেচম বিভাগ, জনস্বাস্থ্য বিভাগ, জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ বিভাগ, উত্তৰ লখিমপুৰ পৌৰসভা আৰু জিলা নিৰ্বাচনী বিভাগ আদি বিভাগসমূহে প্ৰতীকপট পৰিৱেশন কৰে। আনহাতে কুচ-কাৱাজত অংশগ্ৰহণকাৰী দলৰ শ্ৰেষ্ঠতা নিৰূপণ কৰি অনুষ্ঠানটিতে পুৰস্কৃত কৰা হয়। কুচ-কাৱাজত ডি.ই.এফ.-এ প্ৰথম স্থান আৰু ত্ৰয়োদশ অসম আৰক্ষী বাহিনীৰ দলে দ্বিতীয় স্থান লাভ কৰিবলৈ সক্ষম হয়। বিদ্যালয়ভিত্তিক কুচ-কাৱাজ প্ৰতিযোগিতাত উত্তৰ লখিমপুৰ বিশ্ববিদ্যালয়ে প্ৰথম, লখিমপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ে দ্বিতীয় আৰু সৰ্বেশ্বৰ বৰুৱা হিন্দী বিদ্যালয়ে তৃতীয় স্থান লাভ কৰে। জিলাখনৰ স্বচ্ছতাৰ ওপৰত ভিত্তি কৰি উত্তৰ লখিমপুৰ পৌৰসভাক বিশেষ সম্বৰ্দ্ধনা জনায় জিলা প্ৰশাসনে। দেশৰ ৭৭ সংখ্যক গণৰাজ্য দিৱসৰ সৈতে সংগতি ৰাখি কেন্দ্ৰীয় চৰকাৰে আগবঢ়োৱা পদ্মশ্ৰী সন্মান প্ৰাপক বিশিষ্ট সত্ৰীয়া শিল্পী হৰিচৰণ শইকীয়াক লখিমপুৰৰ জিলা আয়ুক্ত, জেষ্ঠ আৰক্ষী অধীক্ষক, বিহপুৰীয়া ৰাজহ চক্ৰ বিষয়াই তেওঁৰ বাসগৃহত উপস্থিত হৈ সম্বৰ্দ্ধনা জনায়। আনহাতে মন্ত্ৰী গৰাকীয়ে লখিমপুৰ চিকিৎসা মহাবিদ্যালয়ৰ ৰোগী আৰু কাৰাগাৰৰ কয়দীসকলৰ মাজত ফল-মূল বিতৰণ কৰে। বিয়লি উত্তৰ লখিমপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত লখিমপুৰ জিলা আয়ুক্ত কাৰ্যালয় বনাম জিলা ক্ৰীড়া সংস্থাৰ মাজত প্ৰতিযোগিতামূলক ক্ৰিকেট খেল অনুষ্ঠিত হয়। প্ৰতিযোগিতাখনত জিলা ক্ৰীড়া সংস্থাই জয়ী হৈ বিশেষ বঁটা লাভ কৰে। সন্ধিয়া ৫ বজাত চৰকাৰী কাৰ্যালয়ত, প্ৰতিষ্ঠানত আলোকসজ্জাৰে উজ্জীৱিত হৈ উঠে বুলি জিলাৰ ভাৰপ্ৰাপ্ত জনসংযোগ বিষয়া প্ৰাচুৰ্য প্ৰতীম নেওগে সংবাদ মাধ্যমক জানিবলৈ দিয়ে।



চিত্ৰশিল্পী সপোন কুমাৰ বৰদলৈক "সুকুমাৰ শিল্পী বঁটা আৰু মৃৎশিল্পী মুখেশ্বৰ কলিতাক" কাৰুকলা শিল্পী বঁটা প্ৰদান

## নাজিৰাত চিত্ৰকলাৰ কৰ্মশালা আৰু চিত্ৰাংকণ প্ৰতিযোগিতা



**অসম বাৰ্তা, নামতি, ২৭ জানুৱাৰী ঃ** নাজিৰা চিত্ৰকলা কেন্দ্ৰ, ললিত কলা কেন্দ্ৰৰ উদ্যোগত আৰু ভাৰতীয় পুৰাতত্ত্ব বিভাগৰ সহযোগত গণৰাজ্য দিৱসৰ লগত সংগতি ৰাখি সোমবাৰে ঐতিহাসিক কাৰেংঘৰৰ বাকৰিত এদিনীয়াকৈ এখনি চিত্ৰকলাৰ কৰ্মশালা অনুষ্ঠিত কৰা হয়। এই কৰ্মশালাত অসমৰ কুৰিৰোধিক চিত্ৰশিল্পীয়ে অংশগ্ৰহণ কৰে। সমান্তৰালকৈ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত এক চিত্ৰাংকণ প্ৰতিযোগিতাও অনুষ্ঠিত কৰা হয়। এই প্ৰতিযোগিতাত শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। লগতে বিশিষ্ট চিত্ৰশিল্পী সপোন কুমাৰ বৰদলৈক সুকুমাৰ শিল্পী বঁটা আৰু মৃৎশিল্পী মুখেশ্বৰ কলিতাক কাৰুকলা শিল্পী বঁটা প্ৰদান কৰা হয়। উক্ত অনুষ্ঠানত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে নাজিৰা সমজিলা তথ্য আৰু জনসংযোগ বিষয়া ড° বৰ্ণালী দত্ত আৰু পুৰাতত্ত্ব বিভাগৰ বিষয়ববীয়া সকল। ছাত্ৰ-ছাত্ৰী সকলৰ চিত্ৰাংকণ প্ৰতিযোগিতাৰ 'ক' শাখাত প্ৰথম দ্বিতীয়, তৃতীয়, চতুৰ্থ আৰু পঞ্চম স্থান লাভ কৰে ক্ৰমে প্ৰিয়ানুজ চেতিয়া, নিবিৰ গগৈ, মাহীৰ ফাইজাল হুছেইন, গুণময় দেৱী আৰু অনোখী চাহুৰে। 'খ' শাখাতপ্ৰথম দ্বিতীয় তৃতীয় চতুৰ্থ আৰু পঞ্চম স্থান লাভ কৰে ক্ৰমে আয়ুস দাস, ৰাজলক্ষ্মী গগৈ, চৈয়দা নাফিচা, অনসুয়া কলিতা আৰু লোজাইন ইফটিহাজে। 'গ' শাখাত প্ৰথম দ্বিতীয় তৃতীয় চতুৰ্থ আৰু পঞ্চম স্থান লাভ কৰে ক্ৰমে স্বৰাজ ফুকন, আফচানা বেগম, কৌশিক বৰগোঁহাই, খ্যাতি ৰাজবংশী আৰু পলদ্বীপ দাসে।

**সংখ্যালঘু নেতাৰ বিৰুদ্ধে জাঙুৰ খাই উঠিল ৰাইজ**

# সাপমাৰীৰ থানা স্থানান্তৰৰ ভয়ত শংকিত খিলঞ্জীয়া

## থানা স্থাপনৰ বিৰোধিতাৰে আৰক্ষীৰ বিৰুদ্ধে অপ-প্ৰচাৰত লিপ্ত সংখ্যালঘু নেতা

**ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ২৮ জানুৱাৰী ঃ** এখন আৰক্ষী চকী স্থানান্তৰৰ কেন্দ্ৰ কৰি এতিয়া আতংকিত হৈ পৰিছে ওদালগুৰি জিলাৰ সাপমাৰীৰ সংখ্যালঘু অধ্যুষিত অঞ্চলৰ সমীপত বসবাস কৰা খিলঞ্জীয়া বড়ো জনগোষ্ঠীৰ লোক সকল। নেমছু নামৰ সংগঠন এটাৰ নেতাই বৰ্তমানৰ সাপমাৰী আৰক্ষী চকী তথা প্ৰস্তাৱিত আৰক্ষী থানাখন স্থাপনৰ বিৰুদ্ধে চলোৱা অপপ্ৰচাৰৰ পিছতে এতিয়া থানা স্থানান্তৰ ভয়ত সংকিত হৈ পৰিছে খিলঞ্জীয়া লোক সকল। ২০০৮ চনৰ দৰং- ওদালগুৰিত সংঘটিত হোৱা ভয়ংকৰ গোষ্ঠীগত সংঘৰ্ষৰ সময়ত একাংশ দুষ্কৃতিকাৰীয়ে সাপমাৰী অঞ্চলৰ বড়ো জনগোষ্ঠীৰ গাঁওসমূহ জ্বলাই দিয়াত খিলঞ্জীয়া জনজাতীয় পৰিয়ালসমূহে ২০০৮ চনৰ পৰা ২০১২ চনলৈ সুদীৰ্ঘ ৪ বছৰ আশ্ৰয় শিবিৰত অতি দুৰ্বিষহ জীৱন কটাবলগীয়া হৈছিল। অৱশেষত ২০১২ চনত ৰাইজৰ ব্যাপক অনুৰোধ আৰু নিৰাপত্তাৰ স্বাৰ্থত সাপমাৰীত এখন আৰক্ষী চকী স্থাপন কৰা হয়। স্থানীয় খিলঞ্জীয়া ৰাইজে নিজৰ দখলত থকা মাটি আৰক্ষী চকীৰ বাবে এৰি দিয়াৰ লগতে স্ব-ইচ্ছাৰে শ্ৰমদান কৰি এই চকীখন নিৰ্মাণ কৰিছিল। এই আৰক্ষী চকীখন স্থাপন হোৱাৰ পিছতহে খিলঞ্জীয়া পৰিয়ালসমূহে নিজৰ গাঁৱলৈ নিৰাপদে উভতি অহাৰ সাহস পোৱাৰ লগতে বৰ্তমান শান্তিপূৰ্ণভাৱে বসবাস কৰি আছে পৰিয়াল সমূহ। শেহতীয়াকৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰখনে সাপমাৰীৰ আৰক্ষী চকীখনক এক পূৰ্ণাংগ থানালৈ উন্নীত কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে। অঞ্চলটোৰ সৰ্বসাধাৰণ ৰাইজেও এখন পূৰ্ণাংগ থানাৰ প্ৰয়োজনীয়তা অনুভৱ কৰি চৰকাৰী পদক্ষেপক আদৰণি জনাই এখন সভাও অনুষ্ঠিত কৰিছিল। কিন্তু ৰাইজৰ এই ঐক্যবদ্ধ প্ৰচেষ্টাক ৰহস্যজনকভাৱে বাধা দিয়াত উঠি পৰি লাগে নেমছু নামৰ সংগঠনটোৰ নেতা আচমত আলীয়ে। আচমত আলীয়ে ৰাজহুৱা সভাৰ ভুল ব্যাখ্যা কৰি আৰক্ষী চকী হ'লে অঞ্চলটোৰ মুছলমান লোকক উচ্ছেদ কৰিব বুলি অপ-প্ৰচাৰ চলাই বাধা দিয়াত নামি পৰে আৰক্ষী থানা নিৰ্মাণত। উচ্ছেদৰ নামত ওদালগুৰি সদৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মনোজ্জল গগৈয়ে সাধাৰণ লোকৰ পৰা টকা দাবী কৰিছেবুলিও অপ-প্ৰচাৰত লিপ্ত হয় নেতাজন। এনে মিছা অভিযোগৰ জৰিয়তে আচমত আলিয়ে অঞ্চলটোৰ মুছলমান লোকসকলক উত্তেজিত কৰি তুলিবলৈ চেষ্টা কৰাৰ লগতে থানা নিৰ্মাণৰ কামত বাধা দিয়াৰ ষড়যন্ত্ৰ ৰচাৰ অভিযোগ উঠিছে। আচমত আলীৰ এই খিলঞ্জীয়া বিৰোধী স্থিতি আৰু আৰক্ষীৰ বিৰুদ্ধে চলোৱা মিছা প্ৰচাৰৰ বিৰুদ্ধে এতিয়া সৰৱ হৈ পৰিছে সাপমাৰীৰ থলুৱা ৰাইজ। অঞ্চলটোৰ বড়ো ৰাইজে একত্ৰিত হৈ এই কু-চক্ৰান্তৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে একাংশ লোকে নিজৰ স্বাৰ্থৰ বাবে দালালি কৰি অঞ্চলটোত পুনৰ সংঘাত সৃষ্টিৰ চেষ্টা চলাইছে বুলিও অভিযোগ কৰে। ৰাইজে সাপমাৰীত আৰক্ষী থানা স্থাপন হ'বই লাগিব বুলি দাবী কৰি আৰক্ষীক মিছা অভিযোগেৰে টাৰ্গেট কৰা আচমত আলীৰ দৰে লোকৰ বিৰুদ্ধে প্ৰশাসনে কঠোৰ আইনী ব্যৱস্থা গ্ৰহণ কৰিবলৈও দাবী জনায়। এই সন্দৰ্ভত অঞ্চলটোৰ বড়ো আৰু মুছলমান ৰাইজে আচমত আলিৰ বিৰুদ্ধে এজাহাৰো দাখিল কৰে। এতিয়া অপপ্ৰচাৰেৰে সংঘাত সৃষ্টি কৰিব বিচৰা নেতাজনৰ বিৰুদ্ধে আৰক্ষীয়ে কি ব্যৱস্থা গ্ৰহণ কৰে তাৰ বাবে বাট চাইছে অঞ্চলটোৰ ৰাইজ।

**সংগীত প্ৰতিযোগিতা, সাংস্কৃতিক সন্ধিয়াৰ আয়োজন**

# ৩০ জানুৱাৰীৰ পৰা দ্বীপজ্যোতি চাৰণপাৰা ক্লাবৰ গৌৰৱোজ্জ্বল স্বৰ্ণ জয়ন্তী

**ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ২৮ জানুৱাৰী ঃ** ওদালগুৰি জিলাৰ টংলা বিধানসভা সমষ্টিৰ অন্তৰ্গত চাৰণপাৰা গাঁৱত ১৯৭৫ চনতে প্ৰতিষ্ঠা লাভ কৰা দ্বীপজ্যোতি চাৰণপাৰা ক্লাবৰ গৌৰৱময়, গৌৰৱোজ্জ্বল স্বৰ্ণ জয়ন্তী উৎসৱটি উদ্‌যাপন কৰিবলৈ ব্যাপক প্ৰস্তুতি চলাইছে। অনুষ্ঠানটিৰ সকলো কাৰ্যসূচী সুন্দৰ আৰু নিয়াৰিকৈ পৰিচালনা কৰিবৰ বাবে এগৰাকী বিশিষ্ট যুৱ সমাজকৰ্মী জৌশ্ৰাং বড়োক সভাপতি, অৱসৰপ্ৰাপ্ত শিক্ষক পুৰণ চন্দ্ৰ ডেকাক কাৰ্যকৰী সভাপতি, বিশিষ্ট গিতাৰ বাদক দেবকান্ত শৰ্মাক সম্পাদক ৰূপে লৈ এখনি শক্তিশালী স্বৰ্ণ জয়ন্তী উৎসৱ উদ্‌যাপন সমিতি গঠন কৰাৰ লগতে কেইবাখনো উপ-সমিতি গঠন কৰা হৈছে। ৩০ জানুৱাৰীৰ পৰা ১ ফেব্ৰুৱাৰীলৈ মুঠ তিনিদিন ধৰি চলিবলগীয়া স্বৰ্ণ জয়ন্তী উৎসৱৰ প্ৰথম দিনৰ কাৰ্যসূচী ৰাতিপুৱা পৰিবেশন নিকাকৰণেৰে শুভাৰম্ভ কৰা হ'ব। ৰাতিপুৱা ৮ বজাত ক্লাবৰ বন্তি প্ৰজ্বলন কৰিব দিবাকৰ শৰ্মাই। ৯-৩০বজাত ক্লাবৰ পতাকা উত্তোলন কৰিব সভাপতি ভূপেন্দ্ৰ চন্দ্ৰ নাথে। ৯ বজাত অঞ্চলটোৰ বিশিষ্ট ব্যক্তি সকলৰ দ্বাৰা উত্তোলন কৰা হ'ব স্বৰ্ণ জয়ন্তী উৎসৱৰ ৫০খনকৈ পতাকা। ১০ বজাত স্মৃতি তৰ্পণ কাৰ্যসূচী ৰূপায়ণ কৰিব ধোপগুৰি হাইস্কুলৰ প্ৰধান শিক্ষক দিগন্ত বৈশ্যই। ৮ বজাত গছপুলি ৰোপণ, ১১ বজাত স্বৰ্ণ জয়ন্তী তোৰণ উন্মোচন কৰিব বিটিচিৰ পাৰিষদ অৰ্জুন দৈমাৰীয়ে। ১১-৩০ বজাত ক্লাবৰ মূল তোৰণ উন্মোচন কৰিব অৱসৰপ্ৰাপ্ত ভাৰতীয় সৈনিক কমলেশ্বৰ নাথে। ১১-৪৫ ৰঙ্গমঞ্চ উন্মোচন কৰিব ৰাজ্য সভাৰ প্ৰাক্তন সাংসদ শান্তিয়ুছ কুজুৰে। ১২ বজাত ৰভা-মঞ্চ উন্মোচন কৰিব মৌগাঁও মিলন হাইস্কুলৰ প্ৰধান শিক্ষক হিৰণ শৰ্মাই। ১২-৩০ বজাত কাবাডী খেল প্ৰতিযোগিতা, ৩ বজাত ভূপেন্দ্ৰ সংগীত আৰু ৰাভা সংগীতৰ আধাৰত সৃজনীমূলক নৃত্য প্ৰতিযোগিতা আৰু সন্ধিয়া ৫০গছি বন্তি প্ৰজ্বলনেৰে প্ৰথম দিনৰ কাৰ্যসূচী সামৰণি পৰিব। দ্বিতীয় দিনৰ কাৰ্যসূচী সমূহৰ ভিতৰত থাকিব চিত্ৰাংকন প্ৰতিযোগিতা, সংগীত প্ৰতিযোগিতা আৰু সন্ধিয়া স্থানীয় শিল্পীৰ দ্বাৰা সাংবাদিক অনুষ্ঠান। অন্তিম তথা তৃতীয় দিনৰ কাৰ্যসূচী শুভাৰম্ভ কৰিব ৰাতিপুৱা ৮ বজাত। ৯ বজাত সাংস্কৃতিক শোভাযাত্ৰা দুপৰীয়া ১২-৩০ বজাত জৌশ্ৰাং বড়োৰ সভাপতিত্বত অনুষ্ঠিত হ'বলগীয়া মুকলি সভা উদ্বোধন কৰিব মৌগাঁও মিলন হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক গণেশ শৰণীয়াই। সভাত নিৰ্দিষ্ট বক্তাৰ আসন অলংকৃত কৰি ভাষণ প্ৰদান কৰিব খৈৰাবাৰী মহাবিদ্যালয়ৰ অধ্যাপক উত্তম কলিতাই। মুকলি সভাত অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়া, বিটিচিৰ উপমুখ্য কাৰ্যবাহী সদস্য ৰিহণ দৈমাৰী, কাৰ্যবাহী সদস্য দিগন্ত বৰুৱা, জিলা আয়ুক্ত পুলক পাটগিৰি, বিধায়ক দুৰ্গা দাস বড়ো, টংলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ড° দিলীপ বৰুৱাকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰিব। মুকলি সভাত স্মৃতিগ্ৰন্থ উন্মোচন কৰিব খৈৰাবাৰী মহাবিদ্যালয়ৰ অৱসৰী অধ্যাপিকা ড° জ্যোতিমা দেবীয়ে। সন্ধিয়া সাংস্কৃতিক অনুষ্ঠানেৰে কাৰ্যসূচীৰ সামৰণি পৰিব।

# পূব ডিব্ৰুগড় সাহিত্য সভাৰ আজীৱন আৰু হিতৈষী সভ্য সন্মিলন




**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২৮ জানুৱাৰী ঃ** অসম সাহিত্য সভাৰদ্বাৰা স্বৰ্ণ শাখা হিচাপে স্বীকৃতিপ্ৰাপ্ত পূব ডিব্ৰুগড় সাহিত্য সভাই আজীৱন আৰু হিতৈষী সভ্য সন্মিলন দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত কৰে। নালিয়াপুলস্থিত পূব ডিব্ৰুগড় সাহিত্য সভাৰ কাৰ্যালয় প্ৰাংগণত অনুষ্ঠিত অনুষ্ঠানৰ প্ৰাৰম্ভতে বন্তি প্ৰজ্বলন আৰু স্মৃতি তৰ্পন কৰা হয়। শাখাৰ সম্পাদিকা কণকচম্পা বুঢ়াগোহাঁইয়ে আঁতধৰা অনুষ্ঠানটি শাখাৰ প্ৰতিষ্ঠাপক সম্পাদক ডিম্বেশ্বৰ চলিহাৰ সহধৰ্মিণী ড° ডালিমী চলিহাই শুভাৰম্ভ কৰে। শাখাৰ সভাপতি ধনীৰাম বৰুৱাই সভাখনত সভাপতিত্ব কৰি উপস্থিত ৰাইজক আদৰণি জনোৱাৰ লগতে শাখাটিৰ উন্নয়নৰ দিশত গুৰুত্ব আৰোপ কৰি ১৯৭১ চনতে প্ৰতিষ্ঠা লাভ কৰা জাতীয় অনুষ্ঠানটিৰ বিষয়ে বিবৰি কয়। সভাখন উদ্বোধন কৰি শাখাৰ উপদেষ্টা ড° প্ৰাতসলতা বুঢ়াগোহাঁইয়ে কয় যে জাতীয় অনুষ্ঠানটিৰ উন্নয়ন কৰিবৰ বাবে শাখাৰ সভাপতিকে আদি কৰি সকলো সদস্য- সদস্যাই মিলিজুলি কাম কৰিব লাগে। আনহাতে, সভাত উপস্থিত থাকি গল্পকাৰ প্ৰশান্ত শইকীয়াই ভাষণ প্ৰসংগত অসম সাহিত্য সভাৰ কুঁহি অনুষ্ঠানটি ডিব্ৰুগড়ত বিশেষভাৱে আয়োজন কৰাৰ কথা ব্যক্ত কৰাৰ লগতে শাখাটিৰ উন্নয়নৰ দিশত কাম কৰি যাবলৈ সকলোকে আহ্বান জনায়। সভাত বিশিষ্ট সাহিত্যিক, অনুবাদক দেবীপ্ৰসাদ বাগড়োদিয়াই সাৰগৰ্ভ ভাষণ প্ৰদানেৰে সকলোকে মন্ত্ৰমুগ্ধ কৰি তোলে। ইয়াৰ পাছতেই শাখাৰ উপ-সভাপতি টিকেন্দ্ৰজিৎ গগৈৰ পৰিচালনাত সদস্যসকলৰ পৰিচয় পৰ্ব, নতুনকৈ আজীৱন সভ্য আৰু হিতৈষী সভ্যসকলক আদৰণি আৰু স্বীকৃতি-পত্ৰ প্ৰদান কৰে। সভাত শিশু সাহিত্য সমাজ অসমৰ সভাপতি প্ৰসেনজিৎ কুমাৰ গোস্বামী, শাখাৰ উপদেষ্টা খগেন্দ্ৰ নাথ, লুইতপৰীয়া শাখা সাহিত্য সভাৰ সভাপতি সুৰেশ আগৰৱালাৰ লগতে বহুকেইগৰাকী গণ্য-মান্য ব্যক্তি তথা শতাধিক ৰাইজ উপস্থিত থাকে।

**থানা সমূহত পালনৰ প্ৰস্তুতি**

# আজি গাঁওৰক্ষী বাহিনীৰ প্ৰতিষ্ঠা দিৱস

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ২৮ জানুৱাৰী ঃ** স্বাধীনতা সংগ্ৰামী, মুক্তিযুদ্ধা টীয়কৰ প্ৰাক্তন বিধায়ক হৰিনাৰায়ণ বৰুৱাই যোৰহাট তিতাবৰৰ বিৰিনা শায়েকত প্ৰথমখন ভিডিপি গঠন কৰিছিল। চুৰি-ডকাইতক প্ৰতিৰোধ কৰিবৰ বাবে গাঁওখনৰ লোকসকলক সুৰক্ষা প্ৰদান কৰিবৰ বাবে গঠন কৰা ভি ডি পি তেওঁ বিধায়ক থকাৰ সময়ত চৰকাৰৰ অধিনস্থ কৰিছিল। ১৯৪৯ চনৰ ২৯ জানুৱাৰীত প্ৰতিষ্ঠা কৰা ভি ডি পি বৰ্তমান থানাভিত্তিত পঞ্জীয়ন কৰি চৰকাৰৰ গৃহ বিভাগৰ অধিনত আৰক্ষীক সহায় কৰিবৰ বাবে পৰিচালনা কৰি থকাৰ লগতে বৰ্তমানো গাঁওবোৰত সুৰক্ষা দি আছে। বৰ্তমান ৰাজ্যখনত ২৮০০ৰো অধিক ভিডিপি পঞ্জীয়নভুক্ত হৈ থকাৰ লগতে অ-পঞ্জীয়নভুক্ত গাঁওৰক্ষী বাহিনীবোৰো ৰাইজে প্ৰতিষ্ঠা কৰি পৰিচালনা কৰি আছে। ভিডিপিৰ প্ৰতিষ্ঠা দিৱস প্ৰতি বছৰে চৰকাৰে পালন কৰি আহিছিল যদিও এই বছৰ প্ৰস্তুতি নকৰাত চক্ৰসংগঠকসকলে উদ্যোগ লৈ ভিডিপিবোৰৰ সহজোগত প্ৰতিখন থানাতে ২৯ জানুৱাৰীত পালন কৰিবলৈ আয়োজন কৰিছে। যোৰহাট পুলিবৰ থানা ভি ডি পিৰ কাৰ্যালয়ত ভিডিপিৰ প্ৰতিষ্ঠা দিৱস পালন কৰিব। থানা এলেকাৰ পঞ্জীয়নভুক্ত ১০১ আৰু অ-পঞ্জীয়নভুক্ত ৬২খন ভি ডি পিৰ সৈতে জড়িতসকলক দিনৰ ১০-৩০ বজাত পুলিবৰ থানা গাঁওৰক্ষী বাহিনীৰ কাৰ্যালয়-মঞ্চ-প্ৰেক্ষাগৃহত উপস্থিত হ'বলৈ চক্ৰসংগঠক ৰাজেন দাসে আমন্ত্ৰণ জনাইছে। উল্লেখ্য, ১৮-৪০ বছৰৰ বয়সৰ ২৫গৰাকী পুৰুষ-মহিলাৰে একোখন ভিডিপি গঠন কৰি ১০০ ঘৰ চোৰা-চিটা কৰি থকাৰ লগতে ভি ডি পিৰে জড়িত ২৫ গৰাকীৰ ব্যক্তিগত বেংক হিচাবত চৰকাৰৰ গৃহ বিভাগে পকেট মানি দিয়াৰ নিয়ম কৰিলে। একোখন ভিডিপিৰ কাৰ্যকাল ৫ বছৰ। পঞ্জীয়নভুক্ত হ'লেহে এই মাননি জড়িতসকলে ৫ বছৰলৈকে পাই থাকিব। জড়িতসকলে নিৰ্দিষ্ট এলেকাটো অপৰাধমুক্ত কৰি ৰখাৰ প্ৰচেষ্টা কৰি থাকিব লাগিব।

# চামগুৰিৰ পাঘালিত স্বামীৰ অত্যাচাৰত পত্নীৰ মৃত্যু; মাতৃহাৰা ১১ মহীয়া পুত্ৰ

**যৌতুক দাবীৰ অভিযোগ**

**অসম বাৰ্তা, পুৰণিগুদাম, ২৮ জানুৱাৰী ঃ** যৌতুকৰ বাবেই এগৰাকী বোৱাৰীয়ে মৃত্যুক আঁকোৱালি ল'বলগীয়া এক ঘটনা সংঘটিত হৈছে নগাঁও জিলাৰ চামগুৰিত। প্ৰাপ্ত খবৰ মতে, চামগুৰি আৰক্ষী থানাৰ অধীনৰ শিৰস্থান আৰক্ষী চকীৰ অন্তৰ্গত পাঘালি অঞ্চলৰ এজন লোকে নিজ পত্নীক হত্যা কৰাৰ অভিযোগত আৰক্ষীয়ে আটক কৰিছে। যোৱা ২৬ জানুৱাৰীৰ গণৰাজ্য দিৱসৰ দিনাই লোকজনে নিজ পত্নীক বিহ খুৱাই হত্যা কৰা বুলি অভিযোগ উত্থাপন হৈছে। অভিযুক্ত নিষ্ঠুৰ পিতৃৰ বাবেই মাতৃহাৰা হ'বলগীয়া হ'ল এটি ১১ মহীয়া পুত্ৰ সন্তান। জানিব পৰা মতে, আজিৰ পৰা দুটা বছৰৰ পূৰ্বে পাঘালি অঞ্চলৰ হাৰিকুল ইছলাম নামৰ লোকজনে দুই নং ভাটিয়াখালিৰ ফাৰহানা খাতুনৰ লগত বিবাহপাশত আৱদ্ধ হৈছিল। বিবাহৰ কিছুদিনৰ পিছৰে পৰাই হাৰিকুল ইছলামে যৌতুকৰ দাবীৰে ফাৰহানা খাতুনক অত্যাচাৰ চলাই আহিছিল বুলি অভিযোগ উঠিছে। কৰ্মসংস্থাপনৰ বাবে মাজে-সময়ে বহিঃৰাজ্যলৈ ঢাপলি মেলা হাৰিকুলে নিজ পত্নীক হত্যা কৰি দ্বিতীয় বিবাহ কৰোৱাৰো হুমকি দি আহিছিল বুলি মহিলাগৰাকীৰ পৰিয়ালৰ লোকে অভিযোগ উত্থাপন কৰিছে। অভিযোগ অনুসৰি, যোৱা সোমবাৰে হাৰিকুলে নিজ পত্নীক মাৰপিট কৰাৰ অন্তত বিহ খুৱাই হত্যা কৰে বুলি মহিলা গৰাকীৰ পৰিয়ালৰ লোকে সন্দেহ কৰে। ১১ মহীয়া পুত্ৰ সন্তানৰ মাতৃ ফাৰহনাই চিকিৎসাধীন অৱস্থাত নগাঁৱৰ এখন ব্যক্তিগত চিকিৎসালয়ত শেষ নিশ্বাস ত্যাগ কৰে। উক্ত ঘটনা সন্দৰ্ভত চামগুৰি আৰক্ষী থানাৰ অধীনৰ শিৰস্থান আৰক্ষী চকীৰ আৰক্ষীয়ে ইতিমধ্যে অভিযুক্ত হাৰিকুলক আটক কৰি আজি জে'ল হাজোতলৈ প্ৰেৰণ কৰে বুলি আৰক্ষীৰ এক সূত্ৰই জানিবলৈ দিয়ে। আনহাতে মহিলাগৰাকীয়ে আত্মহত্যা কৰিলে নে স্বামীয়ে হত্যা কৰিলে সেই সন্দৰ্ভত পৰৱৰ্তী সময়ত আৰক্ষীৰ তদন্ততে প্ৰকৃত ৰহস্য পোহৰলৈ আহিব বুলি স্থানীয় সচেতনমহলে মতপোষণ কৰিছে।

# মাজুলীত অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশিপ ক্ৰিকেট প্ৰতিযোগিতা

**অসম বাৰ্তা, উজনী মাজুলী, ২৮ জানুৱাৰী ঃ** অসম ক্ৰিকেট সন্থাৰ অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ প্ৰতিযোগিতাৰ মাজুলী জিলা ক্ৰিকেট সন্থাৰ উদ্যোগত আজি মাজুলী ক্ৰীড়া ক্ষেত্ৰ কমলাবাৰীত সফলতাৰে অনুষ্ঠিত হয়। ২৭ জানুৱাৰী পৰা আৰম্ভ হোৱা দুদিনীয়া চূড়ান্ত খেলখনি শুভাৰম্ভ কৰে মাজুলী জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে। জিলা ক্ৰিকেট সন্থাৰ উপ সভাপতি প্ৰতাপ বৰুৱাই আত ধৰা চূড়ান্ত খেলৰ বঁটা বিতৰণী অনুষ্ঠানত উপস্থিত থাকে অসম ক্ৰিকেট সন্থাৰ উপ সভাপতি ৰমেন দত্ত, মাজুলী মহাবিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত অধ্যক্ষ ড° আনন্দ হাজৰিকা, বিশিষ্ট সমাজকৰ্মী কৃষ্ণ কমল শইকীয়া, জিলা ক্ৰিকেট সন্থাৰ সভাপতি জিতেন্দ্ৰ নাথ, সাধাৰণ সম্পাদক মনোজ কুমাৰ বৰা লগতে সন্থাৰ বিষয়ববীয়া সকল। আজি অনুষ্ঠিত হোৱা চূড়ান্ত খেলত গড়মুৰ টাউন ক্লাবে ফ'কাচ একাদশক ১৪৭ ৰাণত পৰাজিত কৰি চূড়ান্ত বিজয়ীৰ সন্মান লাভ কৰে।

# বকোত সমজিলা আয়ুক্তৰ কাৰ্য্যালয়ত বিজেপি নেতাৰ ভোট চুৰিৰ ঘটনাক লৈ কংগ্ৰেছ দলৰ উত্তাল প্ৰতিবাদী ধৰ্ণা

**অসম বাৰ্তা, বকো, ২৮ জানুৱাৰী ঃ** ভোটাৰ তালিকাৰ বিশেষ পৰ্য্যবেক্ষণ চমুকৈ এচ আৰক লৈ দেশ জুৰি ব্যাপক চৰ্চা চলি থকাৰ মাজতে কামৰূপ জিলাৰ বকো-ছয়গাঁও সম জিলা আয়ুক্তৰ কাৰ্যালয়ত যোৱা ২২ জানুৱাৰীৰ নিশা শাসকীয় বিজেপি দলৰ নেতাই সংগোপনে প্ৰৱেশ কৰি নিৰ্বাচন আয়োগৰ পৰ্টেল খুলি নতুন ভোটাৰৰ সংযোজন আৰু ভোটাৰ তালিকাৰ পৰা ভোটাৰ নাম কৰ্তনৰ নিচিনা জঘন্য গণতন্ত্ৰ বিৰোধী কাৰ্য্যত জড়িত হোৱা ঘটনাত হাতে লোটে ধৰা পৰিছিল। ইফালে ২৩ জানুৱাৰীত উক্ত ভোট চুৰিৰ ঘটনাত জড়িত সকলোক আটক কৰাৰ বাবে কংগ্ৰেছ দলৰ পৰা বকো আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছিল। কিন্তু প্ৰশাসনৰ পৰা গুৰুত্ব দিয়া দেখা নগ'ল। এই ভোট চুৰিৰ অভিযোগ তুলি উক্ত ঘটনাৰ প্ৰতিবাদত আজি বকোত কংগ্ৰেছ দলে গ্ৰহণ কৰে এক তীব্ৰ প্ৰতিবাদী ধৰ্ণা কাৰ্য্যসূচী। উল্লেখ্য, অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ নিৰ্দেশ মৰ্মে কামৰূপ জিলা কংগ্ৰেছ কমিটীৰ উদ্যোগত লগতে বকো আৰু বনগাঁও ব্লক কংগ্ৰেছ কমিটীৰ যুটীয়া সহযোগত বকো-ছয়গাঁও সম জিলা আয়ুক্তৰ কাৰ্লায়ৰ সন্মুখত ৰূপায়ণ কৰে এই প্ৰতিবাদী ধৰ্ণা কাৰ্যসূচী। উক্ত ভোট চুৰি কাৰ্যত হাতে লোটে ধৰা পৰা অপৰাধী কেইজনক দৃষ্টান্তমূলক শাস্তি প্ৰদান কৰা আৰু বিজেপি চৰকাৰৰ ভোট চুৰি কাৰ্য্যৰ প্ৰতিবাদত বিশাল ধৰ্ণা প্ৰতিবাদী কাৰ্য্যসূচী ৰূপায়ণ কৰা হয়। প্ৰতিবাদী কংগ্ৰেছ কৰ্মী সকলে বিজেপি চৰকাৰ ভোট চোৰ, বিজেপি চৰকাৰ হায় হায়, ভোট চোৰক শাস্তি দিয়ক, বিজেপি চৰকাৰ মুৰ্দাবাদ আদি শ্লোগানেৰে বকোৰ আকাশ-বতাহ উত্তাল কৰি তোলে। প্ৰতিবাদী কাৰ্য্যসূচীত প্ৰাক্তন সাংসদ আৰ পি শৰ্মা, ছয়গাঁৱ সমষ্টিৰ বিধায়ক ৰেকিবুদ্দিন আহমেদ, বকোৰ বিধায়িকা নন্দিতা দাস, প্ৰদেশ কংগ্ৰেছ কমিটীৰ সাধাৰণ সম্পাদক তথা কামৰূপ জিলা কংগ্ৰেছৰ তত্ত্বাৱধায়ক ৰামান্না বৰুৱা, কামৰূপ জিলা কংগ্ৰেছ কমিটীৰ সভাপতি প্ৰাণজিৎ চৌধুৰী, মাৰ্চেলা চাংমাৰ উপৰিও বহু সংখ্যক ৰাজ্যিক আৰু জিলা পৰ্য্যায়ৰ নেতা কৰ্মী উপস্থিত থাকে। উল্লেখ্য যে; বকো আৰু বনগাঁও ব্লক কংগ্ৰেছৰ সভাপতি ক্ৰমে তুলেশ্বৰ ৰাভা আৰু চবিন বড়ো প্ৰমুখ্যে জিলা কংগ্ৰেছৰ বিষয় ববীয়া, বকো ছয়গাঁৰ সমষ্টিৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থীত্ব প্ৰত্যাশী সকল ব্লক কংগ্ৰেছ, মণ্ডল কংগ্ৰেছ, মহিলা কংগ্ৰেছ, যুৱ কংগ্ৰেছ, সেৱাদল, আদি ছেলৰ বিষয় ববীয়া লগতে সকলো পৰ্যায়ৰ কংগ্ৰেছ কৰ্মীয়ে অংশগ্ৰহণ কৰে। উক্ত প্ৰতিবাদী ধৰ্ণা কাৰ্যসূচীৰ অন্তত বকো সমজিলাৰ আয়ুক্ত প্ৰিয়াংশু ভৰদ্বাজৰ অনুপস্থিতিত পলাশবাৰী সমজিলাৰ আয়ুক্ত ৰশ্মি ৰেখা গগৈৰ জৰিয়তে নিৰ্বাচনী আয়োগলৈ এখনি স্মাৰক পত্ৰ প্ৰেৰণ কৰে।

# যোৰহাট পুৰণিমাটি সহায়কাৰী স্বাস্থ্য কেন্দ্ৰত চুৰি

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ২৮ জানুৱাৰী ঃ** যোৰহাট পুলিবৰ থানাৰ এলেকাভুক্ত পুৰণিমাটি সহায়কাৰী স্বাস্থ্য কেন্দ্ৰত যোৱা নিশা চুৰি কাৰ্য সংঘটিত হয়। স্বাস্থ্য কেন্দ্ৰখনৰ খিৰিকী ভাঙি চোৰ প্ৰৱেশ কৰে আৰু বৈদ্যুতিক সা-সৰঞ্জাম ভাঙি-ছিঙি লণ্ড-ভণ্ড কৰে আৰু বৈদ্যুতিক পাংখা চোৰে লৈ যায়। চোৰে অন্য কোঠাবোৰলৈও প্ৰৱেশৰ চেষ্টা কৰিছিল যদিও বিফল হয়। ডেৰ কুৰীয়া গাঁৱত ভিডিপি আছে যদিও চুৰি কাৰ্য সংঘটিত হোৱাত অঞ্চলটোৰ লোকসকলে আশ্চৰ্য প্ৰকাশ কৰিছে। স্বাস্থ্য কেন্দ্ৰখনৰ বিষয়া কৰ্মচাৰীসকল আজি উপস্থিত হৈ চুৰি কাৰ্য হোৱা দেখি ডেৰ কুৰীয়া গাঁৱৰ ভি ডি পিৰ সম্পাদকক অৱগত কৰাৰ লগতে শ'লমৰা চিকিৎসালয়ৰ মুখ্য চিকিৎসা বিষয়া, স্বাস্থ্য বিভাগৰ যোৰহাটৰ যুটীয়া সঞ্চালক আৰু স্বাস্থ্য কেন্দ্ৰটোৰজন আৰোগ্য সমিতিখনৰ বিষয়ববীয়া সদস্যক জনাই যোৰহাট পুলিবৰ থানাত এজাহাৰ দাখিল কৰে। চোৰ কৰায়ত্ত কৰি সামগ্ৰী উদ্ধাৰ কৰিবলৈ আৰক্ষীক অনুৰোধ জনাইছে।

**সাহিত্য জাতিটোৰ মেৰুদণ্ড ঃ দিবাকৰ বৰা**

# আমতলত ব্ৰহ্মহিত সাধিনী সাহিত্য কাননৰ মধ্যকালীন অধিৱেশন

**ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ২৮ জানুৱাৰী ঃ** ওদালগুৰি জিলা সাহিত্য সভাৰ অন্যতম স্বৰ্ণ শাখা ব্ৰহ্মহিত সাধিনী সাহিত্য কাননৰ মধ্যকালীন বিশেষ সাধাৰণ সভাখন জলাহ আমতল শিৱ মন্দিৰ প্ৰাঙ্গণত ২৭ জানুৱাৰী সফলতাৰে সামৰণি পৰে। দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয় অধিৱেশনৰ কাৰ্যসূচী অনুসৰি পুৱাৰ ভাগত ব্ৰহ্মহিত সাধিনী সাহিত্য কাননৰ পতাকা উত্তোলন কৰে অৱসৰী শিক্ষক তথা বিশিষ্ট সমাজ সেৱক ভৱ ডেকাই। স্মৃতি তৰ্পণ কৰে অৱসৰী কৰ্মচাৰী চিন্তা ৰাম ডেকাই। পুৱা ১১ বজাৰ পৰা কণকণ ছাত্ৰ-ছাত্ৰীৰ মাজত চিত্ৰাংকণ প্ৰতিযোগিতা আৰু কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। আবেলি ব্ৰহ্মহিত সাধিনী সাহিত্য কাননৰ উপসভাপতি দেবেন্দ্ৰ নাথ চহৰীয়াৰ সভাপতিত্বত মুকলি সভা অনুষ্ঠিত হয়। মুকলি সভাৰ আৰম্ভণিতে স্থানীয় শিল্পীৰ দ্বাৰা আৰম্ভণি গীত চিৰ চেনেহী পৰিবেশন কৰে। সভাত উদ্দেশ্য ব্যাখ্যা কৰে ব্ৰহ্মহিত সাধিনী সাহিত্য কাননৰ সম্পাদক যোগেন্দ্ৰ নাথ ডেকাই। নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থকা ওদালগুৰি জিলা সাহিত্য সভাৰ সম্পাদক দিবাকৰ বড়াই ভাষণৰ প্ৰসংগত কয় সাহিত্য সভা হৈছে জাতিটোৰ মেৰুদণ্ড স্বৰূপ, এটা জাতিৰ কৃষ্টি সংস্কৃতিৰ জীয়াই থাকিবলৈ হলে সাহিত্য প্ৰয়োজন অপৰিসীম। সাহিত্যই সমাজ পৰিবৰ্তন কৰি পাৰে, সাহিত্যৰ জৰিয়তে আমি নতুন প্ৰজন্ম নতুন পথ দেখুৱাই নিব লাগিব বুলি কয়। সভাত কবি নিতু শৰ্মা আৰু মনোৰঞ্জন বৰুৱাৰ স্বৰচিত কবিতা পাঠ লগতে কণকণ ছাত্ৰ-ছাত্ৰীৰ নৃত্য, গীত আদিয়ে অনুষ্ঠানখন জীপাল কৰি তোলে। আনহাতে সভাত বিশিষ্ট অতিথি হিচাবে উপস্থিত থাকে অসম সাহিত্য সভাৰ বিশেষভাৱে আমন্ত্ৰিত সদস্য গৌৰী শংকৰ দাস, ওদালগুৰি জিলা সাহিত্য সভা উপ সমিতি ৰামধেনুৰ আহ্বায়ক অৰূপ বড়ো, জলাহ, এৰাবাৰী, আমতল, খুটিসুবা, বটাবাৰী আদি অঞ্চলৰ ৰাইজৰ লগটে বিশিষ্ট ব্যক্তি সকল। সভাৰ শেষত শলাগড় শৰাই আগবঢ়াই সম্পাদক যোগেন্দ্ৰ নাথ ডেকাই। সদৌ শেষত সভাপতিৰ বক্তব্য আৰু মন্তব্যৰ লগতে অসম সংগীত পৰিৱেশনেৰে সভাৰ সামৰণি পৰে।

# তিনিচুকীয়া জিলাৰ স্বীকৃতিপ্ৰাপ্ত সাংবাদিকৰ মাজত মুখ্যমন্ত্ৰীৰ নতুন বছৰৰ উপহাৰ বিতৰণ

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ২৮ জানুৱাৰী ঃ** অসম চৰকাৰৰ জনসংযোগ বিভাগৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত ৰাজ্যখনৰ সাংবাদিকসকললৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আগবঢ়োৱা ইংৰাজী নৱবৰ্ষৰ উপহাৰ আজি তিনিচুকীয়া জিলাৰ স্বীকৃতিপ্ৰাপ্ত সাংবাদিকসকলৰ মাজত আনুষ্ঠানিকভাৱে বিতৰণ কৰা হয়। এই উপলক্ষে বৰগুৰিস্থ তিনিচুকীয়া জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত সন্ধিয়া ৭ বজাত অনুষ্ঠিত কৰা এক অনুষ্ঠানত তিনিচুকীয়া জিলাৰ আয়ুক্ত সুমিত ছাত্তাৱনে উপহাৰসমূহ বিতৰণ কৰে। অনুষ্ঠানত জিলা আয়ুক্তগৰাকীয়ে সাংবাদিকসকলক পেছাগত দায়বদ্ধতাৰ লগতে সামাজিক দায়বদ্ধতাৰে সংবাদসেৱা কৰিবলৈ আহ্বান জনায়। জিলা তথ্য আৰু জনসংযোগ বিষয়া বিকাশ শৰ্মাই আঁত ধৰা অনুষ্ঠানটিত জিলাখনৰ শদিয়া, ছৈখোৱা, ডুমডুমা, মাকুম, তিনিচুকীয়া, ডিগবৈ, মাৰ্ঘেৰিটা, জাগুন আদি অঞ্চলৰ অৰ্দ্ধশতাধিক সাংবাদিকে এই উপহাৰ গ্ৰহণ কৰে।

**অসম জাতীয় পৰিষদৰ একমাত্ৰ কাউঞ্চিলাৰ মেৰিলীন বড়া গগৈসহ ডেৰ শতাধিক কৰ্মী যোগদান বিজেপিত**

# তিনিচুকীয়াত বিধ্বস্ত অসম জাতীয় পৰিষদ




**অসম বাৰ্তা, তিনিচুকীয়া সদৰ, ২৮ জানুৱাৰী ঃ** সমাগত ৰাজ্যৰ বিধানসভা নিৰ্বাচন। বিধানসভা নিৰ্বাচনৰ প্ৰাকক্ষণত তৎপৰ শাসক বিৰোধী সকলো দলেই নিজৰ নিজৰ ৰাজনৈতিক ভেটি সুদৃঢ় কৰিবলৈ অৱলম্বন কৰিছে তৎপৰতা। তাৰ মাজতে ৰাজ্যৰ অন্যতম আঞ্চলিক ৰাজনৈতিক দল অসম জাতীয় পৰিষদলৈ আহিছে বিভীষিকা। দলটোৰ পৰা বিগত পঞ্চায়ত নিৰ্বাচনত তিনিচুকীয়া জিলাৰ নৱগঠিত মাকুম বিধানসভা সমষ্টিৰ অন্তৰ্গত বজালতলী আঞ্চলিক পঞ্চায়তৰ সদস্য হিচাপে প্ৰতিদ্বন্দ্বী বুবিতা আগৰঢ়াই শাসকীয় মিত্ৰদল তথা অসম গণ পৰিষদৰ প্ৰাৰ্থীক পৰাভূত কৰি জয়ী হোৱা মেৰিলীন বড়া গগৈয়ে বুধবাৰে প্ৰায় ডেৰ শতাধিক সমৰ্থকক লগত লৈ তিনিচুকীয়া জিলা বিজেপিৰ কাৰ্যালয়ত যোগদান কৰে বিজেপিত। জিলাখনৰ নৱগঠিত মাকুম বিধানসভা সমষ্টিত আঞ্চলিক দল অসম জাতীয় পৰিষদৰ কিছু ভেটি আছিল যদিও আঞ্চলিক পঞ্চায়তৰ সদস্যাগৰাকীৰ বিজেপি গমনে সমষ্টিটোত দলটোৰ ভেটি নোহোৱা কৰিলে। অজপ ত্যাগ কৰি বিজেপিত যোগদান কৰাৰ সন্দৰ্ভত মেৰিলীন বড়া গগৈৰ সৈতে সাংবাদিকৰ সৈতে হোৱা সাক্ষাৎকাৰত তেখেতে কয়- আঞ্চলিক পঞ্চায়তৰ সদস্যা হিচাপে জয়ী হোৱাৰ পিছত দলটোৰ সভাপতি লুৰিণজ্যোতি গগৈয়ে কোনো খবৰ লবলৈও সময় নাপালে, যাৰ বাবে মই নিৰ্বাচন খেলোতে ৰাইজক দিয়া প্ৰতিশ্ৰুতি পূৰণ কৰিব পৰা নাই। তেখেতে নামনি অসমৰ ফালে কিছুমান মানুহক বেছি গুৰুত্ব দিয়াৰ বাবে আমাৰ খবৰ লবলৈ সময় নাপাই। গতিকে মই ৰাইজক দিয়া প্ৰতিশ্ৰুতিসমূহ পূৰণ কৰিবলৈ ভাৰতীয় জনতা পাৰ্টীত যোগদান কৰিলোঁ। এই দৰে অভিযোগ উত্থাপন কৰি অসম জাতীয় পৰিষদৰ পৰা বিজেপিমুখী হয় নেত্ৰীগৰাকী। ইফালে ৰাজ্যিক বিজেপিৰ মুখপাত্ৰ যুৱ নেত ত্ৰিদিপজ্যোতি মৰাণে কয় যে, অসম জাতীয় পৰিষদৰ সভাপতি লুৰিণজ্যোতি গগৈয়ে কিছুমান অচিনাকি লোকৰ খবৰ লৈ থাকোঁতে নিজ দলৰ বড়া, গগৈ লোকসকলৰ খবৰ লবলৈ সময় নাই। অসম জাতীয় পৰিষদ দল এটা সৰু দল হৈও নিজ দলৰ কৰ্মীৰ খবৰ নলৈ অচিনকী মানুহক গুৰুত্ব দিয়ে। সেইকাৰণে মেৰিলীন বড়া গগৈয়ে ৰাইজৰ কাম কৰিবলৈ বিজেপিত যোগদান কৰিছে। ইফালে আজি যোগদান কাৰ্যসূচীত উপস্থিত থাকে তিনিচুকীয়া জিলা বিজেপিৰ সভাপতি কুশকান্ত বড়া, সাধাৰণ সম্পাদক দিগন্ত পাদুন, ৰাজ্যিক বিজেপিৰ উপ সভাপতি পুলক গোহাঁই, ৰাজ্যিক বিজেপিৰ মুখপাত্ৰ। মনোজ ধানোৱাৰ, ত্ৰিদিপজ্যোতি মৰাণ, তিনিচুকীয়া জিলা পৰিষদৰ উপ সভানেত্ৰী চিত্ৰলেখা দুৱৰা চুনাৰ লগতে জিলা বিজেপি আৰু ৰাজ্যিক বিজেপিৰ বহুকেইগৰাকী কৰ্মকৰ্তা।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ | বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com | ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ | ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন